# সোণ্-তৰা



নাৰেংগী আঞ্চলিক মহাবিদ্যালয় আলোচনী, প্ৰথম বছৰ, প্ৰথম সংখ্যা

# সোণ্-তৰা

## নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয় আলোচনী

প্ৰথম বছৰ, প্ৰথম সংখ্যা - ১৯৯৭-৯৮

নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়
তমসো মা জ্যোতির্গময়
স্থাপিত ১৯৯১ ইং চন গুৱাহাটী-২৬

তত্ত্বাৱধায়ক

শ্ৰী সৰোজ কাকতি

সম্পাদিকা

শ্ৰী লুকুমনি দাস

উপহাৰ,

শ্ৰদ্ধা / মৰম / শুভেচ্ছাৰে

প্ৰতি.............................................................

.............................................................

.............................................................

## সম্পাদনা সমিতি

সভানেত্ৰী ঃ শ্ৰীযুতা নীৰা দাস (ভাৰ প্ৰাপ্ত অধ্যক্ষা, নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়)

তত্ত্বাৱধায়ক ঃ শ্ৰীযুত সৰোজ কাকতি (প্ৰৱক্তা অসমীয়া বিভাগ)

সম্পাদিকা ঃ শ্ৰীলুকু মনি দাস

সদস্য ঃ শ্ৰীকমল বৈশ্য

সদস্য ঃ শ্ৰীসন্দিপ বৰুৱা

সদস্য ঃ শ্ৰীধীৰাজ কাকতি

বেটুপাতৰ শিল্পী ঃ

সৰোজ কাকতি


মুদ্ৰক ঃ—

D.T.P. COMPOSSING & PRINTING
AT
PRINTS MEDIA COMPUTER
TIP-TOP GALI, S. S. ROAD,
LAKHTOKIA, GUWAHATI - 1
PH : 631315 P.P.


## কৃতজ্ঞতা জ্ঞাপন


যি সকল ব্যাক্তিৰ প্ৰেৰণা আৰু সহায়-সহোযোগত মহাবিদ্যালয়ৰ মুখপত্ৰখন পোন প্ৰথমবাৰৰ বাবে প্ৰকাশৰ মুখ দেখিলে, সেই সকলৰ ওচৰত মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শ্ৰদ্ধাৰে - বিশিষ্ট কবি নৱকান্ত বৰুৱা, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰী ডঃহেমপ্ৰভা শইকীয়া, পৰিচালনা সমিতিৰ সম্পাদক শ্ৰীযুত মথুৰা মোহন কলিতা, ভাৰপ্ৰাপ্ত অধ্যক্ষা শ্ৰীযুতা নীৰা দাস, প্ৰৱক্তা শ্ৰীযুত হেমন্ত ৰাভা, শ্ৰীযুত সঞ্জয় কলিতা আৰু প্ৰথমৰ পৰা শেষলৈকে মোৰ কাৰ্যকালৰ নেপথ্যত থাকি সকলো ধৰণৰ সহায় সহযোগিতা আগবঢ়োৱা শ্ৰীযুত সৰোজ কাকতি চাৰ আৰু মিনু বাইদেউ।

স্নেহেৰে - বন্ধুবৰ্গ ক্ৰমে - সাধাৰণ সম্পাদক কমল দা, সৰমা, সন্দিপ দা, দুলুমনি, গীতাঞ্জলী, অনিন্দ্ৰ, মানিক আৰু বিনীতা।

আনন্দৰে - আলোচনীখন উলিয়াবলৈ লেখনি আগবঢ়োৱা সমূহ ব্যক্তিলৈ। লগতে অতি কম সময়ৰ ভিতৰত অশেষ কষ্ট স্বীকাৰ কৰি আলোচনীখন প্ৰকাশ কৰাত সহায়-সহযোগ আগবঢ়োৱা বাবে "প্ৰিন্টচ্ মিডিয়া"ৰ স্বত্বাধিকাৰী আৰু সমূহ কৰ্মচাৰীবৃন্দলৈ।

লগতে মহাবিদ্যালয়ৰ সমূহ প্ৰৱক্তা আৰু কৰ্মচাৰীবৃন্দ আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীবৃন্দ, যি সকলৰ সহায়-সহযোগিতাই এই আলোচনীখন প্ৰকাশ কৰি উলিৱাত মোক প্ৰেৰণা আৰু সাহস যোগালে।

# অৰ্পণ

দেশ মাতৃৰ স্বাধীনতা আন্দোলনত বীৰদৰ্পে প্ৰাণ আহুতি
দিয়া বীৰৰ লগতে অসমীয়া ভাষা আন্দোলনত
নিঃস্বাৰ্থ ভাৱে প্ৰাণ আহুতি দিয়া
সকলোবোৰ জ্ঞাত - অজ্ঞাত
বীৰ শ্বহীদৰ পৱিত্ৰ
স্মৃতিত।

# শ্ৰদ্ধাঞ্জলী

"মৃত্যুওতো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য।"

আমি শ্ৰদ্ধাৰে অমল গোলাপ পাহি নিবেদিছোঁ—
পৰিচালনা সমিতিৰ সদস্য - ঁ ক্ষেমৰাজ উপাধ্যায়।
পৰিচালনা সমিতিৰ সদস্য - ঁ কমলেশ্বৰ ফুকন।
মহাবিদ্যালয়ৰ ছাত্ৰ - ঁ সুব্ৰত দে (টুনু)
মহাবিদ্যালয়ৰ ছাত্ৰ - ঁ ৰমেন দাস
ভায়ামামা শিল্পী গোষ্ঠীৰ সমূহ শিল্পীবৃন্দ।
আৰু বহুতো খ্যাত - অখ্যাত ব্যাক্তিলৈ।

*বিদেহী আত্মাই লাভ কৰক চিৰশান্তি।*
*তাৰেই কামনাৰে অদৃশ্যজনৰ ওচৰত নতজানু হৈ প্ৰাৰ্থনা জনাইছোঁ।*

# আমি যাক হেৰুৱালো !



ঁসুব্রত দে ( টুনু )

স্নাতক প্ৰথম বৰ্ষ



ঁৰমেণ দাস

উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

# শুভেচ্ছাবাণী

ডঃ হেমপ্ৰভা শইকীয়া
সভানেত্ৰী নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়
পৰিচালনা সমিতি

দিনাংক,– ২·২·৯৯

*নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই বছেৰেকীয়া মুখপত্ৰ "সোণ-তৰা" প্ৰকাশৰ আয়োজন কৰা বুলি জানি অতিশয় আনন্দিত হৈছো । ছাত্ৰ সমাজৰ সাহিত্য সাধনাৰ একমাত্ৰ আহিলা এই মুখপত্ৰ খনিয়ে সাহিত্যৰ লগতে সমাজৰ উন্নয়নত অৰিহনা যোগাব বুলি মোৰ দৃঢ় বিশ্বাস ।*

*মুখপত্ৰখনিৰ উত্তৰোত্তৰ কামনা কৰিলো ।*

(হেমপ্ৰভা শইকীয়া )

# শুভেচ্ছা বানী

জয় জয়তে '*সোণ্- তৰা*'লৈ প্ৰীতি আৰু শুভেচ্ছা জনাইছোঁ । নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰজ্ঞাৰ প্ৰতীক স্বৰূপ 'সোনতৰা' প্ৰথম বাৰৰ বাবে প্ৰকাশ লাভ কৰিবলৈ সক্ষম হৈছে । এই 'সোণ্-তৰা'ই আমাৰ ছাত্ৰ- ছাত্ৰী, শিক্ষক-শিক্ষয়ত্ৰী সকলৰ বৌদ্ধিক তথা মানসিক দিশৰ প্ৰতিনিধিত্ব কৰিবলৈ নাৰেঙ্গী বাসী ৰাইজৰ আশীষ শিৰত লৈ গাৱঁলীয়া বাটেদি সেন্দুৰী আলিয়েদি বিশ্বৰ সভালৈ আগবাঢ়ি যাওক। এই 'সোনতৰা'ই গোটেই অসমবাসী তথা ভাৰতবাসীৰ অন্তৰ স্পৰ্শ কৰি মানুহৰ সৰ্বাঙ্গীন উন্নতিত সহায়ক হওঁক। 'সোণ্-তৰা'ৰ অমৰত্বৰ কামনাৰে —— ।

ইতি

**নীৰা দাস (ঠাকুৰীয়া)**

ভাৰপ্ৰাপ্ত অধ্যক্ষা,

নাৰেঙ্গী আঞ্চলিক কলেজ ।

গুৱাহাটী— ২৬

# শুভেচ্ছাবাণী

নৰকান্ত বৰুৱা
শিলপুখুৰী
গুৱাহাটী – ৩

নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়ৰ ছাত্ৰ সমাজে যোৱা কেইবছৰমান প্ৰাচীৰ পত্ৰিকা আদিৰ যোগেৰেই তেওঁলোকৰ ভাষা আৰু সাহিত্য প্ৰেম প্ৰকাশ কৰিছিল । এই বছৰ তেওঁলোকে মুদ্ৰিত ৰূপত বছৰেকীয়া আলোচনী "সোণ্-তৰা" খন প্ৰকাশ কৰিব খুজিছে । 'আখৰৰ কাৰবাৰী' মানুহ হিচাপে মই এই খবৰটো পাই অতি আনন্দিত হৈছো । দৰাচলতে কলেজ বা স্কুলৰ আলোচনী ছাত্ৰ-শিক্ষকৰ মানসিকতাৰ দাপোনৰ দৰে । সাহিত্যৰ যোগেৰে ব্যক্তি, অঞ্চল, দেশ আৰু বিশ্বৰ লগত সংযোগ স্থাপন কৰিব পাৰি । তাৰেই আৰম্ভণি হয় এনেধৰণৰ আলোচনীত ।

মই এইবাৰৰ আলোচনীখনৰ কৃতকাৰ্য্যতা কামনা কৰাৰ লগতে এজোলোকা গাঁৱলীয়া আৰ্শীবাদ যাচিছোঁ । 'বছৰে বছৰে বাঢ়ি যা !'

অন্তৰৰ শুভেচ্ছাৰে ।

নৰকান্ত বৰুৱা

১০-২-৯৯

# তত্ত্বাৱধায়কৰ এষাৰ



নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়ৰ আলোচনীখনতেই ভৱিষ্যতৰ বাবে মহাবিদ্যালয়ৰ কাৰ্য্য, প্ৰতিভা, সফলতা আদিৰ পদচিহ্ন ৰৈ যাব, আৰু উত্তৰ পুৰুষে সেই চিহ্ন চায়েই নিৰ্দ্ধাৰণ কৰিব এই মহাবিদ্যালয়খনৰ সফলতা অথবা বিফলতাৰ মাপকাঠি । চাৰিওফালৰ নৈতিক অধ:পতনৰ সময়তো আমি নৈতিকতা তথা মানৱতাৰ সন্ধান কৰিবই লাগিব, অন্যথা এই মানুহৰ সমাজ ধ্বংসস্তুপত পৰিণত হব । সাহিত্য, সংগীত অথবা যিকোনো প্ৰকৃত কলাৰ সাধনাই মানুহক সুন্দৰ হবলৈ শিকায়,-- সেইকাৰণেই কলাৰ সাধক সকলক মানুহে উচ্চ মৰ্য্যাদা প্ৰদান কৰি আহিছে । খ্যাতি বা যশস্যা ডাঙৰ কথা নহয়, ডাঙৰ কথা হল মানুহৰ সৎকৰ্ম । সৎকৰ্মই মানুহক সুফল প্ৰদান কৰিবই, সি নিশ্চিত ।

ছাত্ৰ-ছাত্ৰীসকলেও জীৱনত খ্যাতিৰলোভ এৰি, অকল যদি সৎকৰ্ম কৰাৰ স্বাৰ্থতেই জীৱনৰ কাৰ্য্যবোৰ কৰি যায় তেন্তে জীৱন সাৰ্থক হবই । খ্যাতি হ'ল জিভাৰ সোৱাদৰ দৰে যি সোৱাদে মানুহক খাদ্য খাবলৈ উৎসাহিত কৰে, কিন্তু খাদ্য গ্ৰহনৰপ্ৰকৃত উদ্দেশ্য হল শৰীৰটোক সুস্থ- সবল কৰি জীয়াই ৰখা । জিভাৰ তৃপ্তি সাধন কৰাতো খাদ্য গ্ৰহনৰ প্ৰকৃত উদ্দেশ্য নহয় । সেইদৰে খ্যাতি লাভ কৰাও জীৱনৰ উদ্দেশ্য নহয় । -- উদ্দেশ্য হল সৎকৰ্ম কৰাহে ।

ছাত্ৰ-ছাত্ৰীসকলৰ এটা প্ৰধান মানসিক সমস্যা হ'ল বিখ্যাত হোৱাৰ আকাংক্ষা । পৃথিৱীৰ প্ৰত্যেকজন সুস্থ মানুহেই জীৱনত কিবা এটা ডাঙৰ কাম কৰি দেখুৱাব বিচাৰে । খেলুৱৈ, চিনেমাৰ নায়ক-নায়িক, লেখক, শিল্পী, গায়ক-গায়িকা, বিশ্বসুন্দৰী আদিৰ খ্যাতিয়ে কোমলমতীয়া ছাত্ৰ-ছাত্ৰীসকলোকো সেই জুইকুৰাত জাপ দিবলৈ অহৰ্নিশে উচটাই থাকে। অন্য বন্ধুবান্ধৱ, পিতৃ-মাতৃ বা ওচৰ- চুবুৰীয়া সকলেও ছাত্ৰ-ছাত্ৰীসকলক এই খ্যাতি লাভৰ কাৰণেই উৎসাহিত কৰে ,কিন্তু খুব কম মানুহেহে সেই খ্যাতিৰ কাৰণে অত্যাৱশ্যকীয় কঠোৰ সাধনাৰ বিষয়ে কয় । কঠোৰ পৰিশ্ৰম, অথবা সাধনা অবিহনে কোনেও একো ডাঙৰ কাম কৰিব নোৱাৰে ।

পিছে আজিৰ সময় হল এনেকুৱা যত মানুহে কাম কৰিবলৈ নিবিচাৰে অথচ ভালৰো ভাল ফলটো পাবলৈ বিচাৰে।প্ৰকৃতিৰ এই নিয়মৰ বিৰুদ্ধাচৰন কৰা মানেই ধ্বংস অনিবাৰ্য্য। এই ধ্বংস যজ্ঞত অৱিহনা যোগাইছে কিছুমান সস্তীয়া প্ৰচাৰ মাধ্যমে । পৰিনতিত বহু প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ জীৱন ব্যৰ্থতাৰ হা হুমুনিয়াহেৰে ভৰি পৰে । বহুতে আকৌ সুখ্যাতি আৰ্জিবলৈ ব্যৰ্থ হৈ শেষত কুখ্যাতি অৰ্জন কৰাত ব্যস্ত হৈ পৰে ।

বেটুপাতৰ বিষয়ে এষাৰ---

এই প্ৰমূল্যবোধৰ অবক্ষয় হোৱা কাৰণেই আজি কৰ্ম সংস্কৃতিৰ বিলুপ্তি হব ধৰিছে ।

শাৰীৰিক পৰিশ্ৰমক মানুহে ঘিণ কৰিবলৈ লৈছে— ফলস্বৰূপে মানুহৰ সমাজত আৱৰ্জনাৰ দমটো ভয়াবহ ভাৱে বাঢ়ি গৈ আছে । বিবেকক জাগ্ৰত কৰি ৰাখিবলৈ সমাজৰ বেছিভাগ মানুহেই নিবিচাৰে , বেছিভাগ মানুহেই শুই কটাব বিচাৰে । যাৰফলত আজি আমাৰ সমাজ তথা ব্যক্তিগত জীৱনতো মৰুভূমিৰ কাইটিয়া গছ গজি উঠিছে । তাৰেই সুযোগ লৈ এচাম স্বাৰ্থপৰ লোকে সমাজৰ প্ৰগতিৰ চকা ঘূৰোৱাৰ ঠিকাবোৰ লৈছে । তেঁওলোকৰ চকুৰ দৃষ্টিত সৃষ্টি নাই , আছে ধ্বংস ।

তথাপিও আশাবাদী এই অন্ধকাৰৰ মাজোতো পোহৰ বিলাব পৰা মানুহ এই পৃথিৱীত আছে । যি সকল নমস্য ব্যক্তিৰ কাৰণেই মানুহৰ সমাজখন, মানুহৰ পৃথিৱীখন সম্পূৰ্ণ ৰূপে ভাগি পৰা নাই ধ্বংস হোৱা নাই ।

সকলোৱে কয় পৃথিৱীখন হেৰাই গল
"মানুহবোৰ" নোহোৱা হল
নিদ্ৰামগ্ন বিবেকৰ মৰুভূত গজিল
কাইটিয়া কেকটাছৰ শিলুৱা হাঁহি ।
তাৰ কন্টক শয্যাত, শৰবিদ্ধ ভীষ্মৰ শক্তিহীন শৰীৰ—
প্ৰগতিৰ চকা ঘূৰোৱাৰ ঠিকাবোৰ
শগুনেই হেনো ললে । তাৰ লাওখোলা দৃষ্টিত
জীয়া মানুহৰ শৰীৰ, মন আৰু বিবেকৰ দিবাৰাত্ৰি সন্ধান।
অন্ধকাৰ শৰীৰৰ প্ৰতিটো কোঁঠালিত চলে
ক্ৰূৰতাৰ মহাভোজ । জীৱনৰ গায়ত্ৰীত
খোদিত আছে যোগ্য ভোগ্য বসুন্ধৰাৰ বহুৰূপ সপোন।
তথাপিও জীয়াই আছে পৃথিৱী
কোনে জানো কৈছিল— "কৌটিজনৰ আন্ধাৰৰ মাজতো
আছে সততাৰ পোহৰ । যাৰ বাবে ভাগিপৰা নাই
মাটিৰ পৃথিৱীৰ স্বপ্ন" ।

● ● ● ● ● ● ● ● ● ● ● ● ●

আধ্যাত্মিক জগতত সোণ আৰু ৰূপৰ কোনো মূল্য বা আদৰ নাই । কাৰণ সেইবোৰৰ প্ৰলোভনে মানুহক প্ৰকৃত পথৰপৰা বহুত দূৰলৈ আঁতৰাই নিয়ে ।

— পৱিত্ৰ কোৰাণ

আমি যি জানো সি অতি সামান্য । যি নাজানো তাৰ সীমা নাই । এতেকে নিজক জ্ঞানী বুলি ভৱা অনুচিত ।

— লাপলেচ

# সূচীপত্ৰ


১) এক মহীয়সী মাতৃৰ পৱিত্ৰ স্মৃতিত একাজলি পুষ্পাঞ্জলী(প্ৰবন্ধ) .........
২) এটা গল্পৰ সমল বিচাৰি ( গল্প ) কমল বৈশ্য
৩) মই মানুহ এইখন পৃথিৱীৰেই ( কবিতা ) মনিৰাম বড়ো
৪) শ্ৰদ্ধাঞ্জলী (কবিতা) ডেইজী দাস
৫) নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়ৰ চমু আভাস (প্ৰবন্ধ) শ্ৰীযুত মথুৰা মোহন কলিতা
৬) গাৰোৱাল হিমালয়ৰ শুকুলা ডাৱৰৰ মাজৰ কেডাৰ ড'ম শিখৰ অভিযান (স্মৃতিৰ পাপৰি) ববিতা গোস্বামী
৭) বৰ্তমান আমাৰ দেশত কন্যা সন্তানৰ সমস্যা (প্ৰবন্ধ) ৰুবী কলিতা
৮) আৰু এটা শ্লোগান (গল্প) মনজিৎ চন্দ্ৰ দাস
৯) শান্তিৰ পথ বিচাৰি (কবিতা) ভৱেন মেধি
১০) হয়তোবা আকৌ এদিন (কবিতা) প্ৰণালী দত্ত
১১) কলা বীথিকাত এদিন (স্মৃতিৰ পাপৰি) সৰমা পাটোৱাৰী
১২) The Indian Navy (Essay) Nirmala Devi
১৩) সি উভতি আহিছিল (গল্প) ৰুনুমী দাস
১৪) ভাৱনা (কবিতা) গীতাঞ্জলী ডেকা
১৫) মোৰ আই (কবিতা) সীমান্ত বৰা
১৬) Morphology of Pasighat Town of Arunachal Pradesh Dilip Dutta (Lecturer)
১৭) ভিন্ন অতিথি (গল্প) ৰীতা দত্ত হাজৰিকা (প্ৰবক্তা)
১৮) বাস্তৱ (কবিতা) গীতাঞ্জলী কলিতা
১৯) অপেক্ষা (কবিতা) সঞ্জয় কলিতা (প্ৰবক্তা)
২০) কাৰ্বি সকলৰ জহং পূজা (প্ৰবন্ধ) নীৰা দাস (ভাৰপ্ৰাপ্ত অধ্যক্ষা)
২১) সংগী (গল্প) মিনু দাস (প্ৰবক্তা)
২২) শৰতৰ উপহাৰ (কবিতা) সুকণ্যা ডেকা
২৩) শ্বহীদ (কবিতা) সোনপাহি কলিতা
২৪) To Remember Me.... Babi Paul
২৫) বহ্নিমান অসম (কবিতা) পদ্মলোচন দাস
২৬) অনুভৱ (কবিতা) জুৰি বৰুৱা
২৭) এখন সেউজীয়া উদ্যান (গল্প) সৰোজ কাকতি (প্ৰবক্তা)
২৮) Desire (Poem) D. Budha Tila Chakama


Next Page.......

| | |
|---|---|
| ২৯) Belief (Poem) | Sumitra Devi Chatry (Lecturer) |
| ৩০) প্ৰেম আৰু পৰিণতি (গল্প) | মনিৰাম বড়ো |
| ৩১) সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | ......... |
| ৩২) এটা পাগল (গল্প) | দীপিকা বসুমতাৰী |
| ৩৩) মোৰ প্ৰেমৰ নিজৰা (কবিতা) | কনক ভূঞা |
| ৩৪) মোৰ মন যায় (কবিতা) | অদিতি হাজৰিকা |
| ৩৫) আলোচনী বিভাগৰ সম্পাদকীয় প্ৰতিবেদন | ......... |
| ৩৬) বহাগৰ বা (গল্প) | নৃপেন চন্দ্ৰ দাস |
| ৩৭) সাম্প্ৰতিক (কবিতা) | দিপ্তি কলিতা |
| ৩৮) বিপ্লৱী (কবিতা) | ৰিঙ্কু কলিতা |
| ৩৯) খেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন | ......... |
| ৪০) Mother (Poem) | Aparna Bhattacharji |
| ৪১) নৱবিপ্লৱী কবি জাগে (কবিতা) | নিৰ্মল ক্ৰ (কাৰ্য্যলয় সহায়ক) |
| ৪২) জানেনে ? | চাহেদ আলী / পৰিনীতা ভড়ালী |
| ৪৩) অপেক্ষা (কবিতা) | বিপুল তালুকদাৰ (কাৰ্য্যলয় সহায়ক) |
| ৪৪) মৃত্যুহীন (কবিতা) | শিৰম পংকজ |
| ৪৫) জীৱনৰ চিনাকি | মামনী ডেকা |
| ৫৬) নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়ৰ পৰীক্ষাৰ ফলাফল | ......... |
| ৪৭) চিত্ৰপট | .......... |
| ৪৮) মহাবিদ্যালয়ৰ ছাত্ৰ - একতা সভাৰ বিষয়- ববীয়া সকল | .......... |

# আমাৰ অধ্যক্ষা



কৰ্মৰত অৱস্থাত আমাৰ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা
মাননীয়া শ্ৰীযুতা নীৰা দাস ।

প্ৰবন্ধ

# এগৰাকীমহীয়সী মাতৃৰ পৱিত্ৰ স্মৃতিত
## –একাজলি পুষ্পাঞ্জলী–



মাদাৰ টেৰেজা, নামটো ল'লেই চকুৰ আগত ভাহি উঠে এগৰাকী মাতৃৰ স্নেহময়ী ৰূপ, ক'ব নোৱাৰাকৈয়ে মূৰটো আপোনা-আপুনি শ্ৰদ্ধাত দোঁ খাই যায়। কোনোবা দূৰ দেশ, যুগোশ্লোভিয়াৰ "এগনেছ" নামৰ, ছোৱালীজনী এতিয়া, কিয় সদায়েই ভাৰত, তথা সমগ্ৰ পৃথিৱীৰ অনাথ, দুখীয়া, পিতৃ মাতৃৰ মৰমৰ পৰা বঞ্চিত লাখ লাখ শিশুৰ বাবে তেওঁ যেন -

"কোনে মোক তুলি তালি কৰিলে ডাঙৰ
মৌ সনা মিঠা মাতে পাহৰি ভাগৰ,
কৰিছিল স্নেহ, দুগালত চুমা খাই,
তেওঁ মোৰ পূজনীয়া মৰমৰ আই।"

"নৈৰ সমান বব কোন, আইৰ সমান হ'ব কোন" মাদাৰ টেৰেজা - এই গৰাকী আই যেন কোনো দিনে নুশুকুৱা এখন বোৱতী নদী।

১৯১০ চনৰ আগষ্ট মাহৰ ২৭ তাৰিখ, ইউৰোপ মহাদেশৰ যুগোশ্লোভিয়া নামৰ দেশখনৰ স্কপেজ চহৰত মাদাৰ টেৰেছাৰ এই দিনটোতে জন্ম হয়। নামটো অৱশ্যে পাছতহে হোৱা, সৰুতে মাক দেউতাকে নাম থৈছিল "এগনেছ"। এই এগনেছৰ জীৱনত মাকৰ প্ৰভাৱ আছিল অপৰিসীম! হয়তো মাকৰ অশেষ চেষ্টাৰ ফলশ্ৰুতি য়েই আজি মাদাৰ টেৰেছা বিশ্ববিজয়ী ৰূপে অভিহিত হ'ল।

মাদাৰে স্কুলত পঢ়ি থকা অৱস্থাতেই তেওঁলোকৰ দেশৰ 'ছোভালিটি' নামৰ এটা ধৰ্মীয় অনুষ্ঠানৰ সদস্য হয় আৰু তেতিয়াৰ পৰাই এগনেছৰ মন পাঠ্য-পুথিৰ পৰা ভাৰতবৰ্ষৰ দৰিদ্ৰ জনগণৰ মাজলৈ উৰা মাৰিবলৈ ধৰে। মনলৈ আহিল 'লেডি উইথ ডি লেম্প' ফ্লোৰেন্স নাইটিঙ্গেঁলৰ কথা। ততালিকে সেৱাৰ আনন্দই এগনেছক বিদ্যালয়ৰ চাৰিসীমাৰ ভিতৰত বন্দী কৰি ৰাখিব নোৱাৰিলে।

হঠাৎ জেসুইট দলৰ এজন সদস্যৰ পৰা পোৱা চিঠিৰ প্ৰত্যুত্তৰ হিচাপে কলিকতাত থকা 'কেথ'লিক নান' সংগঠনৰ লগত যোগাযোগ কৰি ১৯২৮ চনৰ নৱেম্বৰ মাহত ১৮ বছৰীয়া এগনেছে জীৱনৰ এটা নতুন ব্ৰত লৈ 'নান' সংগঠনত যোগদান কৰিলে আৰু ১৯৩১ চনৰ ২৪ মেত, এগনেছৰ সপোন বাস্তৱত ৰূপায়িত হয়। কলিকতাৰ দাৰ্জিলিং চহৰত থকা লৰেটো কনভেন্ট বিদ্যালয়ত শিক্ষয়িত্ৰী হিচাপে নিযুক্তি পালে। উক্ত সংগঠনটোৰ নিয়ম অনুযায়ী এগনেছৰ নাম হ'ল 'মেৰি টেৰেজা'।

১৯৪৬ চনত লৰেটো কনভেন্ট ত্যাগ কৰি টেৰেজাই প্ৰাথমিক চিকিৎসাৰ শিক্ষা গ্ৰহণ কৰিবলৈ পাটনালৈ যায়। হঠাৎ এক নতুন বিপ্লৱৰ সূচনা হয়। এক শুভ কাৰ্য্যৰ বাবে মেৰি টেৰেজাই কনভেন্টৰ সকলো মূল্যবান পোছাক পৰিত্যাগ কৰি সম্পূৰ্ণ ভাৰতীয় সাজ পিন্ধিবলৈ আৰম্ভ কৰে। নীলা পাৰিৰ বগা শাৰী, কান্ধৰ ওপৰত ক্ৰুছ চিহ্ন। প্ৰত্যেকেই নিজৰ আই বুলি ভবাৰ উদ্দেশ্যই এই পৰিধান। এনেকৈয়ে ১৯৫০ চনত 'মিচনেৰিজ অব চেৰিটিজ' নামৰ অনুষ্ঠান এটাৰ গঢ় দিলে। মাদাৰে প্ৰতিষ্ঠা কৰা মিচনেৰিজ অব চেৰিটিজৰ ভৱনত তিনিখন ফলক লগোৱা আছে। এখনত আছে চাৰিটা প্ৰতিজ্ঞাৰ কথা। দৰিদ্ৰ, পৱিত্ৰতা, আনুগত্য আৰু দান। অন্য এখন ফলকত আঁকা আছে - সেৱিকা সকলে সেৱা আগবঢ়াই থকাৰ ছবি দুৰ্গত দীনদুখী সকলৰ মাজত। ইয়াৰ ওপৰত লিখা আছে মাদাৰৰ প্ৰাৰ্থনা। হে ভগৱান দাৰিদ্ৰ্য আৰু ক্ষুধাই যাৰ জীৱনৰ সঙ্গী, সেই সকল ভাই ভনীক সেৱা কৰাৰ যোগ্য কৰি তোলা। তেওঁলোকক মৰম দিয়া, শান্তি দিয়া, আনন্দ প্ৰদান কৰা।

ক্ৰমান্বয়ে মাদাৰে ১৯৫২ চনত স্থাপন কৰিলে নিৰ্মল হৃদয় । আজি মাদাৰ টেৰেছাৰ নিৰ্মল হৃদয় বিশ্ববাসীৰ এটা চিনাকী নাম। এনেকৈ এখনৰ পিছত এখনকৈ মাদাৰে গঢ়ি তুলিলে 'প্ৰতিমা সেন বিদ্যালয়'

নিৰ্মলা শিশু ভৱন, শান্তিপুৰ, প্ৰেমদান আৰু এটা নৈশ আবাস। য'ত দুৰ্ভগীয়া শিশু হতেঁ পায় এক পিয়লা গাখীৰ আৰু এটা পাউৰুটি।

১৯৮৯ চন। কলিকতাৰ বস্তি অঞ্চলত মহামাৰীয়ে দেখা দিয়াত বৃদ্ধা গৰাকীয়ে এওঁলোকৰ মাজত ঔষধ, পথ্য বিলাই ঘূৰি ফুৰিবলৈ ধৰিলে। সেই সময়তে মাদাৰ গুৰুতৰ ভাৱে অসুস্থ হৈ পৰিছিল। ১৯৯০ চনৰ ২৭ আগষ্টত মাদাৰ টেৰেজাই পূৰ্ণ কৰিলে উৎসৰ্গিত জীৱনৰ চাৰিকুৰি বছৰ সেইদিনাই মাদাৰে 'মিচনেৰিজ অব চেৰিটিজ'ৰ পদৰ পৰা অৱসৰ ল'লে। কিন্তু বিশ্ববাসীৰ অনুৰোধত এই সিদ্ধান্ত উঠাই ল'বলৈ বাধ্য হ'ল, যাত্ৰা আৰম্ভ হ'ল আকৌ দৰিদ্ৰ জনৰ সেৱাৰ মাজলৈ।

শান্তি দূত! সচাঁকৈয়ে মাদাৰ টেৰেছা যেন পৰম শান্তিৰ প্ৰতিমূৰ্ত্তি। এই গৰাকী মহিয়সী মাতৃয়ে তেখেতৰ জীৱনৰ অমূল্য সময়খিনিত বহুতো পুৰস্কাৰ আৰু বিৰল সন্মানেৰে বিভূষিত হ'বলৈ সক্ষম হ'ল কেৱল তেখেতৰ নিজ অকুণ্ঠ প্ৰচেষ্টা, সাহস, ত্যাগ আৰু এখন উদাৰ অন্তৰৰ জৰিয়তে।

১৯৬২ চনত ভাৰত চৰকাৰে মাদাৰ টেৰেজাক সন্মানিত কৰিলে পদ্মশ্ৰী বটাৰে। সেই একে বছৰতে লাভ কৰিলে 'আন্তৰাষ্ট্ৰীয় সন্মানজনক মেগচেচে বঁটা আমেৰিকাৰ বোষ্টনৰ পৰা প্ৰদান কৰিলে ! "গুদ চামাৰিটান বটা" আকৌ আমেৰিকাই পুনৰ প্ৰদান কৰিলে "জন এফ কেনেডী বটা"। ৱাচিংটনৰ পৰা পালে 'ডক্টৰেট অৱ হিউমেন লেটাৰস'। ১৯৭২ চনত ভাৰত চৰকাৰে আগবঢ়ালে আৰ্ন্তজাতিক পুৰস্কাৰ 'নেহৰু এৱাৰ্ড অৱ ইন্টাৰনেচনেল আন্ডাৰষ্টেডিং'। ১৯৭৩ চনত পুনৰ আমেনিৰকাই দিলে 'টেমপলেন পুৰস্কাৰ'। অষ্ট্ৰেলিয়াৰ পৰা পালে 'অৰ্ডাৰ অৱ অষ্ট্ৰেলিয়া।' য়েমেনে প্ৰদান কৰিলে সেই দেশৰ সৰ্বোচচ সন্মান। ১৯৭৯ চনত মাদাৰ টেৰেজালৈ আগবঢ়োৱা হ'ল বৰ্তমান বিশ্বৰ আটাইতকৈ সন্মানজনক নবেল বটা 'শান্তিৰ ' বাবে। ১৯৮০ চনত ভাৰত চৰকাৰে প্ৰদান কৰিলে আমাৰ দেশৰ সৰ্বশ্ৰেষ্ঠ অসামৰিক সন্মান ' ভাৰত ৰত্ন', সচাঁকৈয়ে মাদাৰ টেৰেছা ভাৰতৰ আটাইতকৈ উজ্জ্বল ৰত্ন টুকুৰা। আকৌ ১৯৯২ চনত ৰাচিয়াৰ কনসাল জেনেৰেল নিজে কলিকতালৈ আহি মাদাৰক প্ৰদান কৰিলেহি লিঅ' টলষ্টয় পুৰস্কাৰ' - শিশুৰ সেৱা আৰু সুৰক্ষাৰ বাবে আগবঢ়োৱা হ'ল এই বটা।

মাদাৰ টেৰেছাৰ বাবে কিন্তু এই সকলো বোৰ পুৰস্কাৰ আৰু সন্মানতকৈ আটাইতকৈ ডাঙৰ পুৰস্কাৰ হ'ল দীন দুখীজনে প্ৰদান কৰা কেইটামান পইছাহে। এদিন আবেলি এজন মগনীয়াই মাদাৰক লগ পাব বিচৰাত বিশ্ৰামৰত মাদাৰক কোনেও আমনি কৰিব খোজা নাছিল। কিন্তু মাদাৰ অহাত মানুহজনে ক'লে, 'আই, মোৰ হাতত দিনটো ভিক্ষা কৰি পোৱা এই পইচাকেইটা আপুনি গ্ৰহণ কৰিবনে? 'মাদাৰৰ দুচকুৰেদি চকুলো বাগৰি আহিছিল দুইহাত পাতি পৰম আগ্ৰহেৰে পইচাকেইটা গ্ৰহণ কৰিলে। মাদাৰ টেৰেছাৰ নিজৰ ভাষাত, 'এই দুখীয়া মানুহজনে দিয়া উপহাৰটি মোৰ কাৰণে নোবেল বটা আৰু আন সকলো বঁটাতকৈ বেছি মূল্যৱান।"

এই যাত্ৰাৰ শেষ নাই। এদিন যৌৱনৰ মন উৰুৱাই নিয়া দিনবোৰতে যুগোশ্লাভিয়াৰ পৰা ভাৰতৰ বুকুলৈ আহি দীন দুখীয়াজনৰ সেৱাত জীৱন উৎসৰ্গ কৰিবলৈ অহা "মাদাৰ টেৰেজা"ই সম্পূৰ্ণৰূপে হৃদয়ঙ্গম কৰিবলৈ সক্ষম হ'ল - 'মানৱ সেৱাৰ জৰিয়তে ঈশ্বৰ সেৱা কৰা" - এই জীৱন দশাত এই মহাসত্যৰ সন্ধান পোৱা আৰু সচাঁ অৰ্থত ধাৰ্মিক লোক বুলিলে - আজিৰ পৃথিৱীত যাৰ নাম প্ৰথমেই লব লাগিব তেখেতেই হৈছে আমাৰ সকলোৰে অতি শ্ৰদ্ধাৰ "মাদাৰ টেৰেছা" - যি গৰাকী আজি বিশ্ববাসীৰ হৃদয়ৰ কোণে কোণে , শিশুহতৰ কোমল অন্তৰত আৰু যাৰ জন্মৰ পিচৰ পৰাই কোনো নাই, কিন্তু তেওঁৰ এগৰাকী মহান মাক আছে; নামেই যাৰ "মাদাৰ টেৰেছা" ১৯৯৭ চনৰ ৫ চেপ্তেম্বৰত এই গৰাকী মহীয়সী মাতৃৰ মাদাৰ হাউচত মৃত্যু হয়। জীৱনৰ কৰ্মৰত অৱস্থাত যি সন্মানেৰে বিভূষিত হ'ল থিক তেনেকৈয়ে মৃত্যুৰ পাছতো ৰাষ্ট্ৰীয় মৰ্য্যাদাৰে ১৩ চেপ্তেম্বৰত মাদাৰৰ শেষকৃত্য সমাপন কৰা হয়।

সচাঁকৈয়ে ভাৰতবৰ্ষ মহামানৱৰ সাগৰ-স্বৰূপ। এই ভাৰতৰ মহামানৱৰ সাগৰ-তীৰত থিয় হৈ আমিও যাচিছোঁ শ্ৰদ্ধাঞ্জলী ।

গল্প

# এটি গল্পৰ সমল বিচাৰি

শ্ৰীকমল বৈশ্য

আজি বহুত দিনৰ পৰা উমানন্দ মন্দিৰলৈ যাম যাম বুলি কামবোৰৰ বাবে আহৰিকেই পোৱা নাছিলো। সেয়েহে আজি উমানন্দলৈ যাও বুলি নাৰেঙ্গীত গাড়ীত উঠিলো, আৰু শেষৰ চিটৰ বাওফালে খিৰিকিৰ ওচৰত বহিলো। কলেজীয়া দিনত লগৰ বন্ধু-বান্ধবী বোৰৰ লগত প্ৰায় উমানন্দলৈ ফুৰিবলৈ গৈছিলো। গাড়ীত গৈ থাকোতে হঠাৎ মনত পৰিল আজি কেইদিনমানৰ পৰা কিবা এটা গল্প লেখিম বুলি মনতে ভাবি থকা কথাটো। এই খিনিতে এই অধমে পাঠকক জনাই থও যে মই উন্নত মানৰ নহলেও মাজে সময়ে দুই এটা কিবা কিবি লিখা মেলা কৰো। আৰু মাজে সময়ে সেইবোৰ দুই একোখন আলোচনীত প্ৰকাশো পায়। যি কি নহওক গাড়ীত যাওতে ভাবিলো যে গল্প এটা লিখাৰ বাবে কিবা এটা সমল বিচাৰি উলিয়াব লাগিব। এই বুলি কিবা কিবি নিৰীক্ষণ কৰিবলৈ লওতে গাড়ীত গৈ থকা মানুহবোৰৰ কথা- বতৰা কিছুমান শুনিবলৈ চেষ্টা কৰিলো।

এনেকৈ গৈ চান্দমাৰী পালো। গাড়ীখন ৰখাত দেখিবলৈ পালো কেইজনমান অন্ধ মানুহে গান গাই গাই গাড়ীবোৰৰ পৰা পইচা খুজিছে। এনেতে এজনে হাতত দোতোৰা এটা লৈ "দয়াৰ সাগৰ প্ৰভু কৰুণাময়.........." গীতটো গাই আমাৰ গাড়ীখনৰ খিৰিকিৰ কাষতে হাত মেলি মেলি মোৰ কাষলৈ আহিল। মই মোৰ পকেটৰ পৰা এটকা এটা উলিয়াই তাৰ হাতত দিলো। গাড়ীখন আগ বাঢ়িল। ইমান বছৰে এই গীতটো বহুতবাৰ শুনিছো। তথাপি যেন আজি গীতটো শুনি এক বিশেষ ভাল লাগিল। তাতকৈ ভাল লাগিল সেই মানুহ জনৰ কথা ভাবি। এই ৰ'দত থিয় হৈ ঘামি যামি গীত গাই পইচা খুজি তেওঁ কিজানি এখন সংসাৰ চলাই আছে। সচাই প্ৰকৃতিৰ মহিমা বৰ অপাৰ। ভাবিলো এই মানুহজনৰ বিষয়ে কিবা এটা লিখিব পৰা যায় নেকি। এনেকৈ ভাবি যাওতে হঠাৎ গাড়ীৰ হেণ্ডিমেন জনৰ মাত কানত পৰাত স্ব-জ্ঞান ঘূৰাই পালো। গম পালো গাড়ীখন কাছাৰি ষ্টপেজ পাইছে। গাড়ীৰ পৰা নামি নদীৰ ঘাটৰ ফালে খোজ ললো। ভট-ভটী এখনত উঠি মন্দিৰ অভিমুখে গতি কৰিলো। এনেতে নদীৰ বুকুৰ পৰা এজাক শীতল বতাহ আহি মোৰ গাত লাগিল। মনটো অলপ পাতল পাতল লাগিল।

আজি বহুত বছৰৰ মূৰকত এই উমানন্দ মন্দিৰলৈ আহিছোঁ। কিবা এটা নতুন যেন লাগিলেও প্ৰায় আগৰ দৰেই আছে। ঘাটৰ পৰা মন্দিৰলৈ উঠি যাওতে ক'লেজীয়া দিনৰ বহুতো কথাই মনলৈ আহিল। আজি আৰু সেই দিন নাই সকলোবোৰ বন্ধু-বান্ধবী নিজৰ নিজৰ সংসাৰ কেইখন লৈ এতিয়া ব্যস্ত। দুই এজনক মাজে সময়ে লগ পাও যদিও আগৰ দৰেই কথা পতাৰ সময় নহয়। মন্দিৰ দৰ্শন কৰি আহি নদীৰ পাৰৰ শিল এটাৰ ওপৰত থিয় হলো। নদীৰ কাষৰ সেই শিলবোৰৰ কাষে কাষে দেখিলো কেইযোৰ মান প্ৰেমিক প্ৰেমিকা। সমাজৰ ভয়ত বা ঘৰৰ অভিভাৱকৰ ভয়তেই হয়তো ইয়াতেই আহি মিলিত হৈছে। এজনৰ মনৰ ভাৱ আনজনৰ ওচৰত প্ৰকাশ কৰিছে। মোক দেখি প্ৰথমতে কেইহাল মানে আমন -জিমন কৰিছিল। কিন্তু অলপ পিছতেই সিহঁতৰ চিনাকি কোনো নহয় বুলি নিশ্চিত হোৱাৰ পিছত সিহঁত নিজৰ মাজতেই আকৌ মত্ত হ'ল। সিহঁত কেইহালক দেখি মোৰো সেই ক'লেজীয়া দিন কেইটালৈ মনত পৰিছিল। আজিৰ এই কেইহাল যুৱক-যুৱতীয়ে পোৱা এই আনন্দ আমি মানে মই কেতিয়াবাই উপভোগ কৰিছোঁ। সচাই কলেজীয়া দিনবোৰ যে কি আনন্দময় আছিল। এতিয়া সেইবোৰ কথা ভাবিলে বেয়া লাগি যায়। এনেতে নদীৰ এজাক শীতল বতাহ মোৰ শৰীৰৰ মাজেৰে পাৰ হৈ গ'ল। সেই ঠাইখিনিৰ পৰা অলপ আগুৱাই গলো। ভাবিলো অলপ ছাঁত বহি লও বুলি। আগুৱাই গৈ মই প্ৰায় চ'ক খাই উঠাৰ দৰে হলো। অলপ আঁতৰত ছাঁ পৰা শিল এটাৰ ওপৰত বহি আছে - "নয়না"।

নয়না আৰু মোৰ প্ৰথম চিনাকি হৈছিল আমাৰ কলেজৰ সৰস্বতী পূজাত। আমি সকলোৱে জানো

সৰস্বতী পূজাৰ দিনটো ছোৱালীবোৰৰ বাবে এটা বৰ গুৰুত্ব পূৰ্ণ দিন। কাৰণ এই দিনটোত এল,পি স্কুলৰ নাকৰ পানী নুগুছা ছোৱালী জনীৰ পৰা মহাবিদ্যালয়ৰ বিদায় বৰ্ষৰ ছোৱালী জনীলৈকে সকলোৱে মেখেলা চাদৰ, শাড়ী পিন্ধি নিজকেই এক নতুন ৰূপত সজাবলৈ চেষ্টা কৰে। সেই দিনা নয়নাই এযোৰ পাতৰ মেখেলা চাদৰ পিন্ধিছিল, চুলিৰ ষ্টাইল বুলিবলৈ এডাল দীঘলকৈ বেণী গুঠিছিল। সচাঁকৈ নয়নাক ইমান ধুনীয়া দেখা গৈছিল যে আকাশৰ চৰাই বোৰেও যেন এবাৰ ৰৈ তাইৰ ফালে চাই গৈছিল। ময়ো তেজ মঙহৰে গঢ়া এজন ভৰ যৌৱন প্ৰাপ্ত যুৱক ,গতিকে ময়ো তাইলৈ বৰ মৰম- সনা চাৱনিৰে চাইছিলো। এবাৰ তাইৰ আৰু মোৰ চকুৰে চকুৰে পৰিছিল যদিও তৎক্ষণাত তাই চকু দুটা ঘূৰাই দিছিল। সিদিনাৰ পৰা তাইৰ লগত চিনাকী হোৱাৰ সুযোগ বিচাৰি আছিলো। এদিন সুযোগ উলিয়াই তাইৰ লগত চিনাকী হৈছিলো আৰু শেষত তাই মোৰ এজনী অন্তৰংগ বান্ধৱীলৈ ৰূপান্তৰিত হৈছিল।

কলেজীয়া সেই দিনবোৰত প্ৰথম অৱস্থাত নয়নাৰ প্ৰতি যে মোৰ দুৰ্বলতা আছিল তাক নুই কৰিব নোৱাৰি। এদিন বহুতো সাহস গোটাই মই তাইৰ আগত সেই কথা প্ৰকাশ কৰিছিলো, কিন্তু তাই সেই কথা বৰ সহজ ভাৱেৰে প্ৰত্যাখ্যান কৰিছিল। কাৰণ মই পূৰাব খোজা সেই ঠাই টুকুৰা বহুত আগতেই কোনোবাই পূৰাই থৈছিল। তথাপি আমাৰ মাজত থকা বন্ধুত্বৰ আগৰ দৰেই আছিল। অৱশ্যে মই সিমান বিচলিত নহলো কাৰণ সেই সময়ত মোৰ প্ৰেম-ময় জীৱনলৈ আগমন ঘটিছিল মমতাৰ। সেই ক'লেজীয়া দিনবোৰত বিভিন্ন ঠাইলৈ ফুৰিবলৈ গৈছিলো, বিভিন্ন অনুষ্ঠানত যোগদান কৰিছিলো প্ৰায় একে লগেই।

আমি তেতিয়া স্নাতক তৃতীয় বৰ্ষত। এদিন হঠাৎ ক'লেজলৈ গৈ গম পালো যে নয়নাৰ দেউতাকৰ মৃত্যু হৈছে। উধাতুখাই আমি সকলো কেইজন বন্ধু-বান্ধৱীয়ে গৈ নয়না হতৰ ঘৰত উপস্থিত হলো। নয়না শোকত ভাঙি পৰিছিল। নয়নাক আমি শান্তনা দিবলৈ চেষ্টা কৰিলো। আৰু সকলোৱে লাগি ভাগি মৃতকৰ বাকীথকা কামখিনি সুকলমে পাৰ কৰিছিলো। নয়নাৰ দেউতাকে গুৱাহাটীৰ তেল শোধানাগাৰত চাকৰি কৰিছিল। দেউতাকৰ মৃত্যুৰ সময়লৈকে সিহঁত চৰকাৰী কোৱাটাৰতেই আছিল। দেউতাকৰ মৃত্যুৰ পিছত যেতিয়া চাকৰিৰ খেলি-মেলি লাগিল তেতিয়া সিহঁতে সেই কোৱাৰ্টাৰ এৰি দি গাঁৱৰ ঘৰলৈ গুছিগল। নয়নাৰ পঢ়া জীৱনৰ হয়তো সেইখিনিতেই সামৰণি পৰিল। তাই গাঁৱৰ ঘৰলৈ যোৱাৰ পিছত প্ৰথম অৱস্থাত চিঠি-পত্ৰৰ জৰিয়তে যোগাযোগ আছিল যদিও পিছলৈ সেইটোও কমি আহিল।

এইখিনি সময়তে মোৰ জীৱনলৈও বিপদ নামি আহিল। মই মমতাক অন্তৰেৰে ভাল পাইছিলো। তাইক লৈ ভৱিষ্যতৰ বহুতো ৰঙীন সপোন দেখিছিলো। কিন্তু হয়তো কালৰ আমাৰ ওপৰত নিষ্ঠুৰ চকু পৰিল। মমতাক তাইৰ ঘৰৰ মানুহে মোৰ পৰা বহুত দূৰলৈ পঠিয়াই দিলে। দিল্লীত চাকৰি কৰা কোনোবা এজন ইঞ্জিনিয়াৰলৈ মমতাক বিয়া দিলে আৰু তাই বিয়া হৈ দিল্লীলৈ গুছি গ'ল। ময়ো মানসিক ভাবে ভাঙি পৰিলো। পঢ়া জীৱনৰ সিমানতেই সামৰণি মাৰি সামৰিক বাহিনীৰ কামত যোগদান কৰিলো।

••••••••••••••••••••

নয়নাক ইমান বছৰৰ মূৰত দেখা পাই মনতে বৰ আনন্দ লাগিল। আগুৱাই গৈ মাত লগালো। তাই মোলৈ ঘূৰি চালে, লগে লগে তাইৰ মুখত বিৰিঙি উঠিল আগৰ দৰে পুলক ভৰা মিঠা হাঁহি। সচাই নয়নাৰ সেই আগৰ ৰূপ যেন আজিও প্ৰায় একেই আছে। মাথো কঁপালৰ আগত কেইদালমান চুলিৰ বৰণ সলনি হৈছে। এয়া হয়তো বয়সৰেই জাননী। প্ৰথমতে তাইৰ লগত হাঁহি ধেমালিৰে সেই ক'লেজীয়া দিনৰ কথা পাতিলো। হঠাৎ যেন মোৰ নয়নাৰ কঁপাল খনলৈ চকু গল। তাত কিবা এক খালি খালি ভাব বিৰাজমান। মনত এক অজান আশংকাই তিৰবিৰালে। তাৰ মানে————?

সোধো নোসোধো কৈ সুধি পেলালো — "নয়না তোমাৰ মুক্ত এই কপালখন ———।"

হঠাৎ নয়নাৰ সেই চকুহাল সেমেকি উঠিল। ভাহি আহিল এক ক্লান্ত হুমুনিয়াহ। তাই অলপ নিজকেই সংযত কৰি ললে আৰু পাতনি মেলিলে জীৱন কাহিনীৰ -। দেউতাকৰ মৃত্যুৰ পিছত গাঁৱৰ ঘৰলৈ গলো। আমি চাৰিটা

ভাই-ভনীৰ সৈতে সেই পাঁচজনীয়া পৰিয়ালটো চলোৱা বৰ কঠিন হৈ পৰিল। নানা চিন্তাৰ বাবে মা-ৰো লাহে লাহে শৰীৰ পৰি আহিল। সেয়েহে অশেষ কষ্টৰ মূৰত পুনৰ মই গুৱাহাটীলৈ ঘূৰি আহি কোম্পানী এটাত চাকৰি এটা জোগাৰ কৰিলো। তাৰ পিছত ঘৰখনৰ সকলো দায়িত্ব-ভাৰ মূৰ পাতি ললো।

তেনেহলে প্ৰকাশৰ কি হ'ল। মই সুধিলো। প্ৰকাশ আছিল নয়নাৰ প্ৰেমিক ।

সিয়ো এটা সময়লৈ মোৰ অপেক্ষা কৰিলে। পিছত ঘৰৰ পৰা জোৰ দিয়া কাৰণে অন্য এজনী বিয়া কৰাই নিজৰ ঘৰ সংসাৰ পাতিলে। সি এতিয়া অৰুণাচলত থাকে। তাৰ এতিয়া সুখৰ সংসাৰ। মাজে সময়ে ঘৰলৈ আহোতে মোক লগ ধৰিব বিচাৰে কিন্তু মই নিজেই তাৰ পৰা আতৰত থাকো।

"তাৰ পিছত-------"

ভাইটি-ভন্টিকেইটাক অশেষ কষ্টেৰে পঢ়াই- শুনাই ডাঙৰ কৰিলো। উপযুক্ত সময় হোৱাৰ বাবে ভন্টি দুইজনীয়ে নিজেই নিজৰ সংগী বাচি ললে। আৰু টকা ভেঁটি দিব নোৱাৰাৰ বাবে আজি ভাইটিটোৱে কেইদিনমান আগলৈকে ফাইলটো লৈ অফিচৰ দুৱাৰ মুখে দুৱাৰ মুখে ঘূৰি ফুৰিছিল। শেষত সংযুক্ত মুক্তি বাহিনীত যোগ দি সিও কৰবালৈ গুছি গ'ল।

পিছত তুমি নিজৰ বিষয়ে কি চিন্তা কৰিলা।

নিজৰ বিষয়ে দেখোন চিন্তা কৰিবলৈ সময়েই নেপালো। এই জীৱনটোত নিজৰ বাবে কি পালো আৰু কি হেৰুৱালো তাক চিন্তা কৰিবলৈ মোৰ সাহসেই নহয়। হঠাৎ হাতৰ ঘড়ীটোলৈ চাই নয়না চকখাই উঠাৰ দৰে ক'লে-

"বাপৰে বহুত দেৰি হ'ল - যাও বলা, মায়ে নহলে চিন্তা কৰিব।" লগে লগে নয়নাৰ মুখত ভাহি উঠিল এক সুন্দৰ হাঁহি। কিন্তু তাত যেন কিবা এটা বিষাদ ভাহি উঠিছিল। ময়ো আহিম বুলি থিয় দিলো।

তেনেতে দেখিলো দূৰৰ সেই হাতীমূৰা পাহাৰখনৰ কাষেৰেই যেন আবেলিৰ সূৰ্য্যটো অস্ত যাবলৈ ওলাইছে। দিনটোৰ ক্লান্তিৰ মূৰতো যেন সূৰ্য্যটোৰ মুখত ভাহি আছে এক অনাবিল হাঁহি। নয়নাৰ মুখত ফুটিউঠা সেই হাঁহিটো আৰু সূৰ্য্যৰ সেই হাঁহিটোৰ মাজত দূৰত্ব হয়তো বহুত ক'ম।

•••••••••••••••••••••

"তুমি নিজৰ বাবে জন্ম লোৱা নাই। তুমি তোমাৰ জীৱনটোত কি পালা, কি হেৰুৱালা তাক তুমি বিচাৰি চাই কোনো লাভ নাই। তুমি মাথো তোমাৰ কাম কৰি যোৱা।"

—— চক্ৰেটিচ

# মই মানুহ, এইখন পৃথিৱীৰেই


মনিৰাম বড়ো

মই মানুহ
নীল আকাশৰ তলৰ সেউজীয়া পৃথিৱীৰ।
আকাশৰ বিশালতাক
মই ভাল পাওঁ,
গভীৰ ভাবে, অতিকে গভীৰ
সেইদৰে,
সুউচ্চ গিৰি আৰু নদী নিজৰা
পৃথিৱীৰ বুকুত যুগ যুগ ধৰি
ধ্বংসৰ মাজত সৃষ্টিৰ বাসনাৰে
মই এক পথৰ সন্ধানত, ক্ৰমশ
সৃষ্টিৰ আদিম পুৱাত
আদাম আৰু ইভৰ মাজেৰে মোৰ আত্মপ্ৰকাশ,
প্ৰেম -ভালপোৱা, হিংসা আৰু কপটতা
বোকোচাত লৈ
মোৰ যাত্ৰা অবিৰত
প্ৰেম কিম্বা হিংসা কপটতাৰে
মই বহু ইতিহাস ৰচিছোঁ
এইখন পৃথিৱীতেই· !
মই মানুহ এইখন পৃথিৱীৰেই
যাত্ৰা মোৰ দুৰন্ত,

# শ্ৰদ্ধাঞ্জলি

ডেইজী দাস

পৃথিৱীৰ কোনো একোণত তোমাৰ বুকুতেই
চলে বহুত নীৰৱ সাধনা,
তুমি ফুলোৱা প্ৰতিটো কলিয়েই ফুল হৈ ফুলি
বঢ়ায় তোমাৰ গৰিমা।
তুমিয়েই আধাৰ, সহস্ৰ প্ৰতিভা প্ৰস্ফুটিত হোৱাৰ
যেন অন্তহীন জ্ঞানৰ এক বিশাল সাগৰ,
তুমি ৰচা সুৰেৰেই ক'তজনে গাইছে
মহিমাময় জীৱনৰ গান,
তুমিয়েই দিছা আমাক গৌৰৱ-
নাৰী হোৱাৰ !
পাঁচোটা দশক পাৰ হৈ গ'ল
একেদৰেই জ্বলাই আহিছা জ্ঞানৰ এক সূৰ্য্য আছিলা
কাহানিও মাৰ নোযোৱা।
আমাৰ আশা-আৰু বহু দশক জুৰি
তুমি এইদৰেই থাকা, বিদ্যাৰ মন্দিৰ হৈ,
ফুলোৱা হেজাৰ ফুলৰ পাহি
জ্ঞানৰ কল্পদ্ৰুম হৈ।
আমি তেতিয়া থাকো বা নাথাকো
হে বিদ্যামন্দিৰ।
আমাৰ অৱৰ্তমানতো
তোমালৈ শ্ৰদ্ধা আৰু শত শত নমস্কাৰ ।



প্ৰবন্ধ

# নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়ৰ চমু আভাস



গুৱাহাটী মহানগৰৰ পূব প্ৰান্তত অৱস্থিত নাৰেঙ্গী অঞ্চল। নাৰেঙ্গীক কেন্দ্ৰ কৰি সাতগাওঁ, যোৰাবাট, পাঞ্জাবাৰী, হেঙেৰাবাৰী, ১ নং মঠঘৰীয়া, ২ নং মঠঘৰীয়া, কেন্দুগুৰি, বিৰকুছি, বোন্দা, চপাইদং, পানীখাইটি, গীতানগৰ, কুশল নগৰ ইত্যাদি অঞ্চল সমূহক সামৰি বৃহত্তৰ নাৰেঙ্গী নামে জনাজাত । এই বৃহত্তৰ অঞ্চলটো বিভিন্ন ভাষা-ভাষী, ধৰ্মালম্বী আৰু অন্যান্য পিছপৰা মানুহৰেই বাসস্থান ।

এই অঞ্চলৰ বাসিন্দা সকলে উচ্চশিক্ষা লবলৈ হলে গুৱাহাটী মহানগৰত যাবলগীয়া হয়, কাৰণ ইয়াত কোনো উচ্চ-শিক্ষাৰ অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়ি উঠা নাছিল । সেয়েহে এই দুখীয়া পিছপৰা শ্ৰেণীৰ লোকসকলৰ উচ্চশিক্ষাৰ সুবিধাৰ্থে, নাৰেঙ্গী উন্নয়ন কমিটিৰ সৌজন্যত যোৱা ১৯৯০ চনৰ ১৪ জুলাইত নাৰেঙ্গী হাইস্কুলত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। উক্ত সভাত নাৰেঙ্গী অঞ্চলৰ শিক্ষা সম্পৰ্কীয় অভাৱসমূহ পুংখানু-পুংখ ভাৱে আলোচনা কৰি উচ্চ-শিক্ষাৰ বাবে এখন মহাবিদ্যালয়ৰ প্ৰয়োজন অনুভৱ কৰা হয় । আৰু সকলো সদস্যৰ সৰ্বসন্মত সিদ্ধান্ত মৰ্মে উক্ত মহাবিদ্যালয় প্ৰস্তুতিৰ অৰ্থে এখন প্ৰস্তুতি সমিতি গঠন কৰা হয়। শ্ৰীযুত মথুৰা মোহন কলিতাক আহ্বায়ক হিচাপে লৈ ১৫ জনীয়া সদস্যৰে প্ৰস্তুতি কমিটি এখন গঠন কৰা হয় ।



প্ৰস্তুতি কমিটিৰ সদস্যবৃন্দৰ নাম ঃ- ১) শ্ৰীযুত মথুৰা মোহন কলিতা,আহ্বায়ক, (নাৰেঙ্গী), ২) শ্ৰীকুঞ্জমোহন লস্কৰ, বোন্দা, ৩) শ্ৰীঘনশ্যাম কুমাৰ, বিৰকুছি, ৪) শ্ৰীভবেন দাস, সাতগাওঁ, ৫) শ্ৰীকেশৱ কলিতা, পাথৰ কুঁৱৰী, ৬) শ্ৰীমনোহৰ দাস, কুশল নগৰ, ৭) শ্ৰীপ্ৰবীণ তামুলী,গীতানগৰ, ৮) শ্ৰীমথুৰা ডেকা, মঠঘৰীয়া, ৯) শ্ৰীযোগেন কলিতা, নাৰেঙ্গী, ১০) শ্ৰীকনক ঠাকুৰীয়া, কেন্দুগুৰী, ১১) শ্ৰীদীনেশ নাথ, প্ৰধান শিক্ষক, সাতগাঁও

হাইস্কুল, ১২) শ্ৰীমতী মুকুল প্ৰভা বৰা, প্ৰধান শিক্ষয়িত্ৰী, নাৰেঙ্গী, হাইস্কুল, ১৩)শ্ৰীবিপিন চন্দ্ৰ বৰা, উৰ্মিনগৰ, ১৪) শ্ৰীদীনেশ দাস, সাতগাওঁ আৰু ১৫) শ্ৰীৰাম সাগৰ সিং, নাৰেঙ্গী ।

এই সভাৰ সিদ্ধান্ত মৰ্মে প্ৰস্তুতি সমিতিক প্ৰধানত তিনিটা দায়িত্ব দিয়া হৈছিল আৰু সেই দায়িত্ব সমূহৰ ভিতৰত মহাবিদ্যালয়ৰ বাবে আৱশ্যকীয় মাটি, শিক্ষা বিভাগৰ লগত যোগাযোগ কৰি সকলো বিলাক তথ্যৰ এখন প্ৰতিবেদন ডেৰ মাহৰ ভিতৰত প্ৰস্তুত কৰি সাধাৰণ সভা পাতিবলৈ সমিতিয়ে নিৰ্দেশ দিয়ে । এই সভাত মহাবিদ্যালয়ৰ যাৱতীয় কাম-কাজ চলাবলৈ ১০ (দহ) টকাকৈ বৰঙণি আগবঢ়াবলৈ প্ৰস্তাৱ লোৱা হৈছিল ।

প্ৰস্তুতি সমিতয়ে মহাবিদ্যালয় স্থাপন কৰিবলৈ আৱশ্যকীয় তথ্যসমূহ সংগ্ৰহ কৰি শ্ৰীমথুৰা মোহন কলিতাৰ আহ্বান

মৰ্মে যোৱা ১২-৮-৯০ ইং তাৰিখে পুণৰ সাধাৰণ সভা অনুষ্ঠিত হয় । উক্ত সভাতে প্ৰস্তুতি কমিটিৰ প্ৰতিবেদন পাঠ কৰা হয় আৰু সৰ্বসন্মত সিদ্ধান্ত মৰ্মে গৃহীত কৰা হয় ।

এই সাধাৰণ সভাত মহাবিদ্যালয়খন পৰিচালনা কৰিবৰ বাবে শ্ৰীযুত ব্ৰজেন মেধিক সভাপতি, শ্ৰীযুত যোগেন কলিতাক সাধাৰণ সম্পাদক আৰু শ্ৰীযুত কনক ঠাকুৰীয়াক কোষাধ্যক্ষ হিচাপে লৈ ৩২ জনীয়া পৰিচালনা সমিতিখন গঠন কৰা হৈছিল ।

আমাৰ বিদ্যালয়খন শিক্ষা বৰ্ষ হিচাপে ১৯৯১ চনৰ পৰা আৰম্ভ হয় । প্ৰথম অৱস্থাত নাৰেঙ্গী প্ৰাথমিক বিদ্যালয়ক কাৰ্যালয় হিচাপে ব্যৱহাৰ কৰি নাৰেঙ্গী হাইস্কুলত পাঠদানৰ কাম আৰম্ভ কৰা হয় । এনেদৰে এবছৰ কাল পাঠদান কৰাৰ পিছত মহাবিদ্যালয়ৰ মাটিত এখন টিনৰ চালি বনোৱা হয় আৰু শ্ৰেণসমূহ স্থানান্তৰ কৰা হয় ।

দুৰ্ভাগ্য বশত ঃ উক্ত চালিখন আৰম্ভ কৰাৰ লগে লগে "জনতা চাবোন" কোম্পানীয়ে মহাবিদ্যালয়ৰ ওপৰত মাটি সংক্ৰান্তত এটা মকৰদমা ৰুজু কৰিলে । এই মকৰদমাৰ ফলত মহাবিদ্যালয়ৰ উন্নতি সাধন কৰাত বাধা হয় প্ৰায় দুবছৰ কাল । আমি প্ৰথম দুবছৰত বিশেষ উন্নতিমুলক কাম-কাজ কৰিব নোৱাৰিলো । প্ৰথম পৰিচালনা সমিতিখনৰ দুবছৰীয়া কাৰ্য্যকাল আছিল । দুই বছৰ তিনি মাহ দহ দিন কাৰ্য্য চলোৱাৰ পিছত শ্ৰীযুত যোগেন কলিতাই আহ্বান কৰা সাধাৰণ সভাত ৰাইজৰ সৰ্বসন্মত সিদ্ধান্ত মৰ্মে ডঃ হেমপ্ৰভা শইকীয়া বাইদেউক সভানেত্ৰী, শ্ৰীমথুৰা মোহন কলিতাক সাধাৰণ সম্পাদক আৰু কনক চন্দ্ৰ ঠাকুৰীয়াক কোষাধ্যক্ষ হিচাপে লৈ ২৯ জনীয়া কমিটি এখন গঠন কৰা হয়। উক্ত কমিটিৰ সবল নেতৃত্বত প্ৰথমতে মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক পৰিষদৰ অনুমতি লাভ কৰা হয় । দ্বিতীয়তে স্নাতক কলা বৰ্যৰ শ্ৰেণী আৰম্ভ হয় । আৱশ্যকীয় শ্ৰেণীকোঠা, শিক্ষক জিৰণী কোঠা, কাৰ্য্যালয় কোঠা, লাইব্ৰেৰীৰ বাবে আলমাৰী, কিতাপ, ডেস্ক, বেঞ্চ, চেয়াৰটেবুল, মাননীয় মুখ্যমন্ত্ৰীৰ পৰা দুই লাখ টকাৰ অনুদান, জনতা চাবোন কোম্পানীৰ মকৰদমা মীমাংসা



আৰু এক লাখ টকা অনুদান, মহাবিদ্যালয়ৰ বাবে ৭ বিঘা আঢ়ৈ কঠা মাটি আবন্টন, পুনৰ ১০ বিঘা মাটিৰ যোগাযোগ ইত্যাদি সকলো বিলাক কামৰ বাবে আমি ডঃ হেমপ্ৰভা শইকীয়া বাইদেউৰ অনুপ্ৰেৰণা লাভ কৰিবলৈ সমৰ্থ হৈছো। আমাৰ এই কমিটিখনৰ দুবছৰীয়া কাৰ্যকাল শেষ হোৱাৰ লগে লগে যোৱা ৮-১-৯৫ ইং চনত পুনৰ সাধাৰণ সভা পাতি ৰাইজৰ আগত মহাবিদ্যালয়ৰ সমূহ কাম-কাজৰ হিচাপ-নিকাচৰ প্ৰতিবেদন পাঠ কৰা হয়,আৰু গৃহীত কৰা হয়। ৰাইজৰ সৰ্বসন্মত সিদ্ধান্ত মৰ্মে পুনৰ ডঃ হেমপ্ৰভা শইকীয়া বাইদেউক সভানেত্ৰী, শ্ৰীমথুৰা মোহন কলিতাক সাধাৰণ সম্পাদক আৰু শ্ৰীকনক চন্দ্ৰ ঠাকুৰীয়াক কোষাধ্যক্ষ হিচাপে,৩৫ জনীয়া কমিটিখন গঠন কৰা হয়।

১৯৯৫ চনৰ ৮ জানুৱাৰীত সাধাৰণ সভাই নিৰ্বাচন কৰি দিয়া সমিতিখন তলত উল্লেখ কৰা হল--

**১) সভানেত্ৰী ঃ** ডঃ হেমপ্ৰভা শইকীয়া ।

**২) উপসভাপতি ঃ** শ্ৰীযুত ফণি ভূঞা ।

**৩) কাৰ্য্যকৰী সভাপতি ঃ** শ্ৰীযুত চন্দ্ৰশেখৰ কাকতি।

**৪) উপসভাপতি ঃ** শ্ৰীযুত কমলা কলিতা।


**৫) সাধাৰণ সম্পাদক ঃ** শ্ৰীযুত মথুৰা মোহন কলিতা।

**৬) সহঃ সাধাৰণ সম্পাদক (যুটীয়া) ঃ** (ক) শ্ৰীযুত সমেন্দ্ৰ নাথ ডেকা। (খ) শ্ৰীভৱেন দাস।

৭) কোষাধ্যক্ষ ঃ শ্ৰীযুত কনক চন্দ্ৰ ঠাকুৰীয়া।

সদস্যবৃন্দ ঃ সৰ্বশ্ৰী মিনু বুঢ়াগোহাঁই, অচ্যুত ডেকা, টিকেন্দ্ৰ বৰা, কমলেশ্বৰ ফুকন, কানাই লাল গুপ্তা, অনু শইকীয়া, দ্বিজেন ডেকা, সৰোজ কাকতি, অৰবিন্দ শৰ্মা, নৌচাদ আলী, কমলেশ্বৰ বৰ্মন, মনোহৰ দাস, হীৰা দে, শশীন মজুমদাৰ, মধুসুধন সিনহা, ডাঃ ভানু শইকীয়া, ডাঃ শৈলেন বুঢ়াগোহাঁই, সুনিল মৰ্ডা, বিপ্লৱ চেতিয়া, নৰেশ্বৰ দাস,গঙ্গাধৰ বৰুৱা, ৰামসাগৰ সিং, উত্তম দাস, গোলাপ শইকীয়া, প্ৰদীপ আবং, কামিনি কুমাৰ শৰ্মা, অশোক ৰায়চৌধুৰী।

পদেন সদস্য ঃ অধ্যক্ষ। উপদেষ্টামণ্ডলী ঃ পবীন্দ্ৰ ডেকা, নৰেন শৰ্মা, হেমেন তালুকদাৰ,মোহন ভান্দাৰি আৰু দেবেশ্বৰ ভট্টাচাৰ্য অন্যতম। শেহতীয়াভাৱে মহাবিদ্যালয়ৰ অৱস্থা এনেধৰণৰ— শিক্ষক-শিক্ষয়িত্ৰী ৩১ গৰাকী নীৰা দাস, *ভাৰপ্ৰাপ্ত অধ্যক্ষ্যা*। শিক্ষক-শিক্ষয়িত্ৰী সকল গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৰ্হতা সম্পন্ন, কাৰ্য্যালয় সহায়ক ৮ জন, আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰায় ৬৮৯ জন।



ইয়াৰ ড ̒ পৰিও মহাবিদ্যালয়খনে স্নাতক প্ৰথম আৰু দ্বিতীয় খণ্ডৰ বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্তি Affilation লাভ কৰিছে। আৰু অসম চৰকাৰৰ পৰা স্নাতক প্ৰথম বৰ্ষৰ Concerance লাভ কৰিছে। আৰু দ্বিতীয় খণ্ডৰ Concerance ৰ কামৰ পৰিদৰ্শনৰ কামও সমাপ্ত হৈছে। ই অতি কম সময়ৰ ভিতৰতে Deficet ঘাটি মঞ্জুৰী পাবলৈ সমৰ্থ হব।

ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ ফলাফল উন্নত মানৰ প্ৰথম স্থান আৰু লেটাৰ নম্বৰ লাভ।

আৰ্থিক অনুদানৰ ক্ষেত্ৰত নাৰেঙ্গী বণিক সন্থাৰ পৰা মাহিলি তিনি হেজাৰ টকা অনুদান উল্লেখযোগ্য। মাননীয় গোপীকৃষ্ণ মৰ্ডাই ৫৪´ x ৩০´ বৰ্গ ফুটৰ পেক্ষাগৃহটো আমাৰ মহাবিদ্যালয়ৰ বাবে উল্লেখনীয় অনুদান। সদস্যবৃন্দৰ পৰা মাহিলী আৰু এককালীন ভাৱে দিয়া বৰঙনি, মাটি পূৰ্তিৰ বাবে সভানেত্ৰী বাইদেউৰে দিয়া ৩০,০০০.০০ টকাৰ বৰঙনি আৰু মহাবিদ্যালয়ৰ আলোচনী খনৰ বাবে অসম চৰকাৰে দিয়া ২০,০০০.০০ টকাৰ বৰঙণি উল্লেখযোগ্য অনুদান।

সেয়েহে মই সাধাৰণ সম্পাদক হিচাপে নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয় পৰিচালনা সমিতিৰ হৈ মহাবিদ্যালয়খন গঢ়ি তোলাৰ ক্ষেত্ৰত প্ৰত্যক্ষ বা পৰোক্ষভাৱে সহযোগ কৰা নাৰেঙ্গীবাসী ৰাইজলৈ আন্তৰিক ধন্যবাদ জনাইছোঁ, লগতে এই আলোচনীখন প্ৰস্তুত কৰি উলিওৱা কৰ্মীবৃন্দক আন্তৰিক শুভেচ্ছা জনাই মই মোৰ এই মহাবিদ্যালয়ৰ চমু আভাস ইয়াতে সামৰিলো।

নমস্কাৰ।

ইতি—

**শ্ৰীমথুৰা মোহন কলিতা**

সাধাৰণ সম্পাদক

নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়

(পৰিচালনা সমিতি)

গুৱাহাটী— ২৬

১৯৯৯ ইং চন।

স্মৃতিৰ পাপৰি

# গাৰোৱাল হিমালয়ৰ শুকুলা ডাৱৰৰ মাজৰ কেডাৰ ড'ম শিখৰ অভিযান '৯৮

ববিতা গোস্বামী।

দূৰৈৰ শুকুলা পৰ্বতৰ সুউচ্চ শিখৰৰ হেঙুলীয়া আভাৰ আকৰ্ষণে মানুহক, বিশেষকৈ পৰ্বতাৰোহী সকলক যুগে যুগে আহ্বান কৰে। সেই শোভা চাক্ষুস দৃষ্টিৰে অনুভৱ কৰিবলৈ গৈ অসমতো আজি বহুজন সফল পৰ্বতৰোহীৰ জন্ম হৈছে।



উত্তৰ পূৰ্ব্বাঞ্চলৰ ভিতৰত অসমত পোনতে পৰ্বতাৰোহনৰ জন্ম দিছিল স্বৰ্গীয় ৰোহিনী ভূএঞাই। তেখেতে প্ৰথমে গুৱাহাটীত "অসম পৰ্বতাৰোহন সন্থা" প্ৰতিষ্ঠা কৰে।

সেই সময়ৰ উল্লেখযোগ্য পৰ্বতৰোহীসকল হ'ল পাৰ্বতী প্ৰসাদ, গৌতম, অতনু বৰুৱা, প্ৰনৱ দাস, নেচিম আখতাৰ আদি। এইসকল পৰ্বতৰোহীয়ে হিমালয়ৰ প্ৰান্তে প্ৰান্তে ঘূৰি বিভিন্ন শৃংগ জয় কৰি দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে।

ভাৰতৰ স্বাধীনতাৰ পঞ্চাশ বছৰ আৰু অসম পৰ্বতৰোহন সন্থাৰ ত্ৰিশ বছৰ পূৰ্ণ হোৱাৰ সতে সংগতি ৰাখি সন্থাৰ সাত জনীয়া এটি দলে গাড়োৱাল হিমালয়ৰ "কেডাৰ ডোম শৃঙ্গ" (৬,৮৩০ মিটাৰ, ২২,৪১০ ফুট) অভিযানৰ আঁচনি হাতত লয়।

স্মৰ্তব্য যে ১৯৭৯ চনত দেশৰ আগশাৰীৰ পৰ্বতৰোহী তথা অসম পৰ্বতাৰোহন সন্থাৰ জন্মদাতা ৰোহিনী কুমাৰ ভূএঞাই এইটো শৃঙ্গ আৰোহন কৰি ঘূৰি অহাৰ পথত তুষাৰবৃত পৰ্বত শৃঙ্গত চিৰদিনৰ বাবে আমাৰ মাজৰ পৰা হেৰাই গৈছিল। সেয়ে এই শৃঙ্গটো পুনৰবাৰ অভিযান চলোৱাটো প্ৰত্যাহ্বান স্বৰূপ আছিল, আমাৰ বাবে। যিহেতু উক্ত দুৰ্ঘটনাৰ পিছত উত্তৰ পূৰ্বাঞ্চলৰ পৰা সেইটো শিখৰলৈ অভিযান চলোৱা হোৱা নাছিল।

অসম পৰ্বতাৰোহন সন্থাৰ অভিযানকাৰী দলটোৰ নেতৃত্ব দিয়ে মুনীন্দ্ৰ শৰণীয়াই। অন্যান্য সদস্য সকল আছিল ৰতন বসুমতাৰী, নীলু তালুকদাৰ, বিপ্লৱ চহৰীয়া, অমৰ ডেকা, কিশোৰ কলিতা, আৰু একমাত্ৰ কনিষ্ঠ মহিলা সদস্য হিচাপে মই নিৰ্বাচিত হৈছিলো।

ইয়াৰ আগতেও মই হিমালয়ান মাউন্টটে নিয়াৰিং ইনচটিটিউটৰ অধীনত ট্ৰেইনিং পিৰিয়দৰ ভিতৰত "বি, চি ৰয়" (বিধান চন্দ্ৰ ৰয়) আৰু "চৌগল" শিখৰ সফলতাৰে আৰোহন কৰাৰ উপৰিও কেইবাটাও ট্ৰেকিং সমাপ্ত কৰিছোঁ।

১০/৮/৯৮ তাৰিখে আমাৰ দলটোৱে দিল্লীলৈ ৰেলেৰে আৰু তাৰ পিছত বাছেৰে উত্তৰ কাশীলৈ ৰাওনা হও। উত্তৰ কাশীত থকা নেহেৰু মাউন্টটেইনিয়াৰিং ইনচটিটিউটৰ পৰা আৰোহনৰ বাবে যাৱতীয় সজুলি তথা গাইড, কুক, পোৰ্টাৰ আদি লৈ আটায়ে পোন্ধৰ আগষ্ট তাৰিখে গঙ্গোত্ৰীলৈ যাত্ৰা কৰিলো। সেই সময়তে উত্তৰকাশীৰ পৰা কিছু দূৰত ভূমিস্খলন হোৱাৰ বাবে জনজীৱনৰ চলাচল ব্যাহত হৈছিল আৰু বহুতো লোকৰ মৃত্যু হৈছিল।

১৬ আগষ্টত আমাৰ অভিযানৰ টেকিং আৰম্ভ

হৈছিল গংগোত্ৰীৰ পৰা ভোচভাচলৈ। প্ৰথম দিনাৰ ট্ৰেক খুব ভাল লাগিছিল। ভাগীৰথী নদীৰ পাৰে পাৰে ওখ চাপৰ ৰাষ্টাটোৰে আমি ১৭ কিলোমিটাৰ অতিক্ৰম কৰি ৰাতিপুৱা ৬-৩০ ৰ পৰা ১২ বজাত গন্তব্যস্থান পাইছিলো। দুপৰীয়া পাতল আহাৰ খাই আমি বাহিৰত আহি অলপ ফুৰিছিলো। গংগোত্ৰী আছিল বিশ্বনাথ মন্দিৰ, ভৈৰবী কুণ্ড য'ত পাৰ্বতীয়ে গা ধোৱা এটা ডাঙৰ জলপ্ৰপাত আছিল আৰু গংগোত্ৰীৰ কেইবাহাজাৰ ফুট ওঁপৰত আছিল গংগোত্ৰীৰ প্ৰথম, দ্বিতীয়, তৃতীয় শিখৰ।

আমি ভোচভাতত দুপৰীয়া ফুৰি ওঁচৰৰ সৰু সৰু দোকান আৰু গাইডৰ পৰা গম পাইছিলো সেই ঠাইখনৰ তাৎপৰ্য্য। আগতে সেই ঠাইখনত অসংখ্য ভূজপত্ৰৰ গছ পোৱা গৈছিল য'ত বাল্মিকী আদিয়ে ৰামায়ণ, মহাভাৰত লিখিছিল। কিন্তু বৰ্তমান খুব কম সংখ্যক গছহে পোৱা যায়। সেই কাৰণে সেই ঠাইখনৰ নাম ভোচভাচ।

পিছদিনাখন আমি গোমুখ হৈ তপোবনলৈ আহিছিলো। আমি গোমুখত বৈ পূজা কৰিছিলো। আৰু অলপ পিছত আমি তপোবনলৈ বুলি আগবাঢ়িছিলো। আমি আকাশৰ ফালে যেনেকৈ চাও থিক তেনেকৈ ওপৰফালে ছাইছিলো যেতিয়া গাইডে কৈছিল "সৌ টিলাটোৰ পিছতে সমান ঠাই আছে আৰু সেয়াই তপোবন"। ৰাষ্টাটো বৰ ঠেক আছিল, যিমান ঠিয় সিমানে কেকুৰী বেছি। মই গাইডৰ পিছতে আছিলো। তেওঁৰ খোজকঢ়া টেকনিক চাই ময়ো পকেটত থকা টেঙা মৰ্টন চুপি চুপি দুই ঘন্টামান পিছত সেই সমান ঠাইডোখৰ অৰ্থাৎ তপোবন পাইছিলো। সেই অচিনাকী ঠাইডোখৰত এটা সন্যাসী আৰু এগৰাগী সন্যাসিনী লগ পাইছিলো। দুয়ো একেলগে সেই ঠাইত থাকি তপস্যা কৰে। সন্যাসীজনৰ গাত অকল গৰম চাদৰ এখন দেখিছিলো, তেওঁ কেতিয়াও তাৰ বাহিৰে আন কাপোৰ এতিয়ালৈকে লগোৱা নাই। দুয়োজনে মোক খুব মৰম কৰিছিল আৰু ঘাঁহৰ "ওঁ" লেখা, নিজে নিজে সৃষ্ট, থকা বুলি কৈছিল আৰু চাই আমি আটায়ে আচৰিত হৈছিলো। কাৰণ আগতে দেখা নাছিলো। দুয়োজনে আমাক আশীৰ্বাদ দিছিল আমাৰ অভিযান সফল হবৰ বাবে। পিছদিনা আমি ৰাতি পুৱাই উঠি সাজু হ'বলৈ ধৰিছিলো তাৰ পিছৰ শিবিৰ অৰ্থাৎ বেচ কেম্পৰ বাবে। ৰাতিপুৱাই সূৰ্য্যৰ কিৰণেৰে উজলাই তুলি স্বৰ্গীয় ৰূপ ধাৰণ কৰাৰ নিচিনাই লাগিছিল। হালধীয়া শিলৰ ওপৰত টান বৰফেৰে আবৃত্ত শিৱলিংগৰ আন এটা ফাল শিলৰ। সন্যাসী জনে কৈছিল যে তেওঁ হেনো ধ্যান কৰি শিৱলিংগৰ এটা ফাল বাবা গনেশৰ মুখ আৰু আন এটা ফাল শেষ নাগ দেখা পাইছে।

শিখৰটোয়ে আধা কুৱঁলীৰে আৱৰি আছিল । কোনেও এই অপৰূপ সৌন্দৰ্য্য লগত নিয়া কেমেৰাত নধৰাকৈ নাছিলো। আমি খাৰা পাথৰ হৈ কীৰ্তি গ্লেচিয়াৰ পাৰ হৈ বেচ কেম্প স্থাপন কৰিছিলো ১৫,৮০০ ফুট উচ্চতাত। তাৰ পৰা আমাৰ পাঁচজন বেছি উচ্চতাৰ পোৰ্টাৰ থাকি বাকী কেইজনে আমাক আৰ্শীবাদ দি গুছি আহিছিল।

বেচ কেম্পৰ মুখে মুখে বহু দূৰত আছিল আমাৰ গন্তব্য স্থান সেই শিখৰটো। ৰাতিপুৱাই উঠিয়েই আমাৰ ডেপুটি লিদাৰে পূজা কৰে দিনটোৰ বতৰ ভালে থাকিবলৈ। কেম্পৰ বাওঁফালে আছিল ভগিৰথী প্ৰথম, দ্বিতীয় আৰু তৃতীয় শিখৰ। সোঁ ফালে আছিল কীৰ্তি স্তম্ভ, ভাৰতী কুণ্ডা। আৰু আমাৰ পিছফালে ওখ শিলৰ ওৱালখনৰ পিছফালে আছিল মেৰু, থেলাই লাগৰ, ভৃগুবন।

আমাৰ বস্তুবোৰ কঢ়িওৱা বেছি ভাগ পোৰ্টাৰ গুছি যোৱাত তাৰ ওপৰৰ শিবিৰলৈ আমি বাকী থকা পোৰ্টাৰ কেইটাৰ সতে কঢ়িয়াইছিলো। এনেকৈ চাৰিদিনৰ দিনা আমি বেছি উচ্চতাৰ প্ৰথম শিবিৰটো স্থাপন কৰিছিলো। প্ৰথমটোৰ পৰা দ্বিতীয় শিবিৰটোলৈ আমি দুদিন খোৱাবস্তু গোটাই লৈ তৃতীয় দিনা আমাৰ দলটো দুটা ভাগত ভাগ কৰা হৈছিল। যিহেতু শিখৰটো কঠিন বুলি জ্ঞাত গতিকে কোনো অসুবিধা নোহোৱাকৈ যাতে আটায়ে শিখৰ আৰোহন কৰিব পাৰো আৰু এটা দলে যাতে আনটো দলক সহায় কৰিব পাৰো তাৰ বাবে লিডাৰ, কোৱাট'ৰ মাষ্টাৰ আৰু মই দ্বিতীয় দলটোত আছিলো। প্ৰথম দলটো আমাতকৈ এদিন আগবাঢ়ি আছিল। প্ৰথম দলে শিবিৰলৈ যাওতে গাইড আৰু এটা পোৰ্টাৰ লগত আছিল।

পিছদিনা আমি দ্বিতীয় শিবিৰলৈ গৈছিলো আৰু প্ৰথম দলে তৃতীয় শিবিৰলৈ গৈছিল আৰু ৰাতিয়ে শিখৰ আৰোহনৰ বাবে যোৱা কথা, কিন্তু মাজ ৰাতিৰ পৰা বহু বৰফপৰা বাবে যাব পৰা নগ'ল। আমি দ্বিতীয় শিবিৰৰ পৰা চাই আছিলো যিহেতু শিখৰলৈ যোৱা গোটেই ৰাস্তাটো দেখা পায় কিন্তু প্ৰথম দলে যোৱা নাছিল আৰু আমিও তৃতীয় শিবিৰলৈ যাব পৰা নাছিলো কাৰণ তাত খোৱা বস্তু আৰু ঠাই কম আছিল, যিখিনি আছিল তাৰ কাষত গৰা আছিল য'ৰ পৰা এটা বস্তু পৰিলেও উঠোৱা সম্ভৱ নহয়। প্ৰথম দলে ২৭ আগষ্ট তাৰিখে ৰাতি দুটা বজাত বতৰ ভালৰ ফাললৈ অহাত শিখৰলৈ বুলি যাত্ৰা কৰিছিল। সম্পূৰ্ণ দুদিন বেয়া বতৰৰ বাবে আমিও দ্বিতীয় শিবিৰত আবদ্ধ হৈ আছিলো আৰু এই সময়ছোৱাত আমি প্ৰত্যেকৰে মনত দোলা দি গৈছিল আমাৰ সন্থাৰ মাজৰে এজন "ৰোহনী ভূঞাৰ" কথা। এনে লাগিছিল যেন এই হিমগিৰিত তেওঁ স্থায়ীভাৱে বাস কৰি আছে।

হিমালয়ৰ উচ্চতাত পালন কৰিব লগা প্ৰায়বোৰ নিয়মেই পালন কৰি, বিশেষ কৈ পাহাৰৰ জলবায়ুৰ লগত নিজকে খাপ খুৱাব পাৰিলেহে কোনো অসুখ নহয়। সেয়াও আমি পালন কৰিছিলো।

বতৰ ভাল হোৱাত প্ৰথম দল শিখৰলৈ গৈ থকা দেখি আমি তৃতীয় শিবিৰলৈ আহিছিলো আৰু প্ৰথম দল্ল গৈ থকা চাই আছিলো বাইনোকুলাৰেৰে। আমি চিন্তা কৰি আছিলো, প্ৰথম দলে বহু অসুবিধাৰ সন্মুখীন হৈছিল কাৰণ আগদিনাৰ শুকান বৰফবোৰ উৰুলৈকে সোমাই গৈ মাজে মাজে অভিযানকাৰী সদস্যবোৰক আমনি কৰিছিল। বহু উৎকণ্ঠাৰ মূৰত অভিযানকাৰী দলটোৱে বহু বাধা অতিক্ৰম কৰি আবেলি ৪-১৫ বজাত অসমীয়াৰ ফুলাম গামোচা তথা জাতীয় পতাকা আৰু সন্থাৰ বেনাৰ উৰাবলৈ সক্ষম হৈছিল। তেওঁলোকে তাত পূজা কৰি শিখৰৰ চাৰিওফালৰ ফটো লৈ ৰাতি ৯ বজাত তৃতীয় শিবিৰত উপস্থিত হৈছিল। আমি প্ৰথম দলক গৰম পানী, খোৱাবস্তু আদিৰে শুশ্ৰূশা কৰি দ্বিতীয় দলে নিজে সাজু হ'বলৈ টেন্টলৈ আহিছিলো। আমি লিডাৰ, মই, গাইড আৰু কুক অমৰ ডেকাই দলৰ বাবেই মনৰ ইচ্ছা পূৰণ নকৰিলে। কাৰণ প্ৰথম দলটো পিছদিনাই প্ৰথম শিবিৰলৈ গুছি যাব সেয়ে তেওঁ শিখৰলৈ নগল।

আমি দ্বিতীয় দলে ৰাতি তিনি বজাত শিখৰলৈ বুলি ৰাওনা হৈছিলো। লগত পাতল আহাৰ নিছিলো ৰাস্তাত খাবলৈ। শিখৰলৈ অহা এই সময়খিনি প্ৰত্যেকজন পৰ্বতৰোহীৰ বাবে চিৰস্মৰণীয় কাৰণ কোনেও নাজানে সেই ব্যাক্তিজন ঘূৰি আহিব নে নাই বা দ্বিতীয় বাৰ দেখা হব নে নাই। আমি চাৰে এঘাৰ ঘন্টা পদযাত্ৰা কৰি ২-৩০ বজাত লিডাৰ আৰু মই শিখৰ আৰোহন কৰিবলৈ সক্ষম হৈছিলো। মোৰ এনে লাগিছিল যেন আমি আলহি খাব আহিছো। আৰু আমাৰ আত্মীয়ই আমাক আঁদৰিব কিন্তু সেয়া আমাৰ অনুভবহে। মোৰ বাবে এই অভিযানটো বৰ গুৰুত্বপূৰ্ণ কিয়নো মই ট্ৰেইনিং যোৱাবছৰ শেষ কৰিছো আৰু এই বছৰেই মই শিখৰ অভিযানৰ বাবে নিৰ্বাচিত হৈছো। ২-৩০ ত শিখৰ আৰোহন কৰি ৰাতি ৮-৩০ বজাত আমি আহি তৃতীয় শিবিৰ পাইছিলো য'ত অমৰ দাদাই আমাক সগৌৰৱে আঁদৰিবলৈ আহিছিল।

দ্বিতীয় দিনা আমি দুটা শিবিৰ অতিক্ৰম কৰি প্ৰথম শিবিৰলৈ আহিছিলো। য'ত আমাৰ আৰু তিনিজন সদস্যই আমাক আঁদৰিবলৈ ৰৈ আছিল আমালৈ বুলি। মুঠ আমি ছয় জন সদস্যই শিখৰ আৰোহন কৰিবলৈ সক্ষম হৈছিলো। আৰু একে ৰাস্তাৰে উভতি আহি ১৫ চেপ্তেম্বৰ তাৰিখে আমি আহি গুৱাহাটী ষ্টেচন পাইছিলো য'ত আমাৰ আন বহুতো সদস্যই আমালৈ ফুলৰ থোপা লৈ ৰৈ আছিল আঁদৰিবৰ বাবে।

পিছত আমি গম পাইছিলো যে উত্তৰ পূৰ্বাঞ্চলৰ ময়েই একমাত্ৰ কনিষ্ঠ সদস্য যিয়ে বেছি উচ্চতাৰ শিখৰলৈ গৈ সফলতাৰে শিখৰ আৰোহন কৰিছোঁ। মোৰ মনত "কেডাৰ দম" চূড়াৰ স্মৃতি সদায় অবিস্মৰণীয় হৈ ৰব।

# বৰ্ত্তমান আমাৰ দেশত কন্যা সন্তানৰ সমস্যা ঃ

প্ৰবন্ধ

শ্ৰী ৰুবী কলিতা ।

আজিৰ পৃথিৱীতো নাৰী নিৰ্য্যাতিতা হৈ থকা বাবে ৰাষ্ট্ৰসংঘই ১৯৭৫ চনটো নাৰীবৰ্ষ হিচাপে পালন কৰি ছিল। ভাৰততো তাৰ প্ৰভাৱ পৰিছিল। সেই বছৰতে ভাৰতত নাৰীক পুৰুষৰ সমমৰ্য্যাদা দিবৰ বাবে ভাৰতীয় আইন সংশোধন কৰি নাৰী বনুৱাকো পুৰুষ বনুৱাৰ সমানেই বানচ দিবলৈ আইন প্ৰনয়ন কৰে। ১৯৯০ চনত ইছলামাবাদত অনুষ্ঠিত ছাৰ্ক শীৰ্ষ সন্মিলনৰ সিদ্ধান্ত ক্ৰমে দক্ষিণ এছিয়াৰ দেশবোৰৰ বাবে ১৯৯০ চনটো শিশুকন্যা বৰ্ষৰূপে ঘোষণা কৰা হৈছিল। এই শিশুকন্যা পাৰিজাত বোৰক সকলোফালে উন্নতিৰ উদ্দেশ্যে আগত ৰাখি পালন কৰা হয়। এই শিশুবৰ্ষই শিশুকন্যাৰ অৱস্থাৰ কিবা পৰিবৰ্ত্তন ঘটাব পাৰিলেনে নাই তাক সময়ে কব।

ভগৱানৰ সৃষ্টিত মানুহ শ্ৰেষ্ঠ জীৱ। যদিও পৃথিৱীত মানুহৰ বেলেগ বেলেগ জাতি, ধৰ্ম, ভাষা, কলা-কৃষ্টি আছে তথাপি মানুহক মূলতে দুটা শ্ৰেণীত ভগাব পাৰি। অকল মানুহবে নহয় জীৱৰো দুটা ভাগেই দেখা যায়। এটা হ'ল পুৰুষ বা মটা আৰু আনটো হ'ল মহিলা বা প্ৰকৃতি।

পুৰণি সংস্কৃত সাহিত্যত পোৱা যায় যে কালিদাসে যেতিয়া ৰজাৰ জীয়েক বিদ্যাৱতীৰ লগত শাস্ত্ৰত তৰ্ক অৱতীৰ্ণ হয়, তেতিয়া ৰজাৰ জীয়েকে এটা আঙুলি দেখুৱাই বুজাইছিল যে পৃথিৱী এক, ভগৱান এক, সূৰ্য্য এক, চন্দ্ৰ এক ইত্যাদি। কিন্তু কালিদাসে দুটা আঙুলি দেখুৱাই বুজাইছিল যে, এক হৈ একো কৰিব নোৱাৰে, সৃষ্টি হ'বলৈ পুৰুষ আৰু প্ৰকৃতি দুয়োৰো প্ৰয়োজন বা আৱশ্যক হয়। তেতিয়াৰ পৰাই আমাৰ ভাৰতবৰ্ষত নাৰীসকলৰ স্থান উচ্চ আছিল। এই ক্ষেত্ৰত হিন্দুসকলৰ পূজ্য দেৱী লক্ষ্মী, সৰস্বতী, দুৰ্গা, কালী আদিৰ নাম উল্লেখযোগ্য।

যুগ পৰিবৰ্তনশীল। পুৰণি কালৰ পৰা বৰ্তমান যুগলৈ বহুতো প্ৰগতি -গতি উন্নতি - অৱনতিৰ অন্তত আজিৰ যি সমাজ পাইছোহি এই সমাজত কন্যা সন্তান জন্ম লৈ যি সুবিধা- অসুবিধাৰ সন্মুখীন হৈছো তাৰে এটি আভাস আমাৰ সাধাৰণ জ্ঞানেৰে ডাঙি ধৰিব খুজিছো।

বৰ্তমান আধুনিক বৈজ্ঞানিক যুগত কন্যা সন্তান জন্ম দিবলৈ সমাজে ইচ্ছা নকৰি কলিতে শেষ কৰি দিব বিছাৰিছে। যিখন ভাৰতীয় সমাজত একালত কন্যা সন্তানৰ সমান দান নাই বুলি গৌৰৱ কৰিছিল সেই সমাজে আজি কন্যাদান কৰিবলৈ ভয় কৰে, যিহেতু আজি ভাৰতীয় সমাজত যৌতুকৰ পয়োভৰ। ভাৰতীয় আইনত এই প্ৰথা অন্যায় বুলি স্বীকাৰ কৰিছে যদিও যৌতুকক লৈ বহুত ঘটনা-দুৰ্ঘটনা আদি আজিও ঘটিব লাগিছে। কোনোবা শাহুৱে কোনো বোৱাৰীকেক বা কোনো স্বামীয়ে ভাল যৌতুক আনিব নোৱাৰা কাৰণে গাত কেৰাচিন তেল দালি জ্বলাই দিছে। কোনোবাই যদি একাধিক কন্যা সন্তান জন্ম দিছে, সেই পৰিয়ালত অকল কন্যা সন্তান কেইটিয়ে নহয়, মাকো অৱহেলাৰ পাত্ৰী হৈছে।

বৰ্তমান অসমীয়া সমাজত যদিও ভাৰতীয় যৌতুক প্ৰথাই হেঁচা মাৰি ধৰা নাই তথাপি কন্যা সন্তান পুত্ৰ সন্তানতকৈ অৱহেলিত হৈছে। এটি পুত্ৰ সন্তান জন্ম হলে পৰিয়ালে মাছ-মিঠাই আদি দান কৰি ভৱিষ্যতলৈ পিণ্ডু আদি পোৱাৰ আশাত পৰিয়ালটো আনন্দ মুখৰিত হৈ পৰে। কিন্তু কন্যা সন্তানৰ জন্মত তেনে কৰা সাধাৰণতে দেখা নাযায়।

আমাৰ পুৰণি অসমীয়া সমাজত নাৰী জাতিয়ে ঘৰৰ বাহিৰলৈ ওৰণী নোলোৱাকৈ ওলাব নোৱাৰিছিল। মহিলা বা কন্যা সকলক সাধাৰণতে ৰন্ধা-বঢ়া, ৰোৱা-তোলা আদি কামতে ব্যস্ত ৰাখিছিল। গতিকে কন্যা সন্তানে মাক, বায়েক, বা কোনো জ্যেষ্ঠা মহিলাৰ লগত এইবোৰ কাম শিকাতে ব্যস্ত আছিল। কিন্তু ভাৰতীয় স্বাধীনতা আন্দোলনৰ কালছোৱাত নাৰী আন্দোলনৰো

অগ্ৰগতি লাভ হয়। এই ক্ষেত্ৰত আমাৰ অসমত কন্যা সন্তানৰ উন্নতিৰ বাবে স্বৰ্গীয় চন্দ্ৰ প্ৰভা শইকীয়ানী, শ্ৰীযুতা অমল প্ৰভা দাস, স্বৰ্গীয় নলিনী বালা দেৱীৰ চেষ্টাৰ কথা স্বীকাৰ কৰিব লাগিব।

ভাৰত স্বাধীন হোৱাৰ পাছত হিন্দু আইনখন সংশোধন কৰি নাৰীক যথেষ্ঠ মৰ্য্যাদা দিয়া হ'ল। আগতে কন্যা সন্তানে পৈতৃক সম্পত্তিৰ, পুত্ৰ সন্তানৰ দৰে অংশীদাৰ হ'ব নোৱাৰিছিল। কিন্তু হিন্দু আইনে এই সুবিধা কৰি দিলে।

বৰ্তমান সমাজৰ দৃষ্টিভংগী সলনি হৈছে। আজি কন্যা সন্তানে পুত্ৰ সন্তানৰদৰেই আদৰ যত্ন পাইছে। এতিয়া দেখা যায় কন্যা সন্তানকো লালন- পালন কৰি উপযুক্ত শিক্ষা দি নিৰ্ভৰশীল হ'বলৈ মাক-দেউতাকে যথেষ্ঠ যত্ন কৰে। ফলত দেখা গৈছে কন্যা সন্তানেও পঢ়া-শুনাত পুত্ৰ সন্তানৰ লগত সমানেই প্ৰতিযোগিতা কৰি বহু ক্ষেত্ৰত পুত্ৰ সন্তানতকৈ অগ্ৰগতি লাভ কৰে।

অৱশেষত ক'বলৈ গলে মানুহ হিচাবে প্ৰতিষ্ঠা লাভ কৰাত উভয়ৰ সমান অধিকাৰ আছে। গতিকে অনাদৰ অৱহেলাৰ বিপৰীতে শিশুপুত্ৰৰ দৰেই শিশু কন্যাটিয়েও মৰম চেনেহ পাব লাগিব।

## আলস্য হ'ল মানুহৰ জীৱনৰ জীৱন্ত সমাধি

এলেহুৱা মানুহে ঈশ্বৰ বা মানুহৰ কোনো কামতেই নালাগে। এলেহুৱা মানুহক সম্পূৰ্ণ জীৱন্ত বুলি ক'ব নোৱাৰি। কাৰণ তেওঁ তেওঁৰ চৌদিশৰ ঘটনা আৰু পৰিবৰ্ত্তন বোৰৰ প্ৰতি সম্পূৰ্ণ উদাসীন। এটা পশু বা পোকৰ নিচিনাকৈ তেওঁ কেৱল খোৱাৰ কামত জীৱনৰ গোটেই খিনি সময় অতিবাহিত কৰে। মৃত্যুৰ সময় আহিলে নিজৰ একো চিন মোকাম নথকাকৈ তেওঁলোকে পৃথিৱীৰ পৰা বিদায় লয়। দৰাচলতে আলস্যতকৈ অধিক অপব্যয় পৃথিৱীত আৰু একো নাই।

*(লুই ডেমবিৎচ ব্ৰাওেইছ।)*

গল্প

# আৰু এটা শ্লোগান

মনজিৎ চন্দ্ৰ দাস ।

"মনি, অঁ মনি"। ৰমা মাষ্টৰে স্কুলৰ পৰা আহিয়ে জীয়েকক চিঞৰিব ধৰিলে। "কি হ'ল দেউতা" বুলি মনি ভিতৰৰ পৰা ওলাই আহিল। "ধৰ এইটো ল" এই বুলি তেওঁৰ হাতত থকা ছাতিটো মনিৰ হাতত দিলে। ৰমা মাষ্টৰে বাৰাণ্ডাতে থকা আৰামী চকীখনত বহি কেইটামান দীঘলীয়া উশাহ ললে। কি যে দিন কাল হ'ল বাহিৰত ইমান গৰম, বজাৰত বস্তুৰ জুই চাই দাম, তাৰ মাজতে দেশত লাগিছে আজি সন্ত্ৰাসৰ জুই। এই দিন দুপৰীয়াতে বজাৰৰ মাজত কেনেকৈ যে মানুহজনক মাৰি থৈ গল। এই সংগঠননে কি এইবোৰে দেশখন শেষ কৰিলে। আজি কি বোলে অসম বন্ধ কালি কি কিবা বন্ধ। তাৰ মাজতে এচামে আহিব ধন দাবী কৰিবলৈ। নিদিওঁ বুলি ক'লে বচ নিৰ্বিবাদে সিহঁতৰ ওচৰত বুক পাতি দিব লাগিব। এনেদৰে হিংসাৰ মাজেৰে এখন সুস্থ সমাজ গঢ়ি উঠেনে? মানুহ হৈ জন্ম ললে অন্ততঃ অলপ মানৱীয় গুণ থাকিব লাগে। "অকলে অকলে কি মানৱীয় গুণৰ কথা কৈ আছা দেউতা"।

"-অ' দীপু তই। ইমান ৰ'দতনো তই কিয় ডলাৰ বগৰীৰ দৰে ঘূৰি ফুৰিছ। আজিকালি তই বেছিকৈ ঘূৰা ফুৰা কৰা হৈছে দেখোন। ঘৰত নাথকই। বাহিৰত কি ঘটিছে সেইবোৰলৈতো খবৰ নাৰাখই। পিছে এওঁক মই চিনি পোৱা নাই"। "ৰমা মাষ্টৰে লগত থকা ল'ৰাজনলৈ চাই সুধিলে"।

এওঁ মোৰ বন্ধু উজ্বল। দীপুয়ে উজ্বলক দেউতাকৰ লগত চিনাকি কৰি দিলে। উজলে দেউতাকক নমস্কাৰ জনালে। "পিছে খুড়া বাহিৰৰ খবৰ নাৰাখ বুলি যে ক'লে কৰবাত কিবা অঘটন ঘটিলে নেকি"?

"অঘটন মানে বজাৰৰ মাজত থকা সেই ডাঙৰ গেলামাল দোকানখনৰ মালিকক কোনোৱাই গুলীয়ালে"

"- অ' হয়নেকি" বুলি দুয়ো ৰমা মাষ্টৰৰ পিনে চালে।

দীপু আৰু উজ্বল গৈ দীপুৰ ৰুমত বহিল।

"-দীপু এতিয়া কি হ'ব"

"- কি হ'ব আৰু। আমাৰ কাম শেষ, পিছত কি হয় দেখা যাব"।

- ইতিমধ্যে মনিয়ে ভাত খাবলৈ দুয়োকো মাতি গল, খাই বৈ উঠি উজ্বল যাবলৈ ওলাল।

"-দীপু বস্তুটো তোৰ তাত থাকক। নহ'লে মই যাওতে বিপদত পৰিব পাৰো"।

"- সময় পালে মাজতে এবাৰ আহিবিচোন"। "বাৰু হবদে" বুলি কৈ উজ্বল গলগৈ।

দীপুয়ে সেইদিনা আবেলি কলেকো যাবলৈ ইচ্ছা নকৰিলে বিশেষ কামো নাছিল। সেয়ে ঘৰতে কিছুমান আলোচনীৰ পাত লুটি য়াই সময় কটালে।

ৰমা মাষ্টৰৰ ঘৰত পৰিয়াল বুলিবলৈ দুজন পুতেক এজনী ছোৱালী। ৰমা মাষ্টৰৰ ঘৈনীয়েক আজি ১৫ বছৰ আগতে ঢুকাইছে। তেতিয়াৰে পৰা ৰমা মাষ্টৰৰ দায়িত্ব এখোপ ওপৰলৈ উঠিল। এতিয়া ৰমা মাষ্টৰে আগৰদৰে সন্ধিয়া ফুৰিবলৈ নাযায়। ঘৰতে ৰামায়ণ মহাভাৰত পঢ়ি সময় কটায়। তেওঁলোকৰ অৱস্থা আগতে শোচনীয় আছিল যদিও এতিয়া অলপ উন্নত হৈছে। ডাঙৰজন ল'ৰা বিজয়, পুলিচৰ চাকৰিত সোমোৱা আজি তিনিবছৰ হ'ল। সৰু ল'ৰা দীপুয়ে বি, এ, পাছ কৰি ঘৰত এনে্য় আছে। দেউতাকে চাকৰিৰ কথা ক'লে কয় "কেইজন ল'ৰাই চাকৰি বিচাৰি পাইছে। আজিকালি চাকৰি কৰিব লাগিলে এটা শকত ধনৰ টোপোলা লাগিব। আছে জানো তোমালোকৰ ইমান টকা- মোক দিবলৈ"? তাৰ কথা

শুনিলে ৰমা মাষ্টৰে আৰু এষাৰ মাতো মাতিব নোৱাৰে, মৌন হৈ থাকিব লগা হয়।

"মনি, অ' মনি মোৰ চোলাৰ বুটামটো লগাই দেচোন .বুলি ৰাতিপুৱাই দীপুয়ে মনিক খাটনি ধৰিলে"।

- উসঃ এইটোৱে ঘৰত থকা সময়খিনিত শান্তি নিদিয়ে।

- ৰাতিপুৱাই ইমান চিঞৰ বাখৰ। কি হ'ল বুলি মনি দীপুৰ ৰুমলৈ গ'ল।

- মনি মোৰ চোলাটোৰ এই বুটামটো লগাই দেচোন।

- মই নোৱাৰো মোৰ বহুত কাম আছে বুলি মনিয়ে মিছাকৈয়ে কলে।

- খঙনো কৰিছ কিয়। এইবোৰ তহতৰ কাম কাৰণেহে কৈছো।

- আজিকালি নাৰীয়ে পুৰুষৰ কাম কৰিছে। তুমি এই সৰু কামটো কৰিব নোৱাৰা। এই বুলি ভেকাহিমাৰি মনি ৰুমৰ পৰা ওলাই আহিল।

বিজয়ে উঠি হাত মুখ ধুই চাহজলপান খাবলৈ টেবুলত বহিল। দীপুও আহি চাহ খাবলৈ বহিল। মনিয়ে বেজিত থকা সূতাখিনি কামুৰি চিঙি দীপুক চোলাটো দিলে। দীপুয়ে চোলাটো পিন্ধি চাহ খাবলৈ আৰম্ভ কৰিলে।

- দীপু চোলাৰ বুটামটো কেনেকৈ চিগিল ? বিজয়ে মাত লগালে

- কৰবাত চিঙি পৰিল।

- কালি হোৱা হত্যাকাণ্ডটোৰ বিষয়ে তই নিশ্চয় জান,

- মই জানো মানে

- তই নিশ্চয় শুনিছ। হত্যাকাৰী ধৰা পৰিছে।

- কি ? বুলি দীপুয়ে জলপানৰ চামুচখন মুখৰ ওচৰত লৈ বিজয়ৰ পিনে চাই ৰ'ল। সি ভাবিছে তাৰ আৰু ৰক্ষা নাই। তাক যেন মৃত্যুয়ে ক্ৰমান্বয়ে গ্ৰাস কৰি আহিছে। নাই সি ইমান সোনকালে পুলিচৰ হাতত ধৰা দিব নোৱাৰে। দৰকাৰ হলে আজিয়েই সি এই ঘৰ ত্যাগ কৰিব, চিৰদিনৰ বাবে।

দীপু,

- ও। বিজয়ে মাত দিয়াতহে তাৰ মনলৈ চেতনা আহিল। সি আকৌ জলপান খোৱা আৰম্ভ কৰিলে।

- তই যি পথ লৈছ সেই পথ শুদ্ধ নহয়। তই তাৰ পৰা অতি সোনকালে উভতি আহ।

- তাৰমানে ককায়েকে তাৰ সকলো কথা গম পাইছে। পালেও সি ইমান সোনকালে হাৰ মানিব নোৱাৰে। সি কথাখিনি ভাবি থাকোতেই ককায়েক কেতিয়া উঠি গল গমকে নাপালে।

অফিচত যাবৰ সময়ত বিজয়ে দীপুক কৈ গল - দীপু তোৰ চোলাৰ বুটাম বৰ্ত্তমান মোৰ হাতত। কিন্তু সেইটো মই তোক দিব নোৱাৰো।

কথাখিনি শুনাৰ লগে লগে দীপুৰ বুকুখন চিৰিংকৈ উঠিল।

ৰাতি বাৰ মান বজাত দীপু কৰবাৰ পৰা আহি শুই থাকিল। মনিহতক জগাবলৈ ইচ্ছা নকৰিলে। উজ্বলৰ কথাবোৰ শুনি সি নিজকে বিশ্বাস কৰিবলৈ টান পালে। আজি তিনিমাহ হ'ল উজ্বলৰ দেখা দেখি নাই। শুনিবলৈ পাইছে সি হেনো আত্মসমৰ্পন কৰিছে। লগতে সি সংগঠনৰ গোপন তথ্য কিছুমান পুলিচক দিছে। নাই এয়া কেতিয়াও সম্ভৱ হ'ব নোৱাৰে।

পিছদিনা দীপুয়ে দেৰিকৈ সাৰ পালে। স্কুল বন্ধ থকাৰ বাবে দেউতাক ঘৰতে আছিল। দীপুয়ে গা পা ধুই আগ দিনাৰ ভাতসাজকে খাই যাবলৈ ওলাল।

- কলৈ যাবি অ' দীপু। দেউতাকে সুধিলে।

- এখন মিটিং আছে দেউতা।

- তই আজি কালি মেল মিটিংবোৰ কৰিয়েই সময় কটোৱা হৈছ। কিহৰ যে মিটিং কৰ তহতেহে জান।

- দীপুয়ে দেউতাকৰ কথাত কাণ নিদি চাইকেলখন

লৈ ওলাই গল।

১৬ অক্টোবৰ সিহঁতে অসম বন্ধ দিছে। বেৰত মাৰিবৰ বাবে সি পোষ্টাৰ আনিছে। বেনাৰ লিখাৰ বাবেও কাগজ আৰু ৰং আনিছে। সেইবোৰ তলত সোমাই থৈ দীঘল দি শুই পৰিল। দূৰত থকা গীৰ্জাটোত তেতিয়া এক বজাৰ সংকেত মাৰিছে।

পিছদিনা উঠিয়েই মনিক মাতিলে। মনি এইফালে আহচোন।

- কি হ'ল? দাদা গলনে? অ' কেতিয়াবাই গল। আৰু দেউতা? এইমাত্ৰ গল।

- মনি তই মোক অলপ সহায় কৰি দিবি।

- কি সহায়?

- আমাৰ সংগঠনৰ কেইখনমান বেনাৰ লিখি দিব লাগে।

- দাদা এই সংগঠন বিলাক বাদ দিয়া। একেটা গাততে সাপ আৰু নেউল থকাৰ দৰে হৈছে আমাৰ ঘৰখন। ভৱিষ্যতে কি হ'ব এবাৰ ভাবি চোৱাচোন।

- ইমান সৰু কথাবোৰ ভাবি থাকিবলৈ মোৰ সময় নাই। এখন দেশৰ তুলনাত এখন ঘৰ নিচেই ক্ষুদ্ৰ, আমি আজি ঘৰতে সুন্দৰকৈ হাঁহি ধেমালিৰে ভালদৰে পেট ভৰাই ভাত খাইছো আৰু আনফালে এচামে ভোকৰ তাড়নাত চটফটাই আছে। সেইবোৰৰ কথা কোনোৱাই ভাবিছে? মোৰ পথত কেতিয়াও মোক বাধা নিদিবি। মই বহুত আগবাঢ়ি গলো। মই আৰু এই কাইটিয়া পথৰ পৰা কেতিয়াও ঘূৰি আহিব নোৱাৰিম।

সন্ধিয়া তেতিয়া পাঁচ বাজিছে মাত্ৰ। হঠাতে বিজয়ৰ টেবুলত থকা ফোনটো বাজি উঠিল।

হেল্লো - অ' মই বিজয়ে কৈছোঁ।

কি? কেতিয়া?

ঠিক আছে মই গৈ আছো।

বিখ্যাত ব্যৱসায়ী পদ্ম চলিহাক হত্যা কৰা ঠাইডোখৰ মানুহৰে পৰিপূৰ্ণ হৈ আছে। পৰিত্যাক্ত চলিহাৰ গাড়ীখনৰ ওচৰতে চলিহা পৰি আছে। মানুহৰ জুমটোৰ মাজেৰে বিজয় আগবাঢ়িল। বিজয়ে ঘটনাৰ বুজলৈ কেইজনমান পুলিচক কিবা কিবি নিৰ্দেশ দি ঘৰলৈ উভতিল। বিজয়ে ঘৰ পাওতে নিশা দহ বাজিছে। অইনদিনা বিজয় অফিচৰ পৰা সোনকালে আহি পায়। দেৰি হলে দেউতাকে জানে যে নিশ্চয় কৰবাত কিবা হৈছে।

সন্ধিয়া চহৰৰ বিখ্যাত ব্যাৱসায়ী পদ্ম চলিহাক কোনোবাই গুলীয়াই হত্যা কৰিলে। কথাখিনি কৈ বিজয় ৰূমত সোমাই গল।

দীপুয়ে ৰূমটোৰ সকলো বস্তু ওলট- পালট কৰি কিবা বিচাৰি আছে। মনি - সি চিঞৰি উঠিল। মোৰ চচমা যোৰ কত।

- মোৰ ওচৰত। দুৱাৰ মুখত থিয় হৈ বিজয়ে কলে।

- তোমাৰ ওচৰত কেনেকৈ গ'ল।

- কালি সন্ধিয়া কলৈ গৈছিলি এই চচমা যোৰে প্ৰমান কৰিছে মই তোক বহুত বাধা কৰা সত্ত্বেও মোৰ কথা নামানিলি। তই আজিয়েই গৈ থানাত আত্মসমৰ্পন কৰিব লাগিব। কথাখিনি বিজয়ে খঙেৰে কলে।

- কিন্তু কিয়?

- কিয় তয়ে জানো চাৰিমাহ আগতে বজাৰৰ সেই গেলামাল দোকন খনৰ মালিকক হত্যা কৰা নাই? কালি তয়ে জানো পদ্ম চলিহাক হত্যা কৰা নাই?

- দীপুয়ে আৰু একো কথা লুকাব নিবিচাৰিলে।

- নাই মই কোনো দোকানৰ মালিকক হত্যা কৰা নাই। কোনো পদ্ম চলিহাক হত্যা কৰা নাই। মই হত্যা কৰিছো একোজন শোষণ কাৰীক, একোজন বিষাক্ত সাপক, একোজন ৰক্ত পিপাসুক। অ' মনত ৰাখিবা তোমালোকৰ এম. এল.এ. দেবব্ৰত শইকীয়াৰ শেষ দিন চমু চাপি আহিছে। গতিকে তোমালোকৰ চিকিউৰিটি বঢ়াবা।

- মই থকাত দেবব্ৰত শইকীয়াক মাৰিবলৈ নিদিম দৰকাৰ হ'লে মই ভেটা দিম।

- তেতিয়া তোমাকো হত্যা কৰিবলৈ আমাৰ হাত থমকি নৰব।

- তহতে মোক মাৰিব পাৰিবি। কিন্তু এই পোছাক যোৰক নহয়, কিন্তু তাৰ আগতে তোক মই এই বুলি বিজয়ে দীপুক মাৰিবলৈ উদ্যত হয়। সেই সময়তে মনি উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। সেইদিনাৰ পৰা দীপু ঘৰলৈ অহা নাই।

সেইদিনা সোমবাৰ। নলবাৰীত পতা মিটিং এখনত ভাগ লবলৈ গল দেবব্ৰত শইকীয়া। ৰাইজে তেওঁক সম্ভাষণ জনাই আদৰি নিছে। হঠাতে উদ্যত ৰিভলভাৰ লৈ উপস্থিত হ'ল দীপু।

হেণ্ডচ্ আপ এমেলে ডাঙৰীয়া তোৰ দৰে নৰপিশাচ এটাৰ ভাষণ শুনিবলৈ ৰাইজে ইচ্ছা নকৰে। তোৰ দৰে নিলবৰ্ন শৃগাল এটাক বাকৰুদ্ধ কৰাই আমাৰ ফালৰ পৰা শ্ৰেষ্ঠ উপহাৰ। এম.এল এ. ৰ ওচৰতে বিজয় আছিল। সি পিষ্টল উলিয়াব খোজোতেই দীপুয়ে হুংকাৰ দিলে কোনোৱেও বেছি চালাকি কৰিবলৈ চেষ্টা নকৰিব নহলে মই গুলিয়াবলৈ বাধ্য হম। বিজয়ে কথা নামানি পিষ্টল উলিয়াব খোজোতেই দীপুৰ ৰিভলভাৰৰ গুলিয়ে বিজয়ৰ দেহ নিঠৰ কৰি পেলালে। অলপো পলম নকৰি দীপুৰ চিকাৰ শইকীয়াক চিৰদিনৰ বাবে বিদায় দিলে। ইতিমধ্যে ঘটনাস্থলীত বহুত পুলিচ গোট খোৱাত দীপু নিৰুপায় হৈ পৰিল। সি পুলিচৰ ওচৰত ধৰা দিয়াটো উচিত বুলি নাভাবিলে। ক্ষন্তেকো পলম নকৰি সি নিজৰ ৰিভলভাৰেৰে "জয় আই অসম" শ্লোগানটো দি আত্মহত্যা কৰিলে।

# প্ৰজ্ঞা

কিছুমান মানুহে হীৰা বা দুৰ্লভ শিল্প কৰ্ম কিনি সংগ্ৰহ কৰে আৰু বহুতৰ চখ দামী মটৰ গাড়ী আৰু প্ৰমোদ তৰণী আহৰণ কৰা। মোৰ কিন্তু জীৱনত এটা মাত্ৰ চখ আছে। সেইটো হ'ল মোৰ পৰিয়ালৰ পোহপাল দিয়াৰ পিছতো মোৰ যি খিনি শক্তি সামৰ্থ্য ওপৰিঞ্চি হৈ আছে সেই খিনি মই মানুহৰ উপকাৰত লগা যি কোনো সৎ কামত নিয়োগ কৰিব খোজো। জনসাধাৰণৰ যি কোনো সমস্যা সমাধান কৰাত বা সহায় কৰাত মোৰ সেই ওপৰিঞ্চি শক্তি সামৰ্থ খিনি নিয়োগ কৰিবলৈ পালেই মই গভীৰ আনন্দ পাও। তাৰ কাৰণে মই কোনো পাৰিশ্ৰমিক নিবিচাৰো। মটৰ গাড়ী প্ৰমোদ তৰণীত ভ্ৰমণ কৰি আনন্দ লাভ কৰা ধনী বিলাসী লোকসকলে যেনেকৈ নিজৰ আনন্দৰ বিনিময়ত কোনো পৰিশ্ৰমিক নিবিচাৰে। মোৰ মাত্ৰ এটাই জীৱন আছে আৰু সি নিচেই চুটি তেন্তে যিবোৰ বস্তু মই মোৰ জীৱনৰ কাৰণে আটাইতকৈ প্ৰয়োজনীয় বুলি অনুভৱ কৰো তেনে বস্তুৰ অন্বেষণত মই মোৰ চুটি জীৱনটো কিয় অপচয় কৰিম? ধন সম্পত্তিক মই আটাইতকৈ প্ৰয়োজনীয় বস্তু বুলি নাভাবো। মই কেৱল স্বাধীন হৈ থাকিবলৈ বিচাৰো।

*(লুই ডেমবিৎচ ব্ৰাওেইছ।)*

# শান্তিৰ পথ বিচাৰি

ভবেন মেধি

পৃথিৱীৰ প্ৰতিখন 'মাতৃভূমি'তে আজি
সংঘৰ্ষ হয় ভাতৃঘাটি,
এয়াই জানো কলিৰ যুগৰ অৱতাৰ কল্কি ?
নাই আজি কতো শান্তিৰ বাণী।
বীৰ ভোগ্যা বসুন্ধৰাই কৰিছে আজি দুৰ্বলক বলি।
সমগ্ৰ পৃথিৱীতে আজি জ্বলি উঠিছে হিংসা প্ৰতিশোধৰ দাবাগ্নি।
মানুহেই হৈছে আজি মানুহৰ চিকাৰ,
মাজনিশা কাৰোবাৰ দুৱাৰদলিত উপস্থিতি হয় বন্দুকৰ গৰাকী,
এজনক নাপাই আনজনক কৰে প্ৰতিশোধৰ বলি,
নাই আজি কাৰো চিনভাব ভাতৃ-ভগ্নী, মাতৃ- পিতৃৰ।
নাৰীয়ে কটাব লাগিছে আজি গণিকা ৰাত্ৰি
নাই আজি মানুহৰ মাজত মিলাপ্ৰীতি।
কোনোয়েই যে ভবা নাই আজি, আমিওঁ যে এদিন হ'ব লাগিব বিধাতাৰ বলি।
কিয় বাৰু মানুহেই আজি পাতিব লাগিছে মানুহৰে মৃত্যুৰ ৰম্যভূমি।
আহা আজি আমি সকলোৱে একতাৰ দলেৰে বান্ধ খাওঁ শান্তিৰ পথ বিচাৰি,
হওঁ আজি আমি সকলোৱে একোটা পথৰে যাত্ৰী।

# হয়তোবা আকৌ এদিন

প্ৰণালী দত্ত

হয়তোবা আকৌ এদিন
লগ পাম তোমাক এবাৰ
কোনো এক সুদূৰ ঠাইত
হয়তোবা এই চহৰতে
হয়তোবা অন্য কোনো নিৰ্জন গাঁৱত
কোনোবা আশ্চৰ্য্য দিনত আকৌ এদিন
লগ পাম তোমাক এবাৰ।
আৰু সেইদিনা বাটৰ দাঁতিত
যেতিয়া দেখিছিলো তোমাৰ চিৰ পৰিচিত মুখখন
সেইদিনা মোৰ ফালে চাই
কিবা কব খুজিছিলা তুমি।
তুমি এতিয়া যিফালে গুছি যোৱা
মইতো সেই বাটে
গুছি যাম তোমাক বিচাৰি।
হয়তোবা আকৌ এদিন
লগ পাম তোমাক এবাৰ।



স্মৃতিৰ পাপৰি

# কলা বীথিকাত এদিন

সৰমা পাটোৱাৰী

প্ৰকৃত শিল্পী সাহিত্যিক সকলৰ কোনো জাত নাই, কোনো ভাষা, সম্প্ৰদায় অথবা সংকীৰ্ণতা নাই , তেখেতসকল সমগ্ৰ মানৱ জাতিৰেই এক উমৈহতীয়া সম্পদ। শিল্প অৰ্থাৎ সুন্দৰৰ সৃষ্টিৰ জৰিয়তে শিল্পীয়ে মানুহৰ জীৱনক সংস্কৃত কৰে । খোৱা, পিন্ধা,থকা আদি মৌলিক প্ৰয়োজন সমূহ পূৰণ হোৱাৰ পাছতো মানুহৰ জীৱনত আৰু বহুত কৰিবলগা থাকে আৰু তাতেই মানুহৰ জীৱনৰ সাৰ্থকতা। সাৰ্থক শিল্পী এগৰাকীয়ে মানুহৰ জীৱনক এনেকৈয়ে সুন্দৰ কৰাৰ প্ৰয়াস কৰে, জীৱন তথা জগতখনক বুজি পোৱাত সহায় কৰে । এনে এক মহান প্ৰচেষ্টা জড়িত থকা এখনি চিত্ৰ প্ৰদৰ্শনী চোৱাৰ সুযোগ পাইছিলো এদিন।

যোৱা ১৯৯৮ চনৰ চে প্তেম্বৰ মাহৰ ১ তাৰিখৰ পৰা ৫ তাৰিখলৈ ৰাজ্যিক কলা বীথিকাত শিল্পী, শ্ৰী সৰোজ কাকতি দেৱৰ এখনি একক চিত্ৰশিল্পৰ প্ৰদৰ্শনী হৈ যায় । তাত তেখেতৰ ব্যতিক্ৰমধৰ্মী মুঠ ৩৫ খন চিত্ৰৰ লগতে চিত্ৰ সমূহৰ ভাবাৰ্থ আৰু একো -একোটা কবিতা চিত্ৰ সমূহৰ লগত গাঁঠি থোৱা আছিল ।

তিনি চেপ্তেম্বৰৰ দিনা আমি তেখেতৰ চিত্ৰ শিল্প চোৱাৰ লোভ সামৰিব নোৱাৰি বৰষুণ দি থকা সত্বেও ৰাজ্যিক কলা বীথিকালৈ ৰাওনা হৈছিলো। চিত্ৰ শিল্প সম্পৰ্কে মোৰ আগতে তেনে কোনো জ্ঞান নাছিল । সেই খনেই আছিল মোৰ জীৱনত দেখা প্ৰথমখন চিত্ৰ প্ৰদৰ্শনী । বুজা-নুবুজা শংকা ভৰা মনলৈ ৰাজ্যিক কলা বীথিকাত প্ৰবেশ কৰিছিলো । তাত চিত্ৰ শিল্পী কাকতি ছাৰ আৰু মিনু মেডামৰ হাঁহি ভৰা মুখ দেখি মনৰ শংকা ভাৱ নিমিষতে আতৰি গৈছিল ।


শিল্পীৰ নিপুণ হাতৰ তুলিকাত প্ৰত্যেকখন ছবিয়েই বেৰত একো একোটা জীৱন্ত ৰূপ ধাৰণ কৰি থকা যেন হৈছিল । তেখেতৰ প্ৰত্যেকখন ছবিৰ লগতে গাঁঠি দিয়া ভাবাৰ্থৰ বাবে সকলো ধৰণৰ দৰ্শকৰে বুজি পোৱাত সহায়ক হৈছিল । আনকি মোৰ নিচিনা ছোৱালী এজনীৰ চিত্ৰশিল্প সম্পৰ্কে কোনো জ্ঞান নথকা সত্বেও চিত্ৰ সৌন্দৰ্য্য উপভোগ কৰাৰ পৰা বঞ্চিত হোৱা নাছিলো। যি বিলাক চিত্ৰ বুজি পোৱাত টান পাইছিলো সেইবিলাক চিত্ৰ চাৰ তথা শিল্পী গৰাকীয়ে আমাক সুন্দৰকৈ বুজাই দিছিল ।

ৰাজ্যিক কলা বীথিকাত প্ৰদৰ্শিত সৰ্বমুঠ ৩৫ খন চিত্ৰৰে বিষয়বস্তু বেলেগ বেলেগ আছিল। শিল্পীগৰাকীৰ তুলিকাত প্ৰকাশ পাইছে তেখেতৰ মনত সঞ্চিত হৈ থকা দুখ, ক্ষোভ, সংঘাত আদি। শিল্পীগৰাকীৰ অন্তৰত জমা হৈ থকা এই দুখ, ক্ষোভবোৰেই দৰ্শকৰ মাজত ছবি আৰু কবিতা হৈ প্ৰকাশ লাভ কৰিছে । বাস্তৱ সমাজত ঘটি থকা প্ৰায়বিলাক ঘটনাই শিল্পীগৰাকীৰ তুলিকাত প্ৰতিফলিত হৈছে । বৰ্তমান সমাজত চলি থকা হত্যা,লুণ্ঠন,উৎপীড়ণ,ধৰ্ষণ আদি সকলোবোৰ শিল্পীগৰাকীয়ে তেখেতৰ চিত্ৰৰ জৰিয়তে প্ৰকাশ কৰিছে।

প্ৰদৰ্শনীখনত প্ৰদৰ্শিত হোৱা প্ৰায়বোৰ ছবিয়ে মোৰ ভাল লাগিছিল । তেখেতৰ ছবি সমূহ সাধাৰণ আৰ্ট পেপাৰত পেঞ্চিল আৰু দুটামান ৰং ব্যৱহাৰ কৰি অংকণ কৰিছে । ছবি আৰু ৰং দুয়োটাই সুন্দৰভাৱে খাপ খাইছে। এই আটাইবোৰ ছবিৰ ভিতৰত কেইখনমান ছবিয়ে মোৰ মনত দকৈ সাঁচ বহুৱাই থৈ গৈছে । সেই ছবিকেইখন এতিয়াও মোৰ চকুৰ আগত ভাহি আছে . (দি মৰ্নিং বাৰ্ড) নামৰ ছবিখনত শিল্পীগৰাকীয়ে অংকণ কৰিছে এটা মৃত চৰাই, যাৰ সৰ্ব শৰীৰত মৃত্যুৰ শিপা বগাই ফুৰিছে। অথচ সেই চৰাইটোৱে সূৰ্য্যলৈ চাই গান গাই আছে । শিল্পীগৰাকীয়ে এনেদৰে লিখি দিছে— জন্মৰ দৰে মৃত্যুও মানুহৰ জীৱনৰ এটা সহজ সত্য । কেতিয়াবা এই মৃত্যু আহে মানসিক ভাৱে নাইবা শাৰীৰিক ভাবে ।মৃত্যুৰ দূত (শগুণ) আমাৰ মূৰৰ ওপৰত আছে । তথাপিতো আমি ৰাতিপুৱাৰ গান গাবই লাগিব । জীৱনৰ গান গোৱাই হল মানুহৰ জীৱন । — এই ছবিখনৰ লগতে গাঁঠি থোৱা কবিতাটোৰ এটা শাৰী এনেকুৱা — (নিহত বক্ষত জীয়াই

আছে তাৰ ক্ৰচ বিদ্ধ যীচু,....অমৃত কণ্ঠৰ নিচানত, লেখা আছে তাৰ সূৰ্য্যোদয় সংগীত, এটাই মাথো তাৰ চিনাকি, সি যে প্ৰভাতী পক্ষী ! সি যে প্ৰভাতী পক্ষী ! ) সচাকৈয়ে শিল্পীৰ হাতৰ এয়া অতুলনীয় সৃষ্টি ।এই কথা আমি স্বীকাৰ কৰিবই লাগিব ।

শিল্পী সৰোজ কাকতি দেৱৰ আন এখন ছবি ("দা ৰমেন") নামৰ ছবিখনো মোৰ ভাল লাগিছিল ।শিল্পীয়ে টাবত ফুলি থকা ফুলপাহৰ দৰেই নাৰীৰ জীৱনো সীমাবদ্ধ। বৰ্তমান সমাজত লিখিতভাৱে নাৰীক বহুতো অধিকাৰ দিয়া হৈছে যদিও সেই অধিকাৰ নাৰীয়ে লাভ কৰিব পৰা নাই । আমাৰ সমাজত নাৰীক এতিয়াও হেয় চকুৰে চোৱা হয় আৰু তেওলোকৰ জীৱন চাৰিবেৰৰ মাজতে সীমাবদ্ধ কৰি ৰাখিব বিচাৰে ।ঠিক টাবত ফুলা ফুলৰ দৰেই । শিল্পী কাকতি দেৱে এই কথাটি সুন্দৰ ভাৱে ছবিৰ জৰিয়তে প্ৰকাশ কৰিছে । ছবিখনৰ লগত প্ৰকাশিত হোৱা কবিতাটো হল —



মই হেনো নাৰী
তোমাৰ হাতৰ টাৱত গজি উঠা
এপাহ দুখৰ অনামী ফুল ।
যাৰ শৃংখলিত সুবাসে উৰি যাব
নোৱাৰে আকাশৰ হৃদয় বিচাৰি ।
তলাবদ্ধ চিন্তাৰ "উন্মুক্ত" নদীত
উটি যোৱা মোৰ ইচ্ছা অথৱা
অনিচ্ছাৰ মৃতদেহ ।.....
সেন্দুৰী সূৰ্য্যৰে আঁকি দিয়া সতীত্বৰ
প্ৰমাণ পত্ৰত মুখ গুজি পৰি ৰোৱা
তোমাৰ বস্ত্ৰ হীন পৌৰুষ ।
মাতৃত্বৰ চিৰ সেউজ চুলিৰ অৰণ্যত
মই পবিত্ৰতমা, বসুন্ধৰা নাৰী ।

শিল্পী গৰাকীৰ আন এখন ছবি "ইয়ুথ -২" । ছবিখনত শিল্পী গৰাকীয়ে অংকন কৰিছে আধাফুলা ফুলৰ দৰে এগৰাকী নাঙঠ নাৰী আৰু আনফালে নাঙঠ পুৰুষৰ হাতবোৰ । ছবি খনৰ বিষয়ে শিল্পীগৰাকীয়ে এনেদৰে লিখিছে — "এপাহ ফুল প্ৰকৃতিৰ মাজত ফুলি উঠাৰ দৰেই এগৰাকী যুৱতীৰ দেহতো যৌৱন আহে । প্ৰকৃতিৰ নিয়ম অনুসৰি ফুলৰ উদ্দেশ্য যিদৰে ফল ধাৰণ কৰা সেইদৰে মানুহৰ যৌৱনৰ অৰ্থও একেই ফল ধাৰণ কৰা । মানুহে কিন্তু ফুল ফুলাৰ প্ৰকৃত অৰ্থ বুজি নাপাই বিবেকক বিসৰ্জন দি সেই ফুল ছিঙিব খোজে । কেতিয়াবা মৰিমূৰ কৰিব খোজে । কেতিয়াবা চন্দুকত ভৰাই থব খোজে , নিজৰ সম্পত্তি কৰিব খোজে ।মানুহৰ যৌৱনৰ অৰ্থ হল কল্যাণময়ী নতুন সৃষ্টি" ।

সৰোজ কাকতি দেৱে আমাৰ সমাজৰ দুখ লগা কৃষক সকলৰ জীৱনৰ কথাও ছবিৰ জৰিয়তে প্ৰকাশ কৰিছে । তেখেতে এখন চিত্ৰত অংকণ কৰিছে বানপানীত জুৰুলা হোৱা কৃষক সকলৰ অৱস্থা । বানপানীত কৃষক জনে সকলো হেৰুৱাইছে । আনকি হাল বোৱাৰ সমল গৰু হালৰ মৃত্যু হোৱাত আৰু খেতিৰ মাটি খিনিও বানে উটুৱাই নিয়াত কৃষক জন নিৰুপায় হৈ আত্মহত্যা কৰিছে ।

শিল্পী কাকতি দেৱৰ আন এখন ছবিত আমি দেখিবলৈ পাইছিলো এখন নৈ । নৈখনৰ ওচৰতে এখন

বহল পথাৰ । শিল্পীৰ নিপুণ হাতৰ তুলিকাত ছবিখনে সুন্দৰ ৰূপ ধাৰণ কৰিছে । হয়তো সেয়া শিল্পীগৰাকীৰে অতীত ।

আমাৰ শিক্ষাগুৰু শিল্পী সৰোজ কাকতি দেৱৰ চিত্ৰ প্ৰদৰ্শনী চাই আমাৰ মনত কিছুমান প্ৰশ্নৰ উদয় হৈছিল । আমি সেই প্ৰশ্নবোৰৰ উত্তৰ জানিব বিচৰাত তেখেতে আমাক সুন্দৰভাৱে উত্তৰ দিছিল ।



*১) প্ৰশ্নঃ— আপোনাৰ শিল্পী জীৱন কেতিয়াৰ পৰা আৰম্ভ হয় তাৰ বিষয়ে অলপ ক'ব নেকি ?*

উত্তৰ ঃ-- ছবি আঁকিবলৈ লৈছিলো সৰুৰে পৰাই । অন্য চিত্ৰ শিল্পীৰ ছবি চাই মুগ্ধ হৈ গৈছিলো— কিন্তু বাল্যকালত আমাৰ তেনেকুৱা পৰিবেশ নাছিল । আৰ্থিক দুৰৱস্থাৰ কাৰণে আৰু পৃষ্ঠপোষকতাৰ অভাৱত কোনো আনুষ্ঠানিক শিক্ষা লোৱা নহল । এঙাৰ, সেন্দুৰ, হালধি, চূণ আদিৰে কাগজ আৰু তামোলৰ ঢকুৱাত ছবি আকিছিলো ।

*২) প্ৰশ্ন ঃ-- আপুনি ছবি আঁকিবলৈ আৰু কবিতা লেখিবলৈ কাৰ পৰা অনুপ্ৰেৰণা পাইছিল ?*

উত্তৰ ঃ— মই আকৌ সেই সৰু কালৰে কথা কৈছো তোমাক । তামোলৰ ঢকুৱাত অকা ছবি এখন চাই মোৰ ককাই এজনে (হোমেশ্বৰ দাস) এযাৰ কথা কৈছিল— "প্ৰতিভাৰ মৃত্যু নাই, সি যতেই নাথাকক, তাক কোনেও বাধা দি ৰাখিব নোৱাৰে" ।— সেয়াই আছিল আত্মবিশ্বাসৰ অংকুৰণ । আই -পিতায়ো উৎসাহ দিছিল, আৰু উৎসাহ পাইছিলো স্কুলত, ছবি আঁকা বিষয়টোত পোৱা সৰ্বোচ্চ নম্বৰ খিনিৰ পৰা । ডাঙৰ হোৱাৰ পিছত অনুপ্ৰেৰণা পাইছোঁ মানুহৰ জীৱনৰ পৰা, সমাজ জীৱনৰ পৰা । ব্যক্তিগত জীৱন তথা সমাজ জীৱনৰ সত্যবোৰ ছবিৰ মাজেৰে প্ৰকাশ কৰি মানুহৰ দুখ- যন্ত্ৰনা লাঘৱ কৰিব খোজো । সত্যক নজনা কাৰণেইতো মানুহে জীৱনত দুখ -যন্ত্ৰনা পায় ।

*৩) প্ৰশ্ন ঃ— আপোনাৰ ছবিত নাৰীয়ে বিশেষ স্থান অধিকাৰ কৰাৰ কাৰণ কি ?*

উত্তৰ ঃ— ঠিক নাৰীক বিশেষ স্থান দিয়া বুলি ক'লে কথাষাৰ সঠিক নহব । মই সদায় শোষিত অথবা নিপিড়িত সকলৰ পক্ষত থাকো । সেই সকল লোক নাৰীয়েই হওক অথবা পুৰুষেই হওক । শোষণ, নিপীড়নৰ বিৰুদ্ধে মাত মাতি মানুহে মানৱীয় অথবা এক মৰ্যদা পূৰ্ণ জীৱন গ্ৰহন কৰাতো মই বিচাৰো ।

*৪) প্ৰশ্ন ঃ-- আপোনাৰ ছবিত ক্ষোভ, দুখ, সংঘাত আদি সুন্দৰ ভাৱে প্ৰকাশ পাইছে । আপোনাৰ এনে কি দুখ ক্ষোভ আছে যাক আপুনি চিত্ৰৰ জৰিয়তে প্ৰকাশ কৰিব বিচাৰিছে ?*

উত্তৰ ঃ-- দুখ, ক্ষোভ প্ৰতিজন মানুহৰেই থাকে,- কিন্তু সেইবোৰৰ প্ৰকাশ ভংগী বোৰহে বেলেগ বেলেগ । কোনোবাই হয়তো গালি পাৰি, মাৰপিট কৰি, মদ খাই বা অন্যান্য কূটাঘাত মূলক কাৰ্য্যৰ মাজেৰে অন্তৰৰ দুখ, ক্ষোভ প্ৰকাশ কৰে । তোমাৰ অন্তৰত যি দুখ ক্ষোভ আছে সেইখিনিয়েই মোৰো অন্তৰত আছে । পৃথিৱীৰ কৌটি কৌটি মানুহৰ মনত যি দুখ আছে সেয়া মোৰো আছে-- মোৰ সুখ দুখ খিনি "বিশেষ " নহয় সাধাৰণ ।

*৫) প্ৰশ্ন ঃ-- আমি আপোনাৰ প্ৰত্যেকখন ছবিৰ লগতে একো একোটা কবিতা দেখিবলৈ পাইছোঁ । সাধাৰণতে চিত্ৰ আৰু কবিতা দুয়োটাই পৃথক পৃথক বিষয় । আপুনি দুয়োটাৰ মাজৰ সম্পৰ্ক কি বুলি ভাৱে ?*

উত্তৰ ঃ— চিত্ৰ আৰু কবিতা দুয়োবিধ শিল্প বস্তুৰে একো একোটা ক'বলগীয়া কথা থাকে। ছবিত তাক কোৱা হয়— ৰেখা আৰু ৰঙৰ মাধ্যমেৰে আৰু কবিতাত তাক প্ৰকাশ কৰা হয় শব্দৰ মাধ্যমেৰে ।

*৬) প্ৰশ্ন ঃ— আপোনাৰ ছবিত বৰ্তমান সমাজত চলি থকা হত্যা, লুণ্ঠন, উৎপীড়ন, যুৱ-উশৃংখলতা আদি সুন্দৰ ভাবে প্ৰকাশ পাইছে। আপোনাৰ ছবিত এইবিলাকক স্থান দিয়াৰ কাৰণ কি ?*

উত্তৰ ঃ— হত্যা, লুণ্ঠন, উৎপীড়ন,উশৃংখলতা আদিক সম্পূৰ্ণৰূপে বিনাশ কৰি মানুহে এটা সুন্দৰ মানৱীয় জীৱন যাপন কৰাটো মই বিচাৰো। সেইকাৰণেই এইবোৰক ছবিত স্থান দি এইবোৰৰ বিৰুদ্ধে মই প্ৰতিবাদ কৰিছোঁ । এটা কথা তুমি নিশ্চয় জানা যে শিল্পৰ ভাষা হল বিশ্বজনীন সকলো মানুহ তথা সমাজ সুন্দৰ হোৱাটো মই বিচাৰো।

*৭) প্ৰশ্ন ঃ— আপুনি কোনখিনি সময়ত ছবি আঁকে ? আৰু গল্প, কবিতা, উপন্যাস, গান আদি কেতিয়া লেখে?*

উত্তৰ ঃ— ছবি অকাৰ কোনো নিৰ্দিষ্ট সময় নাই— যেতিয়াই সময় পাও তেতিয়াই আঁকো । এই ধৰা — বেংকলৈ পইচা উলিয়াবলৈ গৈছো— টোকেনটো লৈ পইচাৰ কাৰণে কিছু সময় আকৌ ৰ'ব লাগে । সেই খিনি সময়তো মই বেংকৰে কাগজ এখিলা আনি ছবি আকো। টিভি চোৱাৰ সময়তো আকিব পাৰো — মুঠতে যেতিয়াই সময় পাও তেতিয়াই । এক মিনিট সময় অথলে গলেও মই দুখ পাও । প্ৰতিটো ক্ষণকে সৎ কৰ্মৰ বাবে উৎসৰ্গা কৰিব খোজো । গল্প কবিতাৰ ক্ষেত্ৰতো একেটাই কথা-বাছত যোৱা সময়খিনিতো তাৰ চিন্তা কৰিব পাৰো । প্ৰথম, চিন্তাটোহে আচল কথা । প্ৰত্যেক দিনে যদি এটা কাম অলপ অলপকৈও কৰা তেন্তে দেখিবা এদিন সি এটা মহা শক্তিত পৰিণত হৈছে ।

*৮) প্ৰশ্ন ঃ—আপোনাৰ চিত্ৰ এয়াই প্ৰথম প্ৰদৰ্শিত হলনে আগতেও কৰবাত হৈছিল ?*

উত্তৰ ঃ—আগতেও হৈছে, কিন্তু একক প্ৰদৰ্শনী এয়াই প্ৰথম ।

*৯) প্ৰশ্ন ঃ— আপোনাৰ ভৱিষ্যৎ পৰিকল্পনা কি ? বিশেষকৈ চিত্ৰৰ ক্ষেত্ৰত ?*

উত্তৰ ঃ— এই পৃথিৱীৰ কল্যাণৰ হকে কাম কৰি যোৱাই হল মোৰ ভৱিষ্যতৰ পৰিকল্পনা ।

"বহুত ধন্যবাদ ছাৰ । আপোনাৰ কৰ্মময় জীৱনলৈ শুভেচ্ছা জনাইছো" ।

"ধন্যবাদ" !!

ছাৰ আৰু বাইদেউৰ পৰা বিদায় লৈ ৰাজ্যিক কলা বীথিকাৰ পৰা ওলাই আহিছিলো । বাহিৰত তেতিয়াও বৰষুণ পৰি আছিল । এৰা ! এই বৰষুণে যদি পৃথিৱীৰ অন্যায়- অবিচাৰ কলুষ- কপটতা ধুই নিলেহেঁতেন ।

# কৌতুক

চিঠি বাছ এখনত মহিলাৰ ছিট এটাত এজন পুৰুষ বহি আছে ।

মহিলা ঃ— হেৰি এইটো লেডিজ ছিট ।

পুৰুষ ঃ— কত লিখা আছে ?

মহিলা ঃ— এয়া ওপৰত ।

পুৰুষ ঃ— তেনেহলে তাতেই বহক ।

শ্ৰী ৰিজু দত্ত ।

# THE INDIAN NAVY

Nirmala Devi

A vast area around our country is surrounded by huge, unending water bodies. If we look at it from above, we can easily see the ships and various other types of vessels of the Indian Navy roaming about in the seas, continuously maintaining the law and order and safeguarding the premises of the country from the enemies.

The security of the country from its enemies in the vast areas of the sea is efficiently carried out by one of the recognised organisations of the world - THE INDIAN NAVY. Further it also acomplishes various, tasks, helping the fisherman during bad weather and maintaining the law and order in the surrounding seas. Thus navy is referred to a fleet of ships which includes warships, merchantships, cruisers, destroyers, submarines, aircraft carriers, frigahtes, corvettes etc. Now-a-days the Indian navy is one of the best navy in the world working in colleboration with the coast guards.

People of various ranks are performing their duties to the nation who may be differentiated as officers, sailors and various other people in charge of various departments.

As other organisation the navy has also various branches, of which the largest is seaman branch. Here the man are traines in seamanship, the nanning of missiles, guns, torpedoes and other equipments. Man under regulating branch perform the function of regulating patrol and sentry duties. They control smuggling, another branch called the communication branch consisting men trained in sending, recieving and recording of visual signals by flags, semaphore, light and radio telephone consisting of coding and decoding of signals. Sailors are employed for runing various types of ships and aircraft carriers. They are under Navel Aviation branch. Engine room branch include the operation of various types of prapulsion and related machinery in the steam and internal combustion engine. Engineering mechanics are also responsible for the maintainance of many kinds of machinery such as pumps and fire fighting equipment. Another branch of navy is electrical branch. It employs two types of Sailors Electrical Mechanics (power) and Electrical Mechanic (Radio). The former undertakes the maintenance of the ship's electrical equipment. While the other handles radar and equipment. Sailors of Medical branch are specialized in the field of medicine, such as radiography, blood transfusion, physiotherapy and advanced nursing.

Ship's passess various types of weapons for defence like guns which are for more powerful than the old fashioned cannons. The size of a gun is determined by the diameter of its shell another weapon is missile, which is the most expensive. Torpedoes and Mines are also very important ship weapons. Torpedoes are deadly

and versatile of all antiship and anti-submarine weapon and are the principal weapon of aircraft, heli-copters and ships. Mines are hidden under water and attack their targets without warning. Thus these modern ship weapons have been made for Navy may efficient for defending our country from enemies.

Today our navy plays an important role in defending our country from any enemies. The avialability of modern training facilities has made the Indian Navy better equipped than ever before to defened our country's sea frontiers. No wonder. Our Navy ranks very high in the world today.

**Great Men's Voice**

1.Character is a diamond that scratches every other stone.

*-Batrol*

2. No sword bites so fiercely as an evil tongue

*-Sir Philip Sidney*

3.The devil was the first democrat.

*- Byron*

4.He who known, he knowns, knows nothing.

*-Vivekanand*

5.Self-reverance, self knowledge, self contral, these three alone lead life to soaerigan power

*-Tennyson*

6.Patience is bitter, but its fruit is sweet

*-Rousseau*

গল্প

# সি উভতি আহিছিল

ৰুণুমী দাস

উৰ্মীৰ আজি মনটো ভাল লাগি আছে। কাৰণ আজি তিনি বছৰৰ মূৰত তাইৰ ককায়েক উৎপল, ৰাতি ন মান বজাত আহিব বুলি চিঠিত লিখিছে। আঠ মান বজাতেই ৰন্ধা-বঢ়া শেষ কৰি বহি আছিল। বহি বহি অতীতৰ কথাবোৰ তাইৰ মনত পৰিল।

সৰুতেই সিহঁতৰ মাক-দেউতাক ঢুকাইছিল। এজন দূৰসম্পৰ্কীয় খুৰাকেই সিহঁতক ৰাখিলে। সিহঁতে হাইস্কুলৰ শিক্ষা শেষ কৰি কলেজত ভৰি দিলে। কলেজত উৰ্মীৰ অমৰৰ লগত বন্ধুত্ব গঢ় লৈ উঠিল। উৎপলে বি, এ, পাছ কৰাৰ পাছত নিবনুৱা হৈ বহি থাকিবলগীয়া হ'ল। কিছু দিন পাছত উৎপল ঘৰ এৰি কৰবালৈ গুছি গ'ল। যোৱাৰ তিনি মাহমান পাছত উৰ্মীলৈ এখন চিঠি আহিল। চিঠি খনত লেখিছিল —

*উৰ্মী,*

*আশাকৰো তই আৰু খুৰা দুয়োজনেই ভালে আছ। মই এনেকৈ গুছি অহাত হয়তো তই অন্তৰত আঘাত পাইছ, কিন্তু দেশৰ পৰিস্থিতি দেখি মই তোৰ কাষৰ পৰা গুছি আহিবলগীয়া হ'ল। বেয়া নাপাবি। মাজে মাজে চিঠি দি থাকিম।*

ইতি——

*তোৰ দুৰ্ভগীয়া ককাই*

উৎপল

চিঠিখন পাই তাইৰ মনটো ভাল লাগিল, অন্ততঃ তাইৰ ককায়েক জীয়াই আছে। উৰ্মীয়ে কেইটামান টিউচন কৰিয়েই খুৰাকৰ লগত আছে। তাইৰ ককায়েক নথকাত অমৰে বহুখিনি সহায় কৰিছিল। এদিন অমৰ বজাৰলৈ গৈছিল আৰু সেই বজাৰত এটা ডাঙৰ বিস্ফোৰণ ঘটিল তাতেই উৰ্মীয়ে অমৰকো হেৰুৱাব লগা হ'ল। তাৰ পাছত উৰ্মীয়ে নিজকে অকলশৰীয়া অনুভৱ কৰিব ধৰিলে।

আন্ধাৰ ৰাতি উৰ্মী শুই আছিল যদিও টোপনি অহা নাছিল। দৰ্জাত কোনোবাই টুকুৰিয়াইছিল আৰু উৰ্মীক মাতিছিল। মাতটো শুনি চিনাকি চিনাকি লাগিছিল তাইৰ। তাই উঠি আহি দৰ্জাখন খুলি দিয়াত ককায়েক হুৰমুৰকৈ সোমাই আহিল। ককায়েকক দেখি উৰ্মীয়ে আনন্দত কান্দি দিলে। ককায়েকে শান্তনা দিব ধৰিলে আৰু ক'লে এইবাৰ একেবাৰে আহিছে। কথাপাতি থাকোতে পুলিচৰ চাইৰেণৰ শব্দ শুনি উৎপলে পিছ দুৱাৰেদি পলাই গ'ল। ঘৰৰ ভিতৰলৈ পুলিচ সোমাই আহিল আৰু উৎপলক নাপাই উৰ্মীক ধমকি দি গুছি গ'ল।

এতিয়া তিনি বছৰৰ মূৰত ককায়েক আহিব। চাৰে ন মান বজাত ককায়েক আহি পালে। ককায়েকৰ লগত বহুত কথা পাতিলে। উৰ্মীয়ে ভাত বাঢ়ি ককায়েক আৰু খুৰাকক মাতিলে। তিনিও একে লগে খাবলৈ বহিল। ভাত সাজ খোৱা শেষ নৌহওতেই সৈন্য বাহিনীৰ জোৱান কেইজনমান সোমাই আহিল। উৎপল পলাব খুজোতে সৈন্যই গুলি চলাই দিলে। গুলিটো উৎপলৰ গাত নেলাগি উৰ্মীৰ গাত লাগিল আৰু তাই মাটিত ঢলি পৰিল। উৎপল আৰু খুৰাকৰ গাতো সমানে গুলি পৰিল। এনেতে বহুতো সৈন্য সোমাই আহি সিহঁতক ঘেৰি ধৰিলে। তিনিওৰে মৃতদেহৰ বাহিৰে তাত আৰু একো নাপালে।

●●●●●●●●●●●

## ভাৱনা

গীতাঞ্জলী ডেকা

ক'ত দিন নির্জনতাৰ মাজেৰে পাৰ হ'ল
মোৰ চকুৰ আগত
ক'ত সপোন ফুলি ফুলি মৰহি গ'ল ।
কত লোকৰ ক'ত লাঞ্চনা
মোৰ প্ৰেমক লই ।
তথাপিতো সহ্য কৰিছে মোৰ মনে
তোমাৰ আশাক লই ।
কিমান যে ছবি আকিছে মোৰ আশা বোৰেই
মোৰ মনৰ দাপোণত।
তথাপিতো নিৰ্বাপিত নহ'ল
তোমাৰ প্ৰতিফলিত জীৱনত।।

## মোৰ আই

সীমান্ত বৰা

তোমাৰ বাবেই আই
যুঁজ দিম শত্ৰুৰ সতে।
তোমাৰ বাবে আই
হিয়া মোৰ উঠলি উঠে।

তোমাৰ নিৰস মৰুভূমিত
মৰুদ্যান ময়েই সাজিম।
ময়েই গাম তোমাৰ বিজয় গান
তোমাৰ চৰণ দুখনি ময়েই ধুই দিম
চকুলোৰ নিজৰা বোৱাই ।

তোমাৰ শুকান ওঁঠত জাহ্নৱী
ধাৰা বোৱাই, সজীৱতা আনি দিম ময়েই
গিৰি হৈ ময়েই
অতন্দ্ৰ প্ৰহৰী হ'ম।

আই মোক দিয়া আশীৰ্বাদ।
তোমাৰ কোলাতে যেন
আকৌ জনম লৈ চাপো তোমাৰ কাষ
ধন্য হ'ল মোৰ মানৱী জীৱন।

# MORPHOLOGY OF PASIGHAT TOWN OF ARUNACHAL PRADESH.

DILIP DUTTA

Morphology of town denotes internal structure and arrangement of town, is one of the main concern of urban geographers and town planners. It is approached from two view points - the arrangment of roads and building; or the arrangment of different population and functional zones within the town. In Arunachal Pradesh there are a few urban centre evolved from its hilly ecology of the state inhabited by tribal people and possess unique morphological character. In the present article an attempt is made to outline the process of growth and layout or arrangment of population and function areas of the oldest Town of the state, named Pasighat.

The pasighat town, located in Pasighat circle is the only town of East Sagn District of Arunachal Pradesh. It is the oldest town in the Arunachal Pradesh, although the concept of urbanisation in the state is of recent origin. It covers an georaphical area of approximately 20 sq km. This is only 0.2 p.c. of area but supports 14.64 p.c. of population of the district according to 1991 census. The town is the most important centre of education administration, trade and commerce as well as of industry. It also provides the marketing service to the remote areas of the district.

Physically the town is located on the bank of Siang river (Brahmaputra) of Arunachal Pradesh. Although the area is comparatively plain in nature, it is mostly undulating one. The middle part is to some extent raised.But southern and north eastern part is comparatively plain. The town is surrounded by forest covered hills.

The Town stands as an island in the vast rural and frosted land of the tribal district. In this hilly and tribal district of East Siang, inhabited mostly by Adi tribes people live in hilly environment and like to adjust themselves rather with the hilly ecology. Because the tribal people more easily adjust with nature in different ways than that of the non Tribal Urban people. They are influenced by hills, valleys, rivers, fauna and flora. These factors determine the life style of the people in habiting the district . They depend more on nature and are less attracted by modernisation for which the process of urbanisation in the district is very slow and occurred of late.

However, in recent years, for the purpose of development various urban functions have been introduced. The main aim is to lead them to the same level of non tribal

society. But the attempt is yet to spread all over the district, remained concentrate only in estarn points. At present with limited urban functions the Pasighat town in the district is growing however, at a slow rate may be considered as a growth point from where the development activites spread to its surrounding areas.

According to 1991 census the town has a total population of 14,639 persons which is about 14.64 percentage of the total population of the district . All most all the urban population of the district are found in the Pasighat town. During the late 1960's extension of Govt. function is the main cause behind the development of the town. Later on, people from out side the state comes to hold trade and commerce, and other related services. People also came from adjoining rural areas to hold opportunities available in in the town. At present the tribal and non-tribal component of the town constitute 75.22% and 24.78% of the total population respectively.

POPULATION GROWTH IN PASHIGHAT TOWN

| Year | Total Population. | Decadial growth Rate in P. C. |
|---|---|---|
| 1961 | 2739 | —— |
| 1971 | 5116 | 86.78 |
| 1981 | 9193 | 78.64 |
| 1991 | 14639 | 59.24 |

*Source : H. N. Bora, Pasighat; its Past and Present*

Inspite of rapid population growth, internal growth of the town is very slow. It is due to poor means of communication together with the lack of basic industries. A few small industries like rice mill, beakery, oil crashing mill,saw mill are there in the town. The market is located in the middle of the town which serves the surrounding areas. The market has a modern look. It's surrounding consist of relatively congested 'kacha' houses inhabited by the poor section of people. In the absence of a good drainage system the market area becomes flooded during rainy season.

The town has been developing with the extension of socio-cultural facilities. It is one of the most important centre of higher education of the district. At the same time, it is also the head quarter, of the district.

It is due to slow and recent growth of urbanisation, township of Pashighat is yet to develop fully. The layout of the Pashighat township is essentilly a product of aggregation of Government buildings and residential quarters. It has a small core area with administrative buildings but its fring areas are completely rural in character. However, the core area, at present becoming a multifunctional service centre of manifold activites rending service to its countryside. The town has now become a center of marketing, trade, supply, banking transportation, education and medical facilities.

The transport and communication system of the town is to some extent developed than other parts of the district. It provids transport link to the other areas of

the district. The town is connected with Assam by road transport. Air services have been introduced to link the town with rest of the country. Airs services have been provided from the town to the very remote inaccessible areas. The extension of N.E. line upto Murkongselek (Assam) at a distances of 37 kms from the town has easied grately the problem of transport. The link with Assam is generally caused by road transport services.

Pasighat town has immence impact on the spread of education and socio-economic development in the surrounding rular areas. At the time of countries independence Pasighat had only one primary school. At present it has 6 primary schools, 4 middle schools, 1 Secondary and 1 Higher Secondray school. The degree college established in 1964 has provided the higher education facilities to its surroundiing areas.The college named as Jawaharlal Nehru college has contributed immensely towards higher education not only to its surronding areas but also to the entire Arunachal Pradesh as a whole.

However, the fring areas of the town are completely natural in charracter where both tribal and nontribal people live to render thier service to the town. It is the characteristic features of all the towns of N.E.R. of india. The growing interaction of the tribal people with the none-tribal people of the frings areas the socio-cultural attitudes of the tribal people have changed. The people are socio-economically influenced by the town. The slow growth of the town could not reach these perpherial areas of the town.

The peripherial zone of the town is characterised by tribal dwellings. But some houses of modern architecultural design have sprung up recently in the neighberhood of the town. A number of Basti areas, showing mixed character, are growing in the periphery of the town particularly arround market. The inhabitants of the Basti areas are mainly employies of the different offices and petty business men.

Inspite of slow growth and development, the town can play significant role in the development of the East siang of the State district as a whole if properly planned. As the town is located in an area surrounded by hills and with poor resource endowments, the town is now facing some problems. Backward tribal culture together with lower limits of transportation facility and industry have limited, not only its development of the town itself but also the socio-economic conditions of the region as a whole also.

Although the town is located in a area of poor resource base, the mountains have vast forest resources which can support industries like watch manufacturing, saw mill, paper industry and other related forest based industries. If the town is properly planned, giving due emphasis on the extension and improvement of rural

roads to connect with the town, it can contribute somethings towards the development of the region significantly. At the same time, it is also very important to give correct shape of the town with planning to make it to act as a growth generating pole in the region .

# জীৱনৰ চিনাকী

অসমৰ কেইগৰাকী মান যশস্বী কবি সাহিত্যিকৰ একোটা উপনাম ।

বনফুলৰ কবি ঃ— যতীন্দ্ৰনাথ দুৱৰা

কৰ্মবাদী (বিপ্লৱী) ঃ— অম্বিকাগিৰি ৰায় চৌধুৰী।

সাহিত্যৰথী (ৰসৰাজ) ঃ— লক্ষ্মীনাথ বেজবৰুৱা।

অগ্নি কবি ঃ— কমলাকান্ত ভট্টাচাৰ্য্য।

বকুল বনৰ কবি ঃ— আনন্দ চন্দ্ৰ বৰুৱা

বিহগীকবি ঃ— ৰঘুনাথ চৌধাৰী

বিপ্লৱী, বিদ্ৰোহী কবি ঃ— প্ৰসন্নলাল চৌধুৰী

ক্ষয়িষ্ণু কবি ঃ— গনেশ গগৈ

শেৱালী কবি ঃ— ৰত্নকান্ত বৰকাকতি

বাগ্মীবৰ কবি ঃ— নীলমণি ফুকন

গীতি কবি ঃ— পাৰ্বতী প্ৰসাদ বৰুৱা

অতিন্দ্ৰীয় বাদী কবি ঃ— নলিনী বালা দেৱী

ধ্বনি কবি ঃ— বিনন্দ চন্দ্ৰ বৰুৱা

জ্ঞানমালীনীৰ কবি ঃ— মফিজুদ্দিন আহমেদ হাজৰিকা

নিজৰাৰ কবি ঃ— শৈলধৰ ৰাজখোৱা

উপন্যাস সম্ৰাট ঃ— ৰজনীকান্ত বৰদলৈ

প্ৰতিমাৰ খনিকৰ ঃ— চন্দ্ৰকুমাৰ আগৰৱালা

সংগ্ৰাহক
শ্ৰী মামনী ডেকা

গল্প

# ভিন্ন অতিথি

ৰীতা দত্ত হাজৰিকা

"মা মোক বজাৰৰ লিষ্টখন দিয়া। অফিচৰ পৰা আহোতে একেবাৰে বজাৰত সোমাই আহিম"। ডাববু আহি মাকৰ বিচনাত বহিল। সি মাকতকৈ আগতে অফিচলৈ ওলাই যায়। চাকৰিত সোমোৱা মাত্র তিনি মাহ হৈছে, সেয়েহে সময়তকৈ আগতেই ওলাই যাব বিচাৰে। আহি পায়হি ছটামান বজাত।

মাকে বিশেষ একো নামাতি ড্রেচিং টেবুলৰ ড্রয়াৰ খুলি শ্লিপ এখন উলিয়াই ডাববুৰ হাতত দিলে। শ্লিপখন হাতত লৈ ডাববুৰ নিজৰ কোঠাত সোমাল। পকেটৰ পৰা বল পেনটো উলিয়াই ন, নম্বৰ মাংস, দহ নম্বৰ মাছ, ব্রেকেটত ইলিছ বুলি মুখেৰে শব্দ কৰি শ্লিপখনত লিখি থকা অৱস্থাতে ৰণি সোমাই আহি ল। ককায়েকৰ কান্ধৰ ওপৰেৰে জুমি চাই সুধিলে — "ৰাতিপুৱা চাহ খাবলৈ মতা নাছিলো জানো ? চাহৰ লগতে মাছ মাংসও খাব নেকি"?

ডাববুৱে ৰণিৰ কথাৰ কোনো উত্তৰ নিদিলে । তলমূৰকৈ থাকিয়েই ৰণিক সুধিলে — "তোৰ ক্লাচ কেতিয়ালৈকে আছে ? পাৰ যদি দুইমান বজাত কলেজৰ পৰা মোৰ অফিচলৈ আহিবি । ইমানবোৰ বজাৰ, তই থাকিলে সহায় হ'ব "।

ৰণিয়ে মূৰ দুপীয়াই সন্মতি জনাই কলে — "জিনাই কিবা গুটি অনাৰ কথা কৈছিল। কি গুচি বুলি কৈছিল জানো, বুলি কৈ মাতটো অলপ ডাঙৰকৈ উলিয়াই চিঞৰিলে — "জীনা, এই জীনা তই কি গুটি অনাৰ কথা কৈছিলি ? ডববুক ক, । সি বজাৰৰ লিষ্ট কৰি আছে"। জীনা লৰা লৰিকৈ কোঠালৈ সোমাই আহিল--- (আঁফুগুচি। ইলিছ মাছ আঁফুগুটিৰে যে মায়ে ৰান্ধে, দেউতাই ভাল পায়,ময়ো ভাল পাও আৰু তোমালোকেও ভাল পোৱা"। তায়ো স্কুললৈ যাব ওলাইছে । শনিবাৰ বাবে বগা সাজ পিন্ধিছে। চুলিত কলা ফিটা।

দহ বজাৰ আগে আগে ঘৰৰ আটাইকে ভাগে ভাগে উলিয়াই জেউতি ফুকনো অফিচলৈ লৰালৰিকৈ ওলাই গল। দুই মান বজাত ঘূৰি আহিয়েই পাক ঘৰত সোমাই ৰন্ধা-বঢ়াত লাগিল। ৰাতিৰ সাজ ৰান্ধি থব পাৰিলে ৰাতিপুৱাৰ খিনিলে তেওঁ যথেষ্ট সময় পায় । মনে মনে ৰাতিপুৱাৰ মেনুখন তেওঁ ঠিক কৰিয়েই পেলাইছে । দেউতাকে গৰম গৰম ফুলা লুচি ভাল পায়, লগতে ল'ৰা-ছোৱালী তিনিওটাৰে নিজৰ নিজৰ পছন্দৰ বস্তুও মেজত উলিয়ালে পৰিবেশটো আৰু বেছি ভাল হ'ব। অজানিতে জেউতি ফুকনৰ মুখত হাঁহি বিৰিঙি উঠিল।

আনদিনাতকৈ ঘৰখনৰ প্ৰত্যেকজন সদস্যই আজি সোনকালে আহিল। জীনা আহিয়েই ড্রয়িং ৰুমৰ দুৱাৰ মুখত থিয় হৈ চকু ঘূৰাই ঘূৰাই ইফালে সিফালে চাই মাকৰ ওচৰলৈ উৎসাহিত হৈ দৌৰি আহি সুধিলে — (মা, মা, বিয়াৰ পিছতেই তোলা বুলি কৈছিলা, তোমালোকৰ সেই ফটোখন কত থৈছা ?)

"যোৱা, প্রথমে ইউনিফর্ম যোৰ সলাই লোৱা । হাত মুখ ধুই কিবা এটা খোৱা। তাৰ পিছত কি কৰা কৰিবা"। মাকে উত্তৰ দিলে ।

"মই প্রথমে সেইটো কাম কৰিম। তাৰ পিছতহে তুমি কোৱাখিনি কৰিম। ঘৰটোলৈ সোমাই আহি মাক বাপেক আৰু ল'ৰাছোৱালীবোৰৰ হাঁহি থকা ছবি দেখিলে ঘৰখন সুখী পৰিয়াল সুখী পৰিয়াল যেন লাগে । আমিতো সুখী পৰিয়ালেই । কত থৈছা মা— প্লি—জ "।

"তুমি আজিকালি বৰ কথা কোৱা হৈছা । যোৱা দেউতাৰাৰ আলমাৰীটোৰ ওপৰতে বান্ধি থোৱা আছে । তুমি সেইবোৰ পিছে ঢুকি নাপাবা। ডাববু ৰণি আহিলে নমাই দিব "। মাকৰ কথা শেষ হোৱালৈ জীনা তাত ৰৈ থকা নাছিল ।

ডাববুৰ মটৰ চাইকেলৰ মাত শুনি মাক ওলাই আহিল । "ৰণি, তয়ো লগতে আহিলি যে ? ক'ত লগা-

লগি হলি "? কথাখিনি কৈ ডাববুয়ে কাষত বান্ধি অনা বজাৰৰ মোনাৰ আকৃতি দেখি কলে — "দৰমহা খিনি শেষ কৰিলি ? মইতো ইমান বস্ত আনিবলৈ দিয়া নাছিলো"।

"ময়ো কেইটামান প্লাচ কৰি দিলো। চাহ খাবলৈ আহি যদি দুপৰিয়াৰ সাজ খাই যাব ক'লে খায়েই যায়, সেই কাৰণে .................."। ডাববুৱে মূৰ তুলি মাকৰ মুখলৈ চাওতে চকুৱে চকুৱে পৰিল । সি কথাখিনি শেষ কৰিব নোৱাৰিলে । মাকে লৰালৰিকৈ ভিতৰ সোমাল। ডাববুৱে ভাৱলে মাজনীৰ বৰ কষ্ট হৈছে।

মা, জীনাক চোৱাহি কি কৰিছে? এইজনীয়ে চব শেষ কৰিব এতিয়া,নাম,নাম। কি লাগে তোক? কি বিচাৰিছা ? মা, চোৱাহিচোন । ৰণিয়ে সোমাই আহি জীনাক দেখি চিঞৰি উঠিল । জীনাই এখন চকীৰ ওপৰত সৰু মূঢ়া এটা বহুৱাই তাৰ ওপৰত ডাঙৰ পিৰা এখন পাতি লৈ আলমাৰীৰ ওপৰত ফটো বিচাৰি আছে । ৰণিয়ে লৰি থকা পিৰাখন ধৰি থাকি জীনাক নমাবলৈ চেষ্টা কৰি থাকোতেই ডাববু সোমাই আহি তাইক ডাঙি নমাই দিলে। ৰণিয়ে মূৰা আৰু পিৰাখন নমাই চকীৰ ওপৰত থিয় হৈ ক'লে— "ইমান ধূলি । জীনা, যাচোন ফুলঝাৰু এডাল আন"।

ফ্ৰেমত থকা ফটোবোৰ নমাই দিয়া বুলি কৈ জীনা ঝাৰু আনিবলৈ গল।

ৰাতি সোনকালে ভাত খাই শুই পৰিল আটাইবোৰ। ৰাতিপুৱা কোনেও কাকো জগাব নেলাগিল। অন্য দেওবাৰবোৰত সিহঁতে বিচনাৰ পৰাই কথা পাতি থাকে সাতমান বজালৈ। আজি কিন্তু সাত বজাত গা ধোৱা পৰ্য্যন্ত হৈ গল।

"মা মই ফুট-পাথৰ পৰাই হাৰাই এযোৰ পটককৈ লৈ আহোগে । দেউতাৰ হাৰাইযোৰ মই চিঙি থৈছো নহয়। কেনেবাকে হাৰাইজোৰ বিচাৰিলে চব উল্টা-পুল্টা হৈ যাব । আজি চবৰে মুদ ভালে থাকিব লাগিব "। ৰণি যাবলৈকে ওলাল।

"তহতে কিয় দেউতাৰৰ বস্তবোৰত হাত দিয়া। মই, মই, মোৰ, মোৰ কৰোতেই গল । কেতিয়াও আমি, আমাৰ বুলি ভাবিবলৈ নিশিকিলে মানুটোৱে । যা, সোনকালে আহিবি"। ৰণি লৰা-লৰিকৈ ওলাই গল।

দহ বাজি গল । তেতিয়াও জীনাহতৰ ৰাতিপুৱাৰ জলপান খোৱা হোৱা নাই। সকলো খোৱা মেজত সজাই থোৱা আছে । বৈ বৈ ঘৰৰ মানুহবোৰ লাহে লাহে গহীন হৈ আহিল । কোনোবা ওলাই চাই থকাটোও লাহে লাহে কমি আহিল । আটায়ে নিজৰ কোঠাত সোমালগৈ।

এনেতে ফোনটো বাজি উঠিল। জীনাই উৎকণ্ঠাৰে দৌৰি গৈ উঠালে — "হেল্ল, অ ডাববুদা তুমিহে -- নাই অহা -- কৰ পৰা কৈছা — চোৱানা চাহ খাবলৈ অহা মানুহ দহটা বাজিল দেখা দেখিয়েই নাই — ও— মৌলৈ ও মিঠা পান এখন আনিবা — গুছি আহা — থৈছো "।

জীনাই মাকৰ ওচৰলৈ আহি কলে –"ডাববুদা বৈ বৈ বৰ হৈ গৈছে । পান খাবলৈ গৈ পি-চি-অ টোৰ পৰা ফোন কৰিছে। আহিল নেকি বুলি । ক্ষন্তেক মনে মনে থাকি পুনৰ কলে —"মোৰ পিছে ভোক লগা নাই। তথাপিও মোক কোনোবাই চাহ খাবলৈ মাতিলে মই কিন্তু ৰাতিপুৱাই যাম। ইমান দেৰি নকৰো । মাকে তাইৰ মুখলৈ চালে কিন্তু একো নামাতিলে ।

এঘাৰ বজাত এটা ফোন আহিল । এইবাৰ কেবাবাৰো ৰিং হৈ থকাৰ পিছতো জীনা উঠি নাহিল । ৰণিৰ মুখত বিৰক্তিৰ চিন । ফোনটো ডাঙি উদাস ভাবে কলে — "হেল্ল, মই ৰণিয়ে কৈছো" । লগে লগে ৰণিৰ মাতটো সলনি হোৱা শুনা গল — "অ দেউতা –অ – অ–অ এক মিনিট ধৰি থাকা " ফোনটো নমাই থৈ মাকৰ ওচৰলৈ দৌৰি আহি কলে—"মা, দেউতাৰ ফোন। কিবা—" ৰণিৰ মুখৰ কথা কাঢ়ি মাকে কলে — "কিবা কাম ওলাল, আহিব নোৱাৰে নহয় "? মাতত আঘাত পোৱাৰ সুৰ স্পষ্ট।

"নহয় মা আহিব । দেউতা আহিব । কিবা নিব লাগিব নেকি বুলিহে সুধিছে"। ৰণিয়ে কথাখিনি শেষ কৰি মাকৰ উত্তৰৰ বাবে বাট চাই থাকিল । মাকে লগে লগে উত্তৰ নিদিয়াত জীনা -ডাববু-ৰণি তিনিওটাৰে উলাহ

বন্ধ হৈ যোৱাৰ উপক্ৰম হ'ল ।

এটা ডাঙৰ হুমুনিয়াহ কাঢ়ি মাকে কলে--- “নালাগে। একো নালাগে । চব আছে ঘৰখনত । আজি তিনিবছৰৰ আগতে যেনেকৈ এৰি গৈছিল তেনেকৈয়ে আছে । মাত্ৰ আবিহলৈ ক,। সোনকালে আহিবলৈ ক,। পাৰে যদি সেই মানুহজনীৰ পৰা একেবাৰে গুছি আহিবলৈ ক” । মাকৰ লগতে তিনিওটা লৰা-ছোৱালীৰে চকু সেমেকি উঠিল ।

# কৌতুক

গ্ৰাহক ঃ— হেৰা, মিঠাইটোৰ কিমান দাম ?

দোকানী ঃ— ৪ টকা ।

গ্ৰাহক ঃ— দিয়াচোন তাৰে এটা । কাজিয়া লগাৰ আগতে খাই লওঁ ।

দোকানী ঃ— (মিঠাই দিয়াৰ পিছত) আপুনি কি কাজিয়াৰ কথা ক'লে ?

গ্ৰাহক ঃ— (মিঠাই খাই উঠি) তেন্তে মই যাঁও ।

দোকানী ঃ— হেৰা, পইচাটো দি থৈ যাওক ।

গ্ৰাহক ঃ— সেয়া কাজিয়া লাগিলেই নহয় । মোৰ হাতত পইচা নাই ।

---

ৰোগী ঃ— ডাক্তৰ বাবু, ডাক্তৰ বাবু মই ৰাস্তাৰে গৈ থাকোতে তাই চাইকেলে খুন্দিয়াই কঁকালখন ভাঙিলে দৰব দিয়ক ।

ডাক্তৰ ঃ— এয়া লোৱা ঔষধ ।

ৰোগী ঃ— এয়া চোন কানৰ ঔষধ । মোক ককালৰ ঔষধহে লাগে ।

ডাক্তৰ ঃ— তুমি কাণেৰে চাইকেলৰ ঘন্টাৰ শব্দ শুনা নাছিলা কাৰণেহে খুন্দিয়ালে ।

*শ্ৰী ৰাণা জ্যোতি বৰুৱা*

## বাস্তৱ

গীতাঞ্জলী কলিতা

কোনো মানুহৰ মনত
আজি নাই শান্তি।
শৰীৰৰ ৰক্ত-কণিকাৰ মাজেৰে
প্লাৱিত হৈছে অশান্তিৰ নই।
বাস্তৱৰ নিষ্ঠুৰ, সচাঁ অনুভূতিত
দিশহাৰা হৈছে লোক
লৰৰি ফুৰিছে সকলোৰে আজি
বন্দুক বাৰুদ হাতত লৈ।
কত হেৰুৱালা মৰমৰ সংবাদ।
হত্যা প্ৰতিশোধ এইবোৰৰ
দামনো কিমান?
সকলো পাহৰি আজিৰ মানুহে
উন্মাদ আৱেগত
দৌৰিছে কেৱল।
হায়, মোৰ আজলি চেনেহী অসমী,
আজিৰ তোমাৰ কোলাতেই হৈছে
মানৱতাৰ অৱনতি।

## অপেক্ষা

সঞ্জয় কলিতা

ছাঁ-পোহৰৰ মেলাত
এন্ধাৰে দলিয়াই দিয়ে
বেলিটো,
দিগন্ত বগাই বগাই
মূৰ্চ্ছা গৈ পৰি থাকে সি
কোনোবা কবৰস্থানত
এন্ধাৰত বাৰুদৰ গোন্ধ
পোহৰত ফুলৰ সুবাস
পৃথিৱীৰ জীপাল বুকুত
হাত দুখন গুজি দি
সি আকৌ আহিব
বাৰুদৰ বিপৰীতে
ফুল-সুবাসেৰ
সৰগ ৰচাৰ এক
নতুন প্ৰতিশ্ৰুতি লৈ।

প্ৰবন্ধ

# কাৰ্বিসকলৰ "জহং" পূজা

## (এটি পৰিচয়)

শ্ৰীমতী নীৰা দাস

সকলো সমাজতে ধৰ্মৰ এক বিশেষ প্ৰভাৱ আছে। সামাজিক জীৱন পদ্ধতিয়ে ধৰ্মৰ শৃংখলা দিয়ে, পবিত্ৰতা দিয়ে আৰু বহু পৰিমাণে গতিশীলতাও প্ৰদান কৰে। উন্নত, অনুন্নত সকলো জাতিৰ মাজতে ধৰ্মৰ আচাৰ অনুষ্ঠান বিলাক সৌ তাহানি কালৰে পৰা আজিলৈকে প্ৰচালিত হৈ আহিছে। গুৱাহাটী কাহিলীপাৰাৰ নিচেই ওচৰতে থকা 'নৰকাসুৰ' নামৰ কাৰ্বি গাওঁখনতো এনেকুৱা কিছুমান বৈশিষ্ট্যপূৰ্ণ আচাৰ-অনুষ্ঠান পালন কৰা দেখিবলৈ পোৱা যায়। আমাৰ দেশীয় বছৰ গণনাৰ নিয়ম অনুসৰি বছৰৰ শুভাৰম্ভ অৰ্থাৎ বহাগ মাহৰ আদিতে এই কাৰ্বিসকলে পালন কৰা এটি পবিত্ৰ অনুষ্ঠান হল 'জহং'পূজা। চ'তৰ সংক্ৰান্তিৰ দিনাখনৰ পৰা আয়োজন কৰা এই পূজা উৎসৱ সপ্তম দিনা সামৰণি মৰা হয়। এয়া এওঁলোকৰ নৱবৰ্ষৰ এক অতি সুন্দৰ আৰু পৱিত্ৰ উৎসৱ। ভৈয়ামৰ অসমীয়া সকলে পালন কৰা সাত বিহুৰ লগত এই 'জহং' পূজাক ৰিজাই চাবৰ মন যায়। দুয়োটা অনুষ্ঠানতেই সামাজিক সংঘবদ্ধ জীৱন, গো-সেৱা, তথা গো-জাতিৰ শ্ৰীবৃদ্ধি, নিজৰ সমাজখনৰ সকলো ধৰণৰ সমৃদ্ধি কামনা, আগন্তুক কৃষি কৰ্মৰ উন্নতি আদিৰ সুন্দৰ মিল আছে। সম্ভৱত একে ঠাইৰ পৃথক গোষ্ঠীৰ মানুহ হলেও ভৌগলিক পৰিবেশ, জীৱন নিৰ্বাহৰ ব্যৱসায়, ঘাইকৈ কৃষিকৰ্ম আদিৰ কাৰণেই এই সাদৃস্য।

'জহং' শব্দটিৰ এক বিশেষ তাৎপৰ্য্য আছে। কাৰ্বিসকলৰ ব্যাখ্যা মতে 'জ'ৰ অৰ্থ হল "তপস্যা কৰা" আৰু 'হং'ৰ অৰ্থ হল "লাভ কৰা"। অৰ্থাৎ 'জহং' শব্দই তপস্যাৰ যোগেদি লাভ কৰা কথাকে সূচায়। যিহেতুকে তেওঁলোকৰ সমাজত ধৰ্মবিশ্বাস অনুসৰি ইন্দ্ৰই হল শ্ৰেষ্ঠ দেৱতা, গতিকে তপস্যা কৰি বিশেষ কোনো সম্পদ লাভ কৰিবলৈ হলে শ্ৰেষ্ঠ দেৱতাজনৰ ওচৰত তপস্যা কৰা নিতান্তই দৰকাৰ। সেইবাবেই 'জহং' শব্দই ইন্দ্ৰ দেৱতাক নিৰ্দেশ কৰে। তেওঁলোকৰ সৰল লোক-বিশ্বাস অনুসৰি, তেওঁলোকৰ পৰম্পৰাগত ধাৰণা আৰু বিশ্বাসমতে-মৰ্ত্যৰ মানুহে, স্বৰ্গৰ দেৱতা ইন্দ্ৰৰ ওচৰত এবাৰ হেনো সৌ অতীজতে প্ৰতিবাদ কৰিছিল। কিয়নো ইন্দ্ৰ দেৱতাৰ কাৰণেই হেনো মৰ্ত্যত অমৃতৰ অভাৱ হৈছিল আৰু অমৃত খাবলৈ নাপাই বিপুল সংখ্যক মানুহৰ মৃত্যু হোৱাৰ উপক্ৰম হৈছিল। সেই প্ৰতিবাদৰ ফলস্বৰূপে ইন্দ্ৰ দেৱতাই হেনো সোণৰ জখলাৰে পৃথিৱীলৈ নামি আহি মানুহৰ জীৱন ৰক্ষা কৰিছিল। এই বিশ্বাসকে সৰোগত কৰি ইন্দ্ৰৰ কৃপাৰ কল্পনাৰে বছৰৰ আৰম্ভনিতে 'জহং' পূজাৰ আয়োজন কৰা হয়। এই পূজাৰ অপৰিহাৰ্য্য উপচাৰ 'অমৃত' পান কৰি ভক্তসকলে দীৰ্ঘ জীৱন লাভ কৰে। ইন্দ্ৰ পূজাৰ বেদীত এই অমৃত অৰ্পণ কৰা হয়।

'জহং' পূজাত কেতবোৰ ঘৰুৱা সামগ্ৰীও ব্যৱহাৰ কৰা দেখা যায়। নিজৰ ঘৰত বিশেষ যত্ন সহকাৰে প্ৰস্তুত কৰা মদ এই পূজাৰ বাবে এক অপৰিহাৰ্য্য দ্ৰব্য। এই মদ দৰাচলতে 'জহং' দেৱতাৰ উদ্দেশ্য আগবঢ়োৱা অমৃত বুলি ধৰি লোৱা হয়। এই অমৃতকে তেওঁলোকে "বঙ্" বোলে। ইয়াৰ বাবে লাগতিয়াল পাত্ৰ হল লাউৰ খোল। তেনেকুৱা ছয়টা লাউৰ খোলত মদ আৰু আন ছটাত পবিত্ৰ পানী ৰখাৰ নিয়ম। তেওঁলোকৰ বিশ্বাসমতে অতীজতে হেনো এই বাৰটাত অমৃত ৰখা হৈছিল। এতিয়া অমৃতৰ অভাৱত অমৃতৰূপে ধৰি লৈ মদ আৰু পানীকে আগ কৰি পূজাৰ আয়োজন কৰে।

এই পূজাৰ আয়োজনৰ লগত নৱ-বৰ্ষৰ শুভ সূচনা জড়িত। চ'তৰ সংক্ৰান্তিৰ দিনটো কাৰ্বিসকলে গৰু বিহু হিচাবে পালন কৰে। কৃষি কৰ্মৰ ঘাই সম্বল গৰুক উদ্দেশ্য কৰি গৰু-বিহু পালন কৰা হয়। এই গো সেৱা গো জাতিৰ শ্ৰীবৃদ্ধিৰ

বাবে পালন কৰা ৰীতি নীতিয়ে 'জহং' পূজাক কৃষি কৰ্মৰ শুভাৰম্ভৰ লগতে জড়িত কৰিছে বুলি মন্তব্য কৰিব পাৰি ।

বহাগ মাহৰ ১ তাৰিখে 'জহং' দেৱতাৰ উদ্দেশ্যে এখন থাপনা পতা হয় । মাটিৰ ওপৰত ঢিপ দি এই থাপনা সজোৱা হয় । পূজাৰ বেদীখন প্ৰায় ১৩ ফুটমান দীঘল আৰু ডেৰ ফুটমান বহল । বেদীত কোনো বিগ্ৰহ ৰখা নহয় । তেওঁলোকৰ পূজাত মূৰ্তিৰ প্ৰচলন নাই । লোহাৰ গছাৰ ওপৰত এটা ডাঙৰ মাটিৰ প্ৰদীপ সৰিয়হ তেল দি জ্বলোৱা হয় । গধূলি সময়ত এই গচা চাকি ইন্দ্ৰ দেৱতাৰ উদ্দেশ্যে আগবঢ়োৱা হয় । সেইদিনা 'জহং' দেৱতাক উদ্দেশ্য কৰি এটা পঠা বলি দিয়া হয় । বগা পঠা উত্তম বলি বুলি ধৰা হয় । কুকুৰা পোহাটোও তেওঁলোকৰ ৰীতি । এই কুকুৰাও দেৱতাক উদ্দেশ্য কৰি বলি দিয়ে । যিহেতুকে কাৰ্বিসকল বলি বিধানত বিশ্বাসী সেয়ে সুদূৰ অতীজৰে পৰা আজিলৈকে বলি-বিধান চলি থকা দেখা যায় । অৱশ্যে দেৱতাক সন্তুষ্ট কৰাৰ উদ্দেশ্যেহে তেওঁলোকে এই বলি-বিধান দিয়ে ।

কাৰ্বিসমাজত তামোল- পাণৰ এক বিশেষ মৰ্য্যাদা আছে । সামাজিক জীৱনৰ দৰে ধৰ্মীয় উৎসৱ অনুষ্ঠান আদিটো তামোল-পানৰ ব্যৱহাৰ অত্যন্ত দৰকাৰী । পূজাৰ নৈবদ্য খনীয়া তামোল-পাণৰ সৈতে ধুনীয়াকৈ সজাই দেৱতাৰ উদ্দেশ্যে আগবঢ়ায় । নৈবদ্য উপাচাৰৰ দৰে আগবঢ়োৱা সামগ্ৰীৰ ভিতৰত ভাল চাউলৰ টোপোলা, আদা, শুকান গৰৈ মাছ বা কুছীয়া মাছ আদি যথাবিধি দিয়া হয় । কোনো, কোনো সময়ত মাছ পানীত সিজাই গোটে গোটে পূজাৰ উপচাৰত দিয়াৰ নিয়মো প্ৰচলিত আছে । সেই মাছৰ লগত শুকান জলকীয়া, জালুক আদি মিহিঁকৈ বটি বৰ যত্ন সহকাৰে লেপি দিয়া হয় । পূজাৰ অনুষ্ঠান শেষ হোৱাৰ পিছত এই দ্ৰব্য বিলাক তাত থকা সকলো মানুহকে প্ৰসাদ ৰূপে বিলাই দিয়া হয় ।

কাৰ্বিসকলে এই পূজাত তুলসীৰ পাত ব্যৱহাৰ কৰে । তেওঁলোকে তুলসীক পৱিত্ৰ জ্ঞান কৰে । অৱশ্যে এই তুলসীৰ কিছুমান বিশেষ গুন থকাও দেখা যায় । কিছুমান ৰোগৰ ক্ষেত্ৰত ই দৰৱৰ কাম কৰে । সেইকাৰনেও তেওঁলোকে তুলসী ব্যৱহাৰ কৰিব পাৰে । নতুবা ইয়াৰ ব্যৱহাৰ হিন্দুৰ ব্ৰাক্ষ্মণ্য ধৰ্মৰ প্ৰভাবো হব পাৰে । কিন্তু এই পূজাত তুলসী পাতৰ ব্যৱহাৰ একান্তই আৱশ্যকীয় ।

বসন্ত ঋতুত 'জহং' পূজা অনুষ্ঠিত হয় । এই সময়তে অসমৰ হাবিয়ে-বননিয়ে অপূৰ্ব শোভা ধাৰণ কৰে। এই বতৰতে ৰমক জমককৈ ফুলি উঠা মিৰচাৰন (নাহৰ), কুলুডে াম (কেতেকী), মিচুচু (অশোক) আদি ফুলবোৰ কাৰ্বি সকলে তেওঁলোকৰ 'জহং' পূজাত ব্যৱহাৰ কৰে । এই বসন্ত ঋতুত ফুলা ফুল সমূহৰ পূজাত ব্যৱহাৰো লেখত লবলগীয়া।

সধাৰণতে কাৰ্বিগাওঁৰ মুখিয়ালজনৰ ঘৰত এই পূজা অনুষ্ঠিত হয় । এই পূজাত ব্ৰাক্ষ্মণ বা তেনে কোনো পুৰোহিতৰ প্ৰয়োজন নহয় । তেওঁলোকৰ ধৰ্মীয় আচাৰ অনুষ্ঠান আদি পূৰ্বৰ ৰীতি অনুসৰি চলি আহিছে । গাঁৱৰ যিজন দেউৰী তেওঁ পূজা - পাতলৰ কাৰ্য্য সমূহ সম্পাদন কৰা দেখা যায় । তাত ব্ৰাক্ষ্মণৰ স্থান নাই । পূৰ্বৰে পৰাই প্ৰচলিত এই নিয়ম আজিও তেওঁলোকৰ মাজত প্ৰযোজ্য হৈ আছে ।

'জহং' পূজাৰ লগত বিভিন্ন নৃত্য-গীত আদিও জড়িত হৈ আছে । সাধাৰণতে ৰণৰ নৃত্য, জুম খেতিৰ নৃত্য, আদি ইয়াৰ লগত চলি অহা দেখা যায় । 'ৰণ' নৃত্যত তেওঁলোকে ঢাল তৰোৱাল লৈ ৰণৰ ভঙ্গীত নৃত্য কৰে । এই তৰোৱাল খনৰ আকৃতি একেবাৰে পোন, তাত কোনো ভাঁজ নাই, কিম্বা সামান্য ভাৱেও বেঁকা নহয়। তৰোৱাল খনৰ বিশেষত্ব হল ---- দুয়োফালৰ তীক্ষ্ন ধাৰ । আগটোও সম্পূৰ্ণ জোঙা, প্ৰয়োজন হলে খোচ মাৰি শত্ৰুক বধ কৰিব পৰা বিধৰ । যুদ্ধত আত্ম ৰক্ষাৰ বাবে যিদৰে ঢাল ব্যৱহাৰ কৰে ঠিক সেইদৰে কাৰ্বিৰ ৰণ নৃত্যটো ঢাল ব্যৱহাৰ কৰা হয় । এই ঢাল খন আকাৰত আচলতে ডাঙ ৰ । যুদ্ধত শত্ৰুৰ পৰা নিজৰ দেহ ঢাকিব পৰা ধৰনৰ, কিন্তু আজিকালি নাচৰ সুবিধাৰ বাবে কিছু সৰু কৰি লোৱা হৈছে । এইয়া যুগৰ প্ৰভাৱ । ঢালৰ ওপৰ ভাগটো কিছু গোলাকাৰ । যুদ্ধত তৰোৱালৰ আক্ৰমনৰ পৰা নিজক ৰক্ষা কৰিবলৈ এই ঢাল ব্যৱহাৰ কৰা হয় । গতিকে এই ৰণ নৃত্যটো যুদ্ধৰ নিচিনা অংগী ভংগী কৰি অন্যান্য নৃত্যৰ দৰে কিছু পৰিমানে কঁকাল ভাঙি এই নৃত্য কৰা হয় । এই নৃত্যৰ লগত আন কাৰ্বি নৃত্যৰ হাতৰ অংগী ভংগী, গাৰ লয় লাস গতি

আদিৰ পাৰ্থক্য সহজে চকুত পৰে । ঢোল, মৰিপ পেঁপা আদি বাদ্য-যন্ত্ৰও তেওঁলোকে ব্যৱহাৰ কৰে ।

জুম নৃত্য কাৰ্বি সকলৰ জুম খেতিৰ লগত অতি ঘনিষ্ঠ ভাবে জড়িত । তেওঁলোকে জুম আৰম্ভ কৰাৰ আগতে এই নৃত্যানুষ্ঠান পালন কৰি খেতিৰ সমৃদ্ধি কামণা কৰাৰ উপৰিও সমাজৰ মঙ্গলাৰ্থে ঈশ্বৰৰ ওচৰত মূৰ দোৱায় । কৃষি কৰ্মৰ লগত জড়িত এই জুম নৃত্য গাৰো সকলৰ ওৱাংগালা আৰু ৰংচুগালা, অসমীয়াৰ বহাগ বিহুৰ লগত ৰিজাব পাৰি ।

পূজাত ব্যৱহৃত সা-সজুলী সমূহ (ঢাল,তৰোৱাল ইত্যাদি ) যিজন ব্যক্তিৰ ঘৰত ৰখা হয় তেওঁক 'বাঙথাই' বুলি কোৱা হয় । তেওঁ পুৰুষানুক্ৰমে এই দায়িত্ব সমূহ লাভ কৰা দেখা যায় ।

বহাগৰ ৬ তাৰিখে সাত বিহুৰ মেলা পতা হয় । সেইদিনা গধূলী সময়ত জহং দেৱতাৰ উদ্দেশ্যে পতা থাপনাখন উঠাই দিয়া হয় । সেইদিনাই জহং পূজাৰ সামৰণি মৰা হয় ।

'জহং' পূজা অনুষ্ঠিত হোৱা সময় বা ঋতু, বিধি ব্যৱস্থা, আচাৰ-বিচাৰ, পূজাৰ সা-সামগ্ৰী, উপাচাৰ দ্ৰব্য, উৎসৱ মুখৰ গীত- মাত- নৃত্য আদি সকলোবোৰ দিশলৈ চালি জাৰি চালে দেখা যায় যে ই নৱ-বৰ্ষাৰম্ভৰ লগত জড়িত । এই পূজাই কাৰ্বি সকলৰ সামাজিক সংঘবদ্ধ জীৱনৰ উপৰিও কৃষিকৰ্মত প্ৰাধান্যতাৰ কথাৰো ইংগিত দিয়ে । এইদৰে 'জহং' পূজাই কাৰ্বি সমাজত এক বিশেষ গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে । অৱশ্যে আধুনিক শিক্ষা-দীক্ষা আৰু জীৱন পদ্ধতিয়ে পূজাৰ কিছু কিছু নতুন ৰীতি-নীতিৰো সূচনা কৰিছে । এইয়া কালৰ প্ৰভাৱ । তৎসত্বেও পূজাৰ প্ৰাচীন ঐতিহ্য আজিও ম্লান পৰা নাই ।

সেইবাবেই কাৰ্বি সমাজৰ বিষয়ে বিতং ভাৱে জানিবলৈ 'জহং' পূজাৰ সুক্ষ্ম বিচাৰ আৰু অধ্যয়ন অত্যন্ত অপৰিহাৰ্য্য। বৃহৎ অসমীয়া জাতিটোৰ নানা ৰং বিৰঙৰে সমৃদ্ধ সংস্কৃতিৰ পূৰ্ণ পৰিচয়ৰ কাৰণেও এনেকুৱা উৎসৱ পৰ্বৰ চিন্তা চৰ্চাৰ দৰকাৰ ।

## মহৎ লোকৰ বাণী

পৰীক্ষাত নকল কৰাটো যিমান দোষ, আনজনৰ পৰা চাই লিখাটোও সিমান দোষ ।

*— জনচন*

ধন হেৰালে একোৱে নেহেৰায়, স্বাস্থ্য হেৰালে সম্পদ হেৰায়, কিন্তু চৰিত্ৰ হেৰালে সকলো খিনিয়েই হেৰায় ।

*—চক্ৰেটিচ*

ঈশ্বৰ মানে সত্য, সত্য মানে হল শান্তি, নি:সন্দেহ ঈশ্বৰ সত্যৰ সমৰ্থক । সত্যৰ সদায়েই জয় ।

*— মহাত্মা গান্ধী*

মহাপুৰুষৰ জন্ম হয় মানুহক সজাগ আৰু সহায় কৰিবলৈ ।

*— জৱাহৰলাল নেহেৰু*

গল্প

# সংগী

মিনু দাস

খিৰিকিখন খুলি দি অৰূপ বৰুৱাই এটা দীঘল উশাহ ল'লে । এৰা ঃ চিনাকি মাটিৰ গোন্ধ । কিন কিনিয়া বৰষুণত সেমেকা মাটিৰ গোন্ধটোৱে বৰুৱাক গভীৰ সুখ প্ৰদান কৰে । তামিলনাডুৰ শুকান জলবায়ুৰ মাজৰ পৰা আহি অৰূপ বৰুৱাই সদায়ে অসমৰ মাটিৰ জীপাল গোন্ধৰ প্ৰতি অজান আকৰ্ষণ অনুভৱ কৰে । চকু দুটা মুদি বৰুৱাই আকৌ এবাৰ দীঘলীয়া উশাহ এটা ল'লে । দুই এটা পানীৰ টোপাল আহি বৰুৱাৰ গায়ে মুখে পৰিলে । বৰুৱাই তেওঁৰ গাতে গা লগাই বহি থকা বুঢ়া মানুহ জনলৈ চালে । ভেলোৰৰ পৰা আহিছে । কেন্সাৰ পেচেন্ট । ডাক্তৰে "লাষ্ট ষ্টেজ" বুলি কোৱাত বুঢ়াক একো নজনোৱাকৈ পুতেকে হস্পিতালতে থৈ গুছি আহিছিল । পিছত বুঢ়াই নিজৰ আসন্ন মৃত্যুৰ কথা জানিব পাৰি ঘৰ অভিমুখে ট্ৰিবান্দ্ৰম এক্সপ্ৰেছত উঠিছে । মানুহ ইমান স্বাৰ্থপৰ হ'ব পাৰে বুলি অৰূপে বিশ্বাসেই কৰিব নোৱাৰে । নাই, মানুহজনৰ গাত বৰষুণ পৰা নাই । তেওঁ নিচিন্ত মনে টোপনি গৈছে । সমুখৰ চিটখনত মাদ্ৰাজী পৰিয়ালটোৰ মহিলাগৰাকীয়ে বুকুত কেচুৱাটো লৈ দীঘল দি শুই পৰিছে । সোঁহাতৰ চিটখনৰ মাজত ব্ৰিফকেছ এটা পাৰি লৈ কেইজনমানে টাচ খেলিছে । অৰূপ বৰুৱাই চাৰিওফালে দৃষ্টি নিক্ষেপ কৰি এইবাৰ থিয় হৈ ওপৰৰ বাঙ্কত থকা তেওঁৰ লাগেজ আৰু ট্ৰাঙ্কটো ঠিকেই আছেনে নাই চাই পুনৰ চিটখনত বহি পৰিল । খিৰিকিৰে চেঁচা বতাহ আহিছে । বৰুৱাই বাহিৰলৈ চালে । প্ৰচণ্ড বেগেৰে নিশাৰ নিস্তব্ধতা আৰু অন্ধকাৰ ফালি ট্ৰিবান্দ্ৰম এক্সপ্ৰেছ গুৱাহাটী অভিমুখে আগবাঢ়িছে । বৰুৱাই এইবাৰ হাতৰ ঘড়ীটোলৈ চালে নিশা ১ বাজিছে । কাইলৈ আবেলিমানে গুৱাহাটী পাবগৈ। গুৱাহাটী পোৱাৰ কথা ভাৱিয়ে বৰুৱাৰ মনটো ভাল লাগি গ'ল ।

২

টিৰাছিৰাপল্লীৰ ইঞ্জিনিয়াৰিং কলেজৰ পৰা ইঞ্জিনিয়াৰিং পাছ কৰি ওলোৱা বছৰতেই তামিলনাডুৰ বি, এইছ, ই, এলত তেওঁ চাকৰি পায় । ঘৰখনৰ ডাঙৰ ল'ৰা হিচাপে অৰূপৰ ওপৰত ঘৰখনৰ দায়িত্ব বেছি । চাকৰিৰ পৰা অৱসৰ প্ৰাপ্ত দেউতাক, পঢ়ি থকা ভায়েক ভনীয়েক আৰু মাকৰ প্ৰতি থকা দায়িত্বৰ কথা ভাবিয়েই অৰূপে চাকৰিৰ এই সুযোগ গ্ৰহন কৰিলে । স্কুলীয়া শিক্ষা শেষ কৰাৰ পাছত উচ্চ শিক্ষাৰ বাবে ঘৰৰ পৰা বাহিৰত কটাবলগীয়া হোৱা অৰূপ বৰুৱাই ভাৰত হেভী ইলেকট্ৰিকেল লিমিটেডৰ কোৱাৰ্টাৰত থাকিবলগীয়া হোৱাত বিশেষ অসুবিধা পোৱা নাছিলে । ছুটীত ঘৰলৈ আহে । মাক - দেউতাক, ভাই - ভনীৰ অফুৰন্ত মৰমৰ মাজত কটাই, এটা গধূৰ মনলৈ পুনৰ কৰ্মব্যস্ত জীৱনলৈ উভতি যায় । হুলস্থূল ঘৰুৱা পৰিবেশৰ পৰা কোম্পানীৰ শাৰীপাতি সজাই দিয়া আৱাসগৃহৰ মাজৰ নিঃসঙ্গ জীৱনলৈ ঘূৰি যোৱাৰ এসপ্তাহমান সময় অৰূপে কিছু অসহজ অনুভৱ কৰে যদিও পিছলৈ সি সহজ হৈ পৰে । অৰূপৰ এই দায়িত্ব বোধ অধিক গধূৰ যেন অনুভৱ হয় সেইদিনা, যিদিনা তেওঁৰ জীৱনলৈ অৰুণিমা আহে । মাক দেউতাকে জোৰ কৰিয়ে অৰূপক বিয়া পাতি দিয়ে অৰুণিমা হাজৰিকাৰ সৈতে ।

৩

অৰুণিমা হাজৰিকা । এটা মিঠা নাম । স্থানীয় কলেজ এখনৰ অধ্যাপিকা অৰুণিমাই অৰূপৰ জীৱনলৈ বোৱাই আনে সীমাহীন মৰমৰ সাগৰ । অৰূপৰ নিঃসঙ্গ জীৱনটোক অৰুণিমাই প্ৰেমেৰে ভৰাই তোলে । ছুটীৰ দিনকেইটাত অৰুণিমা অৰূপৰ বাবে ব্যস্ত হৈ পৰে ।

অৰূপ, এইবাৰ দীঘলীয়া ছুটীলৈ আহিছা নহয় ? কেইটামান দিনৰ ছুটী লৈ অহা অৰূপক প্লেটফৰ্মৰ ভিৰৰ মাজতেই অৰুণিমাই প্ৰশ্ন কৰে । যোৱা ত্ৰিশটা বছৰে অৰূপে অৰুণিমাৰ এইটো প্ৰশ্নৰ সন্মুখীন হৈ আহিছে আৰু অনুভৱ কৰি আহিছে অবৰ্ননীয় মাদকতা । প্লেটফৰ্মৰ ভিৰৰ মাজতেই ট্ৰেনৰ পৰা নমা অৰূপক কৰা এই আবেগ বিহ্বল প্ৰশ্নৰ পাছতেই আৰম্ভ হয় তামিলনাডুৰ অৰুণিমাবিহিন

নিঃসঙ্গ মূহূৰ্তবোৰ মৰমেৰে পূৰাই লোৱাৰ চেষ্টা । গুৱাহাটীৰ প্লেটফৰ্মৰ পৰাই অৰুণিমাৰ এই প্ৰচেষ্টা আৰম্ভ হয় ।

৪

বেগকেইটা নমাই লওঁ বুলি অৰূপ বৰুৱাই এইবাৰ থিয় দিলে । শৰাইঘাট দলঙৰ ওপৰেৰে ৰেলখন ধীৰ গতিৰে আগবাঢ়িছে । সন্মুখৰ মাদ্ৰাজী মহিলাগৰাকীয়ে বেগটোৰ পৰা পইচা এটা উলিয়াই ব্ৰহ্মপুত্ৰৰ পানীলৈ দলিয়াই দি ভক্তি ভাৱেৰে সেৱা জনালে । গিৰিয়েকে মাল পত্ৰবোৰ বন্ধাত লাগিছে । অৰূপে নিজৰ ভি, আই, পি, টো নমাই আনি তলত থ'লে । বুঢ়াজনে ইতিমধ্যে নিজৰ সৰু ব্ৰিফকেছটো ভৰিৰ মাজত লৈ নামিবলৈ সাজু হৈছে । অৰূপে বুঢ়াৰ মুখলৈ চালে । এটা অলস চাৱনিৰে বুঢ়াই দূৰ ব্ৰহ্মপুত্ৰত বুৰ যাব খোজা বেলিটোলৈ চাই আছে । বুঢ়াৰ মুখত আনন্দৰ কোনো ভাব নাই । মানুহে আপোন জনৰ ওচৰতো ইমান নিঃসঙ্গ অনুভৱ কৰিব পাৰে বুলি ভাবিবই নোৱাৰে ।

৫

যাত্ৰীৰ ভিৰ ঠেলি মই বগিৰ দুৱাৰ মুখত থিয় দিলো । অৰুণিমাই মোক নেদিখি চিন্তাত পৰিব বুলি সদায়ে মই এইদৰে ৰেলৰ ডবাৰ দুৱাৰ মুখত থিয় দিও । প্লেটফৰ্মত মোলৈ বাট চাই থকা অৰুণিমাৰ চকুত সহজেই পৰাকৈ আজিও ডবাৰ দুৱাৰমুখত থিয় দিলো । মই জানো মোক দূৰৰ পৰাই দেখি অৰুণিমাৰ মুখত এটা আনন্দৰ ভাৱ ফুটি উঠি আৰু এক প্ৰকাৰ দৌৰি আহি মোৰ হাতত ধৰি কৈ উঠিব—

তুমি একেবাৰে গুছি আহিছাতো ? আজি কিন্তু মই আন দিনাৰ দৰে হাঁহি মাৰি ক্ষান্ত নাথাকো । অৰুণিমাক দুগুণ উৎসাৰে চিঞৰি কম --- চোৱা, মই একেবাৰেই গুছি আহিছো । আৰু তোমাৰ কাষৰ পৰা উভতি নাযাওঁ।

ট্ৰেন আহি প্লেটফৰ্মত ৰ'ল । এটা অনাবিল অথচ চিনাকি আনন্দই মোক আগুৰি ধৰিছে । যাত্ৰীৰ ভিৰৰ মাজত সেই চিনাকি মুখৰ প্ৰশ্নটো শুনিবলৈ বাট চাই ৰ'লো। কিন্তু, অৰুণিমা দেখোন নাই । দুচকুৰে ঢুকি পোৱালৈকে সমগ্ৰ প্লেটফৰ্মখনৰ ওপৰেৰে মোৰ দৃষ্টি তীব্ৰ বেগেৰে অৰুণিমাক বিচাৰি উভটি আহিল । নাই ! আজি ত্ৰিশটা বছৰে থকাৰ দৰে গুৱাহাটী ৰেলষ্টেচনৰ প্লেটফৰ্মত অপেক্ষাৰত অৱস্থাত অৰুণিমাক নেদেখি মই ভীষণ আচৰিত হৈছো । এনেতো কেতিয়াও হোৱা নাই ।

--- "ছাৰ ।" কাৰোবাৰ মাতত মোৰ সম্বিত ঘূৰি আহিল । মাতটো অনুসৰণ কৰি দেখিলো সেয়া আমাৰ গাড়ীৰ ড্ৰাইভাৰ হীৰেণ ।

---"বাইদেউ অহা নাই ?" মই হীৰেণলৈ চাই প্ৰশ্ন কৰিলো ।

---"নাই । সৰুমইনা দিল্লীলৈ গৈছিল অফিছৰ কামত । তেওক আনিবলৈ এয়াৰপৰ্টলৈ গৈছে ।" বুলি কৈয়ে হীৰেণে মোৰ লাগেজবোৰ নমাবলৈ বগিৰ ওপৰলৈ উঠি গল ।

৬

অৰূপ বৰুৱাই ভি, আই, পিটো ল'বলৈ হাত আগবঢ়াই দি, হঠাৎ হাতখনলৈ চকু পৰি ৰৈ গল । তেঁওৰ সোতোৱা পৰা হাতৰ ছালে বুজাই দিলে অৰূপৰ বাৰ্ধাক্যৰ কথা । এৰা! তেওঁ আজি অৱসৰ প্ৰাপ্ত ৬৫ বছৰীয়া এজন বৃদ্ধ ! নিসংগ ভাৱে বৰুৱাই প্লেটফৰ্মৰ মানুহৰ মাজলৈ চাই পঠিয়ালে . ভেলোৰৰ পৰা অহা সেই বুঢ়াজন প্লেটফৰ্মৰ বেঞ্চ এখনত বহি কিবা ভাবি থকা দেখি অৰূপ বৰুৱাই লাহে লাহে বুঢ়াৰ ওচৰলৈ খোজ আগবঢ়ালে । বুঢ়াজন যেন তেওঁৰ বহু দিনৰ চিনাকি আৰু আপোন ।

............

## শ্বহীদ

সোনপাহী কলিতা

হে শ্বহীদ তোমাক সহস্ৰ প্ৰণাম
তোমাৰ তেজেৰে বোলালা
আজিৰ এই সোণৰ অসম
তোমাৰ তৰোৱালৰ ওচৰত
হাৰ মানি গ'ল
এই দুৰ্নীতিগ্ৰস্ত সমাজখনৰ
এজাক শিয়াল- কুকুৰ
নোৱাৰিলে সহিব তোমাৰ তীক্ষ্নবাণ
তৰোৱালৰ ঘাপ
হে শ্বহীদ তোমাক সহস্ৰ প্ৰণাম
তোমাক এই পৃথিৱীত জীয়াইৰাখিবলৈ
আমি আজি সকলোৱে সংকল্পবদ্ধ,
তোমাৰ মনৰআশাভৰসা
আমি সকলোৱে কৰিম বাস্তৱত পৰিণত
তোমাৰ মৃত্যুৱে এইপৃথিৱীত আনি দিলে
শত শত অসমীৰ সন্তান
বুকুত অসীম সাহসআৰু দেহত অসীমবল
হে শ্বহীদ
তোমাৰএই পৃথিৱীত কেতিয়াও মৰণ নাই
তোমাৰ এইপৃথিৱীৰ
কেতিয়াও বিনাশ নাই
হেশ্বহীদ তোমাক সহস্ৰ প্ৰণাম।

## শৰতৰ উপহাৰ

সুকণ্যা ডেকা

এতিয়া শেৱালী ফুলাৰ বতৰ
এতিয়া সময় হ'ল,
ফৰকাল আকাশত নিৰ্মল জোনাকে হঁহাৰ,
এতিয়া সময় হ'ল
শৰতক আঁদৰি অনাৰ
তথাপিতো কিয় জানো
মোৰ মনৰ পৃথিৱীত শৰত নেনামিল।
পোনাকন,
আৰু অৰ্দ্ধাহাৰী অনাহাৰী দেহেৰে বাঁহীবন কৰা
"জোনাকী"ৰ চকু পানীবোৰ
ধুই জানো নিকা কৰিব পাৰিব
এই শৰতে?

# "TO REMEMBER ME......."

Baby Paul

The day will come when my body will lie upon a white sheet neatly tucked under four corners of a mattress located in a hospital busily occupied with the living and the dying. At a certain moment a doctor will determine that my brain has ceased to function and that, for all intents and purposes, my life have stopped.

When that happens , do not attempt to instil artificial life into my body by the use of a machine .and don't call this my death bed . Let it be called the bed of life, and let my body be taken from it to help others lead fuller lives.

Give my sight to the man who has never seen a sunrise, a baby's face or love in the eyes of a woman .Give my heart to a person whose own heart has caused nothing but endless days of pain. Give my blood to the teen ager who was pulled from the wreckage of his car, so that he might live to see his grand-children play. Give my kidneys to one who depends on a machine to exist from week.Take my bones,every muscle, every fiber and nerve in my body and fine a way to make a crippled child walk.

Explore every corner of my brain. Take my cells, if necessery, and let them grow so that someday, a speechless boy will shout at the crack of a bat and a deaf girl will hear the sound of rain against her window.

Burn what is left of me and scatter the ashes to the winds to help the flowers grow. If you must bury something, let it be my faults, my weaknesses and all prejudice against my fellow man.

Give my sins to the devil, give my soul God. If, by chance, you wish to remember me, do it with a kinddeed or word to someone who needsyou. If you do all I have asked, I will live for ever.

●●●●●●●●●●

"আনক সমালোচনা কৰাৰ আগতে নিজক জানি লোৱা"

--- ছক্রেটিচ

# বহ্নিমান অসম

শ্ৰীপদ্মলোচন দাস

অশান্ত প্ৰহৰৰ এই সন্ধিক্ষণত
প্ৰস্ফুটিত মাথো মৃত্যু বিভিষিকা
পদে পদে জ্বলিছে অগ্নি আতংকত
গৰজি উঠা আগ্নেয়াস্ত্ৰৰ বহ্নিত
অসমে কৰিছে ৰক্ত- স্নান।

মানৱ ৰূপী হিংসু দানৱৰ অক্ষিপটত
প্ৰৱাহিত হৈছে মাথো জিঘাংসা
তাৰে পৰিণতিত প্ৰতি নিশা
উজলি উঠিছে বহ্নিৰ লেলিহান শিখা।

ক্ষণে ক্ষণে মৃত্যুভয় মানৱ মনত,
কিয়নো?

ৰক্ত পিপাযু আতংক আতংকৰ
এতিয়াওটো অন্ত হোৱা নাই,
নৰহত্যাৰ প্ৰতিযোগিতা।

পলে পলে সুবাসিত হৈছে পৱন,
মানৱৰ কেঁচা তেজৰ অকল্পিত স্নান
অসহনীয় মৃত্যুৰ অবৰ্ণনীয় ইতিহাস।

একবিংশ শতিকাৰ প্ৰাকমূহূৰ্তত
প্ৰস্ফুটিত হৈছে মাথো এখন চিত্ৰ
যত জ্বাজল্যমান হৈছে জাতিধ্বংসৰ যজ্ঞ
আৰু

এই চিত্ৰৰ পটভূমি হ'ল মাথো অসম
আমাৰ অসম।

# অনুভৱ

জুৰি বৰুৱা

আছিলে যে মোৰ লগৰী
দিছিলে যে মৰম
মৰম পাই ভাবিছিলো
দুখনো কি?
সৌ যে সিদিনাখন তুমি
মাতিছিলা জুই বুলি
জুই মানেনো কি?
কৈছিলা যে তুমি
মোৰ দুখৰ শীতত
তোমাৰ আপোন জুহালৰ
উত্তাপত সঘনে সতেজ হওঁ মই
সাক্ষী আছে জুহালৰ দপ-দপ জুই।
তোমাৰ বতৰা পাই
মোৰ যে মন হৈছিল উগুল থুগুল
কিয় জানা?
ময়ো তোমাৰ আপোন জুহালৰ
উত্তাপত সঘনে সতেজ হওঁ।
আজিনো সেই লগৰী ক'ত?

গল্প

# এখন সেউজীয়া উদ্যান

সৰোজ কাকতি

অকলে বহি থকাৰ সময়ত পদ্মনাথে কিছুমান বিষয়কলৈ চিন্তা কৰে, যেনে মানুহ আৰু দেৱতা কি? মানুহ আৰু জন্তুৰ সমাজখনৰ মাজত পাৰ্থক্য কি ? ইত্যাদি। সেইকাৰণে অফিচৰ সহকৰ্মী সকলে তেওঁক দাৰ্শনিক বৰুৱা বুলি ইতিকিং কৰিছিল । অৱশ্যে মুখা-মুখিকৈ তেওঁক কোনোৱে একো কোৱাৰ সাহস নকৰে; কিন্তু তেওঁৰ পাছত কৰা ব্যংগ মন্তব্য বোৰৰ কথা তেওঁ বুজি পায় ।

[illegible] বহি কথাবোৰ চিন্তা কৰি থাকোতেই তেওঁৰ পত্নীয়ে আহি কাষতে বহিল । অন্য কথাৰ পাতনি নেমেলাকৈ বৰুৱাই তেওঁক সুধিলে "কোৱাচোন মানুহৰ সমাজ আৰু জন্তুৰ সমাজখনৰ মাজত পাৰ্থক্য কি" ? পদ্মনাথৰ কথা শুনি পত্নীয়ে ভেকাহি মাৰি উঠিল "আপোনাৰ কাষত দেখোন বহিবই নোৱাৰি, কেৱল প্ৰশ্নৰ উপৰি প্ৰশ্ন । ঈশ্বৰ কি, বিশ্বজগত কি, প্ৰকৃতি কি ? অনবৰত এইবোৰ কথাহে । এইসোপা চিন্তা কৰি মোৰ মূৰটো ঘোলা কৰিবলৈ কিনো দৰকাৰদাল পৰিছে" ?

পত্নীৰ কথা শুনি পদ্মনাথে মিচিকিয়াই কলে, "এৰা কাৰোবাৰ বদনাম গাই থকাতকৈ এইবোৰ কথা পতাই ভাল । তেতিয়াহে মনৰ প্ৰদুষন কম হয় । আজিকালি দেখা নাই চাৰিওফালে কেৱল প্ৰদুষণহে হবলৈ ধৰিছে । ইফালে তোমাৰ বায়ুমণ্ডল প্ৰদুষণ হ'ল, মানুহে গছ কাটি তহিলং কৰিলে; কাৰখানাৰ আৱৰ্জনা পেলাই মাটি পানী সকলো প্ৰদুষিত কৰিলে, আৰু তোমাৰ এই মানুহৰ মনবোৰো প্ৰদূষিত হ'ল । কেৱল কুৎসা- ৰতনা; কোনে কিমান টকা ফাঁকি দি মাৰিলে, কাৰ কিমান বেংক বেলেঞ্চ, কোনে কিমান ওখকৈ অট্টালিকা সাজিব পাৰে, কেৱল এইবোৰেই চিন্তা।" পদ্মনাথৰ মুখৰ কথা কাঢ়িনি পত্নীয়ে আকৌ কৈ উঠিল, " হৈছে হৈছে আপোনাৰ লেকচাৰ বন্ধ কৰক । তেওঁলোকে সংসাৰ পাতিছে সংসাৰৰ চিন্তা কৰিবই, আপোনাৰ দৰেতো সংসাৰ পতা সন্যাসী নহয় । গোটেই জীৱন চাকৰি কৰিলে অথচ এখন গাড়ী কিনিব নোৱাৰিলে। একেলগৰ চ'কৰিয়াল কলিতাক নেদেখিলে? চকুৰ আগতে তিনিমহলীয়া ঘৰ সাজিলে,গাড়ী হ'ল লগতে ল'ৰাৰ কাৰনেও সকলো কৰি থৈছে । তেওঁৰ লৰাই চাকৰি নাপোলেও গোটেই জীৱন আৰামেৰে চলিব পাৰিব। বেংকৰ টকাৰ কথাটো বাদেই ঘৰ ভাড়াই মাহেকত দহ হাজাৰকৈ পায় ।"

"এৰা মই তাকেইতো কব খুজিছিলো মানুহ আৰু জন্তুৰ সমাজখনৰ মাজত এইখিনিতো এটা পাৰ্থক্য আছে মানুহে সদায় প্ৰয়োজনতকৈ অধিক বিচাৰে ।"--- বৰুৱাৰ কথা শুনি পত্নীয়ে উচাৎ মাৰি বহাৰ পৰা উঠিল--- "হৈছে হৈছে আপোনাৰ দাৰ্শনিকতা বন্ধ কৰক । নিজৰ ল'ৰাই বেকাৰ হৈ ঘূৰি মৰিব লাগিছে আৰু বাপেকে বাৰান্দাত বহা দাৰ্শনিক ওলাইছে ।"--- বৰুৱাই এইবাৰো হাঁহি হাঁহিয়েই কলে --- " এৰা, শুনা তোমাৰ লৰাই কাম নকৰে কাৰণেই বেকাৰ, চাকৰি নোপোৱা কাৰণে বেকাৰ নহয় । যোৱাচোন তাক কোৱাগৈ আমাৰ চন পৰা মাটি ডোখৰত গছপুলি কেইটামানকে লগাবলৈ ? নাই যোৱা, সি সেইখিনিও কৰিব নোৱাৰে ।

(২)

আজি কেইদিন মানৰ পৰা পদ্মনাথৰ পত্নীয়ে বৰুৱাক খেচখেচাই আছে যে পাক ঘৰটোলৈ পৰুৱাৰ উৎপাতৰ কাৰণে যাব নোৱাৰি । কিবা এটা উপায় কৰি পৰুৱাবোৰক মাৰিব লাগে । বৰুৱাই এই আপত্তিবোৰ শুনি কয় --- "পৰুৱাবোৰে খাবলৈ আহিবই, সিঁহতেনো ক'ত আৰ্জিবলৈ যাব ? " --- তাৰ পাছত বৰুৱাই হাতত ঝাড়ু পাত লৈ পৰুৱাবোৰ পাক ঘৰৰ পৰা সাৰি আনি বাহিৰত পেলাই দিলে আৰু লগতে এমুঠি চাউলো দি আহিল । চাউলকেইটা শেষ নোহোৱালৈকে পৰুৱাবোৰৰ উৎপাত কমি থাকে কিন্তু চাউল শেষ হোৱাৰ পাছত পুনৰ

আহি পাক ঘৰত থকা খোৱা বস্তু বিচাৰি ফুৰে । বৰুৱাই প্ৰথমে কাহি এখনত পানী অলপ ঢালি লয় আৰু তাৰ ওপৰত চেনীৰ টেমা, গখীৰৰ পাত্ৰ আদি থৈ দিয়ে । পিছে কৰবাত অলপ খাদ্য বস্তু পৰিলেই পৰুৱাবোৰ আহি পাক ঘৰত ভৰ্ত্তি হয় । পৰুৱাবোৰো বৰ খঙাল, গাত উঠিব পালেই কামোৰে ।

আজি বৰুৱানীয়ে বৰুৱাক নামাতি পুত্ৰ প্ৰশান্তক মাতিবলৈ ধৰিলে । পত্নীৰ চিঞৰ শুনি বৰুৱায়ো পাক ঘৰৰ ওচৰ চাপি আহিল আৰু কি হল বুলি সুধিলে । বৰুৱানীয়ে কৈ উঠিল--- " হৈছে হৈছে আপুনি যিহে ধৰ্ম যুধিষ্ঠিৰ, নালাগে আপুনি আহিব নালাগে, পৰুৱাকেইটাকে আপুনি পাক ঘৰৰ পৰা নাইকিয়া কৰিব নোৱাৰিলে আৰু অন্য কি ডাঙৰ কাম কৰিব ?" --- পত্নীৰ উগ্ৰ মূৰ্ত্তি দেখি বৰুৱাই পাক ঘৰৰ দুৱাৰ মুখতে থিয় দি ৰল । বৰুৱানীয়ে গৈ প্ৰশান্তৰ কোঠালীৰ দুৱাৰত টকিয়ালে । সি দুৱাৰ বন্ধ কৰি উচ্চ গ্ৰামত কিবা এটা ইংৰাজী সুৰীয়া গান শুনি আছিল । মাকৰ চিঞৰ শুনি সি প্ৰথমে ডেকটো বন্ধ কৰিলে আৰু ওলাই আহি সুধিলে, "কি হল মা?" --- মাকে পৰুৱাকেইটাৰ উৎপাতৰ কথা কলে । মাকৰ কথা শুনি সি হাঁহি মাৰি কলে, "এইটোও কিবা এটা ডাঙৰ কথানে? পৰুৱাবোৰ প্ৰথমে একগোট কৰা তাৰ পাছত কেৰাচিন ঢালি জুই লগাই দিয়া।" --- এইবুলি কৈয়েই সি ঝাড়ু পাতেৰে পৰুৱাবোৰ একগোট কৰিবলৈ ধৰিলে । বাপেকে দুৱাৰ মুখৰ পৰাই তালৈ চাই থাকিল । পদ্মনাথৰো ডেকা কালত প্ৰশান্তৰ দৰেই চেহেৰা আছিল । কিন্তু তেওঁৰ শৰীৰত পুতেকৰ দৰে ইমান চৰ্বি নাছিল । পদ্মনাথহঁতে কাম কৰিব নোৱাৰাটোক লাজৰ কথা বুলি ভাৱিছিল । আজিকালিৰ প্ৰশান্তহঁতে কাম কৰাটোক লাজৰ কথা বুলি গণ্য কৰে সেইকাৰণে তাৰ শৰীৰত ইমানবোৰ চৰ্বি গোট খাইছে ।

জুই জ্বলাব খোজোতেই মাকে বাধা দি উঠিল । "নালাগে জ্বলাব, গোটেই পাকঘৰটো কেৰাচিনৰ ধোঁৱাৰে কলা হৈ যাব ।" সেইকাৰণে প্ৰশান্তই পিন্ধি থকা চেণ্ডেলজোৰেৰেই পৰুৱাবোৰ এফালৰ পৰা পিহি মাৰিবলৈ ধৰিলে । পৰুৱাবোৰৰ বেছিভাগেই একোটা লদাত পৰিণত হল । কিছুমান পৰুৱা আহত হৈ ধৰ ফৰাই থাকিল ।

বৰুৱাই দৃশ্যটো চাই থকা দেখি প্ৰশান্তই কলে, "দেউতা আপুনি যাওঁকচোন, আপোনাৰ সেই যুধিষ্ঠিৰৰ আইডিয়াৰে পৃথিৱীখন নচলে নহয় । যাওঁক আপুনি । ৰিটায়াৰ্ড হৈছে নহয়, চাকৰিৰ পৰা বিদায় দিওঁতে গীতাখন দিছেনে নাই ? দিছে যদি সেইখন পঢ়কগৈ ।"

(৩)

অন্যদিনৰ দৰে আজিৰ বৰুৱাই আবেলি পৰত বাৰান্দাত বহি আছে । আগবেলা বতৰটো জুৰ আছিল কাৰণে বাগিছাত কিছু কাম কৰিলে । কাষত বাতৰি কাকত খন আছে যদিও বৰুৱাই সেইখন নপঢ়ি কিবাকিবি চিন্তা কৰিহে আছে । পত্নীয়ে আহি ওচৰৰ চকীখনত বহিলে আৰু সুধিলে, --- "আজি বা আকৌ কি বিষয়ে চিন্তা কৰি আছে ? আমি কথা কলেতো জগৰে লাগে ।" পত্নীৰ কথা শুনি বৰুৱাই কলে ---"কিনো জগৰেই লাগিব আমাৰ দিন গ'ল আৰু এতিয়া লৰাহতৰ দিনহে আহিছে।" অলপ পৰ ৰৈ তেওঁ পুনৰ কলে ---"এৰা আমাৰ চনপৰা মাটিডোখৰত মই গছপুলি লগোৱাৰ কথা ভাৱি আছো ৰবা ।"

---" আপুনি? এই বয়সত ? কিলৈ খেতিয়কৰ কাম কৰিবলৈ যাবহে ? নালাগে দিয়ক সেইকেইটা পইচা নহলেওঁ আমি চলিব পাৰিম ।" পত্নীৰ কথাৰ কোনো সহাৰি নিদি বৰুৱাই ভাৱিলে, এনেধৰণৰ কথা কোৱাৰ আগতে তেওঁ জানিব লাগিছিল যে তেওঁৰ পত্নীয়ে তাত কোনো সহাৰি নিদিব । কিবা এটা উৎপাদন কৰি খোৱা কাৰ্য্যটো আজিৰ মানুহে কিয় অসন্মানৰ কাম বুলি গন্য কৰিবলৈ লৈছে তাৰ কাৰণ কি তেওঁ বুজি নাপায় । কোনোৱে যদি উৎপাদনেই নকৰে তেন্তে জগতখন চলিব কেনেকৈ ? অৱশ্যে এটা সময়ত মানহুবোৰে আকৌ সেই উৎপাদনমুখী অৱস্থাটোলৈকেই উভতি যাব লাগিব, নহলে কেনেকৈ হব ?

কথাবোৰ ভাৱি থাকোতেই পুতেক প্ৰশান্তই ঘৰৰ পৰা কৰবালৈ ওলাই গল । মটৰ চাইকেলৰ ধোঁৱাৰ গোন্ধ

আহি নাকত লগাত বৰুৱাই সুধিলে, "ই আজিকালি মটৰচাইকেল চলাবলৈ পইচা কৰ পৰা পায়হে ?" বৰুৱাৰ চাকৰি থাকোতেই সি আঁখুটি ধৰিছিল তাক হেনো মটৰ চাইকেল এখন লাগে । বৰুৱাই নিদিয়ে । নিজে বহুত কষ্ট কৰি পঢ়া-শুনা কৰিছিল, সেইদৰে ৰিজাল্টো ভাল হৈছিল । এতিয়া তেওঁৰে ল'ৰা প্ৰশান্তই মটৰ চাইকেল নহলে হেনো ক'লেজলৈকে যাব নোৱাৰে । বৰুৱাই নিদিও বুলি দৃঢ় প্ৰতিজ্ঞ আছিল পিছে পুত্ৰৰ লগত যেতিয়া তেওঁৰ পত্নীয়েও যোগদান কৰিলে তেতিয়া তেওঁ হাৰ মানিবলৈ বাধ্য হল । প্ৰভিডেণ্ট ফাণ্ডৰ পৰা কিছু টকা উলিয়ালে আৰু মাকেও নিজৰ সোণৰ গহনা দুপাতমান বিক্ৰি কৰিলে। তাৰ ঠাইত অৱশ্যে সোণৰ দৰে উজ্বল গহনা আনিলে । গাড়ীখন অনাৰ পাছত মাকে কলে "এতিয়াহে ঘৰখন অলপ ষ্টেণ্ডাৰ্ড হৈছে । নহলে একেবাৰে উকা উকা লাগে ।" বৰুৱাই একো নামাতিলে । বিয়াৰ পাছৰ পৰাই তেওঁ এই ঘৰখনত অকলশৰীয়া হৈছে ।

(৪)

"আপোনাক কথা এটা কোৱাই নাই ।"বৰুৱাৰ মৌনতাত যতি পেলাই পত্নীয়ে কৈ উঠিল ।

"কি কথা ?"

"আমাৰ প্ৰশান্তই আজিকালি কিবাকিবি কৰে নহয়।"

"কি কিবা কিবি কৰে হে ?"

"এ, আপুনি নাজানেই এইবোৰ কথা । আজিকালি কত ৰকমৰ বিজনেচ ওলাইছে আপুনিনো কি জানে ? প্ৰশান্তহতৰ এটা গ্ৰুপ আছে । সিঁহতে হেনো ঘৰতে পিষ্টল বনাব জানে । সেই পিষ্টল দেখুৱাই আজিকালি আত্মসমৰ্পণ কৰিব পাৰি চৰকাৰৰ ওচৰত । আত্মসমৰ্পন কৰিলে দুই লাখ নে তিনি লাখ টকা লোন পায় । আত্মসমৰ্পণ কৰিবলৈ সন্ত্ৰাসবাদী নহলেও হয় । মাত্ৰ নিজে সন্ত্ৰাসবাদী বুলি ক'লেই হল । প্ৰশান্তহতে পিষ্টলৰ দাম লোৱাৰ লগতে চৰকাৰৰ পৰা পোৱা টকাৰো ভাগ পায় । পত্নীৰ কথা শুনি বৰুৱা প্ৰথমে স্তব্ধ হৈ গল। তাৰ পাছত ক'লে "তুমি তাক মানা কৰা নাই কেলেই ? এইবোৰ ধন সৎ পথৰে অহা ধন নহয় কেইদিন খাব সি ?"

"বৰুৱাৰ খং উঠা দেখি পত্নীয়ে কলে— "আপুনি মিছাতে খং কৰিছে । মই বাধা কিয় নিদিম ? দিছো । পিছে সেই পইচাহেনো চৰকাৰৰ পৰা আহিছেই । এনেকৈ দিব নোৱাৰিলে সেইবোৰ টকা ঘূৰি যাব । হয়তো অন্য মানুহে ঢাহি মুহি খাব । আৰু সিহঁতেতো কাৰো একো অন্যায় কৰা নাই , বৰঞ্চ উপকাৰহে কৰি দিছে । বেকাৰ ল'ৰা- ছোৱালী কিছুমানক লোনৰ যোগাৰ কৰি দিছে ।"

"হব হব তোমাৰ লেকচাৰ বন্ধ কৰা । বুজি পাইছো সি আৰু অন্য বহু কিবা কিবি বিজনিচেই কৰিছে । প্ৰথমবাৰ তুমি তাক মটৰ চাইকেল কিনি দি মূৰটো শেষ কৰিলা । দেখা নাই মটৰ চাইকেল লোৱাৰ পাছৰ পৰাই সি পৰীক্ষাত যি ফেল কৰিলে তাৰ পাছত আৰু পাছ কৰিব নোৱাৰিলে। তাৰ আগতে সি কোন পৰীক্ষাত ফেল কৰিছিল ?"

বৰুৱাৰ খং উঠা যেন পালে পত্নীয়ে একো নামাতে। তেওঁ অৱশ্যে কওঁ বুলিছিল "পঢ়ি শুনিনো কি লাভ হব, সেই একে বেকাৰেই হব লাগিব । পিছে নক'লে। কিছু সময় মনে মনে থকাৰ পাছত বৰুৱানীয়ে পুনৰ ক' লে "তাক দোষ দি লাভ নাই দিয়ক, সি কাম নকৰা বুলি কেনেকৈ ক'ব ? অহা সপ্তাহত সি হেনো আমাৰ এটা আৰ,চি, চি ঘৰৰ ফাউণ্ডেচন লে কৰিব ।"

"ফাউণ্ডেচন লে কৰিব ?" অপাৰ বিস্ময়ত বৰুৱাৰ মুখেৰে কথাযাৰ আপোনা আপোনি ওলাই আহিল । তাৰ পাছত ক'লে তোমালোকে অট্টালিকাত থকা,মই অহাকালি গছপুলিৰ অৰ্ডাৰ দিছো । তাতে মই বাগিছা এখন সাজি তাতেই থকা কৰিম ।" বৰুৱাৰ কথা শুনি পত্নীয়ে ইতিমধ্যে তাৰ পৰা আতৰি গৈছিল ।

(৫)

আজিও আগৰ দৰেই বৰুৱাই বাৰান্দাত চকী এখন পাৰি বহি বহি কিবা কিবি ভাৰি আছে । পত্নীয়ে মুঢ়া এটা আনি কাষতে বহিল । আজিকালি তেওঁৰ মুখত আগৰ দৰে কথাবোৰ নাই । একমাত্ৰ পুত্ৰ প্ৰশান্তৰ মৃত্যুৱে দুয়োটাকে তিল তিলকৈ মৃত্যুৰ মুখলৈ ঠেলি নিছে । ঘৰৰ

ফউণ্ডেচন লে কৰিবলৈ ৰড আনিবলৈ যাওতে দুজন অচিনাকি বন্দুকধাৰীয়ে প্ৰশান্তক বাটতে গুলীয়াই থৈ গল। বৰুৱানীয়ে হিয়া ঢাকুৰি কান্দিলে । বৰুৱায়ো নেদেখাকৈ বহুত কান্দিলে । নিৰৰতাখিনি দীঘলীয়া হোৱা কাৰণে বৰুৱানীয়ে সুধিলে "ৰিটায়াৰ্ড হোৱাৰ সময়ত আপোনাক গীতাখন দিছিল নহয়, সেইখন ক'ত আছেনো?"

"কিয় তুমি হবলা মোৰ গাৰুৰ তলত সেইখন দেখা নাই ? বৰুৱাৰ কথা শুনি পত্নীয়ে একো নামাতিলে । ডিঙিলৈকে তেওঁৰ কান্দোন এটা উথলি আহিছে । লগে লগে মনত পৰিছে প্ৰশান্তৰ মৃতদেহটো পৰি থকাৰ ভংগীটোলৈ । কি নিষ্ঠুৰ, কৰুণ সেই মৃত্যু । চকুৰ কোনত বিৰিঙি উঠা চকুলো মুচি তেও সেই কথা পাহৰিবলৈ চেষ্টা কৰিলে । বৰুৱাৰ কথা ভাৱিয়েই তেওঁ অন্ততঃ কন্দা উচিত নহয় । কিছুসময় বিৰতিৰ পাছত বৰুৱানীয়ে কলে—

"আপোনাৰ গছপুলিবোৰ কিমান ডাঙৰ হৈছেনো?"

"হৈছে, ভালেখিনি ডাঙৰ হৈছে, তুমি দেখোন দেখিছাই ; কিয়নো সুধিছা ?"

"সুধিছো, বাগিছাখন বৰ ধুনীয়া হৈছে, তাৰ এটা নাম দিব পাৰিলে ভাল আছিল । 'প্ৰশান্ত গাৰ্ডেন' নাম থলে কেনেকুৱা হবনো ?

পত্নীৰ কথা শুনি বৰুৱাই হুমুনিয়াহ এটা কাঢ়ি আকাশৰ ফালে মূৰ তুলি উদাস দৃষ্টিৰে চাই ৰ'ল ।

## কৌতুক

শিক্ষক ঃ— লঁৰাহত আলুৰ ইংৰাজী কি ?

এজন ছাত্ৰ ঃ— অল আসাম লাভাৰ ইউনিয়ন, ছাৰ ।

শিক্ষক ঃ— ল'ৰাহত — ক'চোন ডি. ডি. টি মানে কি ?

এজন ছাত্ৰ ঃ— চাৰ, দামোদৰ দেৱৰ তিথি ।

# Desire

D. Buddha tila Chakma

This is my prayer of thee, oh Lord !
Strike demolish my heart of grief !
And set peace instead
Give me strength,
To bear easily,
Grief and felicity of life
Give me the right
To fulfill my plan in future
Give me the knowledge,
Where at nobody can envy me,
And never can envy anybody
And give me the right
To driveout the fear of Soul .
And be brave instead .
Oh Lord ! it is been seen that,
None the wealthier deliberate for
proverty.
Rather they sometimes offend them .
But Lord ! keep me out of these horrible
things
Blind, lame, rich and poor,
All are equal to me .
And give me the courage
To be competent to save,
The living being from awful condition
Further, give me the knowledge,
Where in can turn impossible thing to
possible
For leving being .
Moreover, Give me the strength,
knowledge & right
Whereat I shall never forgot to pray to thee,
All my life .
Besides of these, gift the nearmost
Whatever thy wishes to gift
According to my essential .

# Belief

Sumitra D'Chettry

Once thou didst tell me .
I love thee
I did believe you then,
Today I search for the same
Instead of find ,
The empty canals of your soul,
For the place I invaded,
Has a silence untold
Wasn't I worth loving ?
Or has your heart been sold ?
I was your dreaw, strength
And might !
Not the breathing statue cold.
I beseech you for
Colouring my dreams
Tearing away my innoceance
And vesting my long hours of
solitude .

গল্প

# প্ৰেম আৰু পৰিণতি

মনিৰাম বড়ো

"মা-জনী, অ' মাজনী মোনাটো নে, বস্তুবোৰ উলিয়াই থৈ দে"। দেওবৰীয়া বজাৰৰ পৰা উভতি অহা দেউতাক মুখ-হাত ধুবলৈ বুলি পানী এলোটা দিলোঁ। কিবা এক মলিনতাই দেউতাৰ মুখখন মলিন কৰা যেন অনুমান কৰিলোঁ। কিনো হৈছে সুধো বুলিও একো নুসুধিলোঁ। লাহেকৈ দেউতাৰ ওচৰত বহিলোঁ পাঞ্জাৰী চোলাটো গাৰ পৰা খুলি খুলিয়েই দেউতাই আৰম্ভ কৰিলে, — "জা-ন মাজনী, বৰ বেয়া খবৰ এটা শুনিলোঁ। কালি লীনাই হেনো আত্মহত্যা কৰিছে। লাচটো এতিয়াও থানাতে পৰি আছে বোলে"। খবৰটো শুনি গা শিয়ঁৰি উঠিল। কিয় বাৰু লীনা বাইদেউৱে আত্মহত্যা কৰিলে? বাইদেউৰতো বিয়া হোৱা ছয়মাহ মানহে হৈছে। সংসাৰ ভোগ কৰিব এৰি আত্মহত্যাৰ পথ বাছি ল'লে কিয়?

মোৰ মনটো উৰা মাৰিলে অতীতৰ সেই দিনবোৰলৈ, য'ত একোটা কোঠাতে নিবিড় ভাৱে লগ পাইছিলো লীনা বাইদেউক। মই তেতিয়া কলেজৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰী। স্বাৱলম্বী হোৱাৰ মানসেৰে ডিগ্ৰী পাছ কৰিয়েই কেৰাণীৰ চাকৰি এটি যোগাৰ কৰি লোৱা সৰল মনা, চঞ্চলা গাভৰু লীনা বাইদেউ। তেওঁ আৰু মই একেটা কোঠাতে মেচ কৰি থাকিবলৈ লৈছিলো গুৱাহাটীত।

একেটা কাৰ্য্যালয়তে কাম কৰা মতিন দাস নামৰ ব্যক্তি এজনৰ স'তে বাইদেউৰ এক মধুৰ সম্পৰ্ক গঢ় লৈ উঠিল। প্ৰেমৰ এনাজৰীয়ে দুয়োকো বান্ধি পেলালে। দুয়ো প্ৰতিশ্ৰুতিবদ্ধ হৈ বিবাহ পাশত আৱদ্ধ হ'ল। বাইদেউহঁতৰ ঘৰখনে কোনো আপত্তি কৰা নাছিল। নিজৰ পছন্দ মতেই বিয়াত বহিছিল। তথাপি বাইদেৱে এনেহেন চৰম ত্যাগৰ পথ বাচি লব লগা হ'ল কিয়? সমাধান নো পোৱা প্ৰশ্নবোৰকে লৈ আকৌ এবাৰ ভাৱিবলৈ ললোঁ কথাবোৰ। সচাঁই জানো মতিন দাসৰ স্বভাৱ- চৰিত্ৰ, আচাৰ-ব্যৱহাৰ লীনা বাইদেউৰ লগত মিল আছিল? তথাপি কিয় জানো মতিনক ভাল পাইছিল। "মতিনদাৰ কথাবোৰ ইমান ভাল লাগে, শুনি থাকিবৰ মন যায়। খুব ভাল ল'ৰা তেওঁ" বুলি মতিনৰ গুণ বখানি কোৱা কথাবোৰ আজিও মোৰ স্পষ্ট মনত আছে। সিদিনা মইয়ো বাইদেউৰ পতি নিৰ্বাচনৰ প্ৰসংসা কৰিছিলো আৰু এখন সুখৰ সংসাৰ হোৱাৰ কামনা কৰিছিলো। বিয়াৰ কিছু দিন পিছতেই মতিন দাসৰ প্ৰকৃত স্বৰূপ ধৰা পৰিল। গিৰিয়েকৰ মুখত যিদিনা সুৰাৰ গোন্ধ পালে, সিদিনা বাইদেউৱে সহজ ভাৱে ল'লে। তাৰ পিছৰ দিনাখনো দুভাগ ৰাতি ঢলং- পলংকৈ আহি বিচনাত পৰিলহি। সেইদিনা বাইদেউৰ শোৱা নহল। চকুলো টুকি টুকিয়েই গোটেই ৰাতি পাৰ কৰিলে। গিৰিয়েকে উঠিলত তীব্ৰ ক্ষোভেৰে সৈতে বাইদেৱে কবলৈ ধৰিলে, "আপুনি মদ খায় নহয়? আপোনাক এতিয়াহে চিনিছো। আগতে জনা হলে .........."।

সেইদিনা দুয়োৰো ভীষণ কাজিয়া হ'ল। ইয়াৰ পিছতো প্ৰতিদিনে গিৰিয়েকে মদ খাই আহে আৰু বাইদেৱে কিবা ক'লেই শাৰিৰীক অত্যাচাৰ কৰে। সময় বাগৰাৰ লগে লগে নিৰ্যাতনৰ মাত্ৰাও ক্ৰমে বাঢ়ি যাবলৈ ধৰিলে। নিৰ্বিকাৰ ভাৱে বাইদেৱে সহি গল সকলো নিৰ্যাতন। প্ৰচণ্ড ঘৃণা উপজিল নিজৰ অতীতৰ যৌৱন চঞ্চলা মনটোৰ প্ৰতি। এইদৰে বাইদেৱে দাম্পত্য জীৱনৰ পাতনি মেলিলে।

বিয়াৰ দিন ধৰি দৰমহাৰ টকাখিনিও বাইদেৱে নিজ হাতেৰে চুব নোপোৱা হ'ল। মাত্ৰ অফিচ কৰি গৈছিল নিতৌ। অফিচৰ সহকৰ্মীসকলৰ লগত হাঁহি -ধেমালীৰে নিজৰ মনৰ দুখ পাতলাবৰ চেষ্টা কৰিছিল বাইদেৱে। এফালে শাহুৱেক - শহুৰেকৰ পৰা অপত্য মৰম চেনেহ, আনফালে গিৰিয়েকৰ পৰা নিৰ্যাতন। তথাপি আমাৰ আগত ব্যক্ত কৰা নাছিল নিজৰ মনৰ দুখ। বিয়াৰ আগত মতিন দাস আৰু বিয়াৰ পিছৰ মতিন দাস! বিশ্বাস কৰিবলৈ টান পালে লীনা বাইদেৱে। মতিন দাসৰ প্ৰতিটো ৰক্তকণিকাতেই যেন পোৱা যাব মদ,মাইকী আৰু জুৱাৰ কণিকা। এইদৰে দিন বাগৰিল, বাইদেউৰ গিৰিয়েকৰ

স্বভাৱৰ কোনো পৰিৱৰ্ত্তন নঘটিল ।

মানসিক তথা শাৰীৰিক যন্ত্ৰনাৰ চাপত তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটিল । বাইদেউৰ সহকৰ্মী প্ৰসন্ন দত্তৰ কথাবোৰ মনত পৰিবলৈ ধৰিলে । যিজন ব্যক্তিয়ে বাইদেউৰ প্ৰেম আৰু বিয়াৰ বিষয়ে কিছুমান বুজা নুবুজা প্ৰশ্ন কৰিছিল, "মতিনক পালেই তুমি সুখি বুলি ভাৱানে লীনা "? লীনা বাইদেৱে মতিন দাসৰ এন্ধাৰ ফালটো দেখিয়েই হয়তো আওঁপকিয়াকৈ সতৰ্ক কৰি দিছিল প্ৰসন্ন দত্তই । দত্তৰ বুজা নুবুজা প্ৰশ্নবোৰ মনত পৰিলে বাইদেৱে আজিও অনুতাপত দগ্ধ হয় । নিজৰ ওপৰতে তেতিয়া ধিক্কাৰ উপজে । এনেকৈ কিমান দিন ?

এদিন বাইদেৱে মুকলি ভাৱে গিৰিয়েকৰ আগত বিবাহ বিচ্ছেদৰ কথা ক'লে । ক'বলৈহে পালে গিৰিয়েকে লগে লগে গৰজি উঠিল, "ইমানগাল টকা খৰচ কৰি বিবাহ বিচ্ছেদ কৰিবলৈকে তোমাক বিয়া কৰাইছিলো নেকি "?

প্ৰতিবাদ কৰিব খুজিও মুক হৈ গ'ল বাইদেউ । সকলো প্ৰকাৰে চেষ্টা কৰি তেওঁ গিৰিয়েকক সৎ পথলৈ আনিব নোৱাৰিলে । বাইদেৱে নিজৰ মনতে সংকল্প লৈছিল অন্যায়ৰ বিৰুদ্ধে যুঁজাৰ । অৱশেষত হাৰ মানিবলৈ বাধ্য হ'ল । যদি চৰম ত্যাগৰ বিনিময়ত গিৰিয়েকৰ জীৱনৰ পৰিৱৰ্ত্তন আনিব পাৰে তেনে এটা পথকে হেলাৰঙে আকোঁৱালি লবলৈ তেওঁৰ অকনো কুণ্ঠাবোধ নাই । আৰু সেয়েহে বাইদেৱে আশ্ৰয় লব লগা হ'ল আত্মহত্যাৰ দৰে এটা ঘৃণনীয় পথৰ, যাক সমাজে জঘন্য অপৰাধ হিচাপে গণ্য কৰে ।

বিয়াৰ কিছুদিন পিছতেই তেওঁ অহুকাণে-পহুকাণে গম পাইছিল যে তেওঁৰ গিৰিয়েক এটি অবৈধ-সন্তানৰ পিতৃ । লাজ আৰু অপমানত চকুৰে সৰিয়হৰ ফুল দেখিছিল বাইদেৱে । সন্তানটিৰ লগতে মাতৃ গৰাকীক অন্তৰ আত্মাৰে ক্ষমা খুজিছিল সেইদিনা গিৰিয়েকৰ কৃতকৰ্মৰ বাবে ।

লীনা বাইদেউৰ সানিধ্যত থাকোঁতে হৈ যোৱা সকলোবোৰ কথাই এটাৰ পিছত এটাকৈ মোৰ মানস পটত ধৰা দিছেহি স্পষ্ট ভাৱে । চকুলোৰ সিক্ত মোৰ দুচকুত ভাঁহি উঠিছে হাঁহো - নেহাহোঁ কৈ থকা লীনা বাইদেউৰ মুখ খনি ।

যৌৱনৰ অহংকাৰত অহংকাৰী মতিন দাস আজি অনুতপ্ত নিজৰ কৃতকৰ্মৰ বাবে । বলিয়াৰ দৰে হাহাঁকাৰ কৰি ফুৰিছে লীনা বাইদেউৰ বাবে । যি চৰম ত্যাগৰ বিনিময়ত তেওঁ গিৰিয়েকক ঘূৰাই আনিলে সঠিক পথলৈ, আমাৰ অলক্ষিতে হয়তো দুৰৰ পৰাই চাই আছে আত্মতৃপ্তিৰে ।

• • • • • • • • • • • • • • • • • • • • • • •

"শগুণ যিমানেই ওপৰলৈ নুৰক কিয়, তাৰ দৃষ্টি তলৰ মৰাশৰ ওপৰতহে নিৱদ্ধ থাকে "।



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

বছৰেকীয়া প্ৰতিবেদনৰ আৰম্ভণীতেই ১৯৯৭-৯৮ ইং বৰ্ষৰ নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দৰে এটা গুৰুত্ব পূৰ্ণ ভাৰ মোৰ ওপৰত অৰ্পণ কৰাৰ বাবে মই মহাবিদ্যায়ৰ শ্ৰদ্ধাৰ সমূহ শিক্ষক -শিক্ষয়িত্ৰী আৰু মৰমৰ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণাহুঁতি দি দেশ মাতৃৰ শ্ৰী চৰণত পুস্পাঞ্জঁলী দিয়া জ্ঞাত-অজ্ঞাত সকলো বীৰ শ্বহীদক মই শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

গুৱাহাটীৰ পূৰ প্ৰান্তত অৱস্থিত এই নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয় এখন নিচেই চালুকীয়া অনুষ্ঠান। ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ বিপুল উৎসাহ আৰু সংকল্পৰে মই মহাবিদ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ হকে কিবা এটা নিশ্চয় কাম কৰিম বুলি দৃঢ় হৈছিলো ।

এক উপযুক্ত পৰিৱেশ নহলে মহাবিদ্যালয় ছাত্ৰএকতা সভাই গতানুগতিক ভাবে চলি যোৱাৰ বাহিৰে মহাবিদ্যালয়ৰ প্ৰগতিৰ কথা ভাবিব নোৱাৰে। তাৰ ফলত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে নিম্নতম সুবিধাকণো পোৱাৰ পৰা বঞ্চিত হব লগা হয়। আমাৰ কাৰ্য্যকালত আমি কেইটামান মঙ্গলময় আচনি হাতত লৈছিলো।

ক) ছাত্ৰ-ছাত্ৰীৰ বৰ্ধিত হাৰ অনুসৰি এটা আহল - বহল জিৰণী কোঠা নিৰ্মাণ কৰা।

খ) ছাত্ৰ-ছাত্ৰী সকলৰ সুবিধাৰ অৰ্থে এটা উন্নত পেচাবগাৰ নিৰ্মাণ কৰা।

গ) মহাবিদ্যালয় প্ৰাঙ্গনত এটা স্থায়ী ভাবে শ্বহীদ বেদী নিৰ্মাণ কৰা।

ঘ) মহাবিদ্যালয়ৰ ভৱন সমূহত বাকী থকা দৰ্জা খিৰিকী সমূহ লগোৱা।

ঙ) ছাত্ৰ-ছাত্ৰীৰ বৃদ্ধিলৈ লক্ষ্য ৰাখি দুটা আহল বহল শ্ৰেণীকোঠা নিৰ্মাণৰ বাবে কৰ্ত্তৃপক্ষক অনুৰোধ জনোৱা।

চ) মহাবিদ্যালয় চৌহদত ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ কাৰণে উন্নত মানৰ কেন্টিনৰ ব্যৱস্থা কৰা।

ছ) মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশ কৰা।

আৰ্থিক দুৰবস্থাৰ বাবে ইয়াৰে বহুত কেইটা কামেই হৈ নুঠিল। তাৰ ভিতৰত মহাবিদ্যালয় ভৱনৰ দুৱাৰ খিৰিকিখিনি লগোৱা আৰু আহল- বহল শ্ৰেণীকোঠা দুটাও আধৰুৱা হৈ থাকিল। এই প্ৰতিবেদনৰ জৰিয়তে মই মহাবিদ্যালয় কৰ্ত্তৃপক্ষক অনুৰোধ জনাও যাতে উক্ত অসুবিধা সমূহ অতিসোনকালে দূৰ কৰি ছাত্ৰ-ছাত্ৰীৰ মঙ্গল সাধন কৰে।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিভাৰ অভাৱ নাই। এটা কথা উল্লেখ্য যে বহুতো অসুবিধাৰ মাজেৰেও আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰীক্ষাৰ ফলাফল গুৱাহাটীৰ আন আন মহাবিদ্যালয়ৰ তুলনাত শ্ৰেষ্ঠ। কাৰ্যভাৰ গ্ৰহণ কৰিয়ে আমি "মহাবিদ্যালয় সপ্তাহ" অনুষ্ঠিত কৰিবলগীয়া হৈছিলো। এই অনুষ্ঠান আমি যিমান উন্নত মানেৰে অনুষ্ঠিত কৰিম বুলি ভাবিছিলো আৰ্থিক দুৰৱস্থাৰ বাবে আমি তাক অনুষ্ঠিত কৰিব নোৱাৰিলো। ঠিক তেনেদৰে মোৰ কাৰ্যকালত অনুষ্ঠিত হোৱা "সৰস্বতী পূজা" "নৱাগত আদৰণী সভা" আদি অনুষ্ঠান কেইটা আৰ্থিক দুৰ্বলতাৰ বাবে বিচৰামতে পাতিব নোৱাৰিলো।

তাৰ উপৰি মোৰ কাৰ্যকালত পোন প্ৰথম বাৰৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাৰ্যিক যুৱ-মহোৎসৱত যোগদান কৰা হৈছিল। মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰ "যুৱ-বাণী" অনুষ্ঠানত এটি অনুষ্ঠান পৰিৱেশন কৰা হৈছে।

শেষত আকৌ এটি কথা উনুকিয়াব বিচাৰিছো যে বৰ্তমান সময়ত মহাবিদ্যালয় ছাত্ৰ একতা সভাখন পৰিচালনা কৰাৰ বাবে এখন সংবিধানৰ নিত্যান্ত আৱশ্যক। আশাকৰো পৰবৰ্ত্তী সম্পাদকে মোৰ কাৰ্যকালত বাকী থকা কাম খিনি মহাবিদ্যালয়কৰ্তৃপক্ষৰ লগত আলোচনা কৰি সকলো কাম সুচাৰু ৰূপে সমাপন কৰি ছাত্ৰ-ছাত্ৰীৰ মঙ্গল সাধন কৰিব।

মোৰ কাৰ্য্যকালত মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মাননীয় শ্ৰীযুত হৰিপ্ৰসাদ মজুমদাৰ দেৱে, বৰ্ত্তমানৰ অধ্যক্ষা মহোদয়া মহাবিদ্যালৰ-সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী বৃন্দই মোক নানা পৰামৰ্শ দি মোৰ কাৰ্য্য কাল পৰিচালনা কৰাত যথেষ্ট সহায় কৰিছে। এই ছেগতে তেখেত সকললৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰ উপৰি প্ৰতি মূহুৰ্ত্ততে মোৰ ছাঁটোৰ দৰে থাকি মোক কামত উদ্দীপনা তথা পৰমাৰ্শ দিয়াত মাননীয় তত্বাবধায়ক শ্ৰীযুত সৰোজ কাকতি ছাৰলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। তাৰ উপৰিও চালুকীয়া অনুষ্ঠান হিচাপে কলেজ কৰ্ত্তৃপক্ষই যিখিনি অৱদান মহাবিদ্যালয়লৈ আগবঢ়াইছে তাৰ বাবেও মই কলেজ কৰ্ত্তৃপক্ষলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

ইয়াৰ উপৰিও মোৰ বন্ধু ৰাতুল দা, দিলীপ, মঞ্জিত, নিপেন, সুকুমাৰ, গীতাঞ্জলী, বৰ্ণালী, প্ৰনালী, প্ৰনিতা, অৰ্পনা, যুতিকা, বিমল আদিলৈ মই মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

মোৰ কাৰ্যকালত অবাঞ্চিত ভাবে কৰা ভুল - ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা কৰি নাৰেঙ্গী মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনাৰে ইমানতে সামৰণী মাৰিছো।

নমস্কাৰ

জয়তু নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়

**শ্ৰী কমল বৈশ্য**

সাধাৰণ সম্পাদক

ছাত্ৰ-একতা সভা ১৯৯৭ - ৯৮ চন

গল্প

# এটা পাগল

দীপিকা বসুমতাৰী

ৰাষ্টাত মই বহুতো এনেধৰণৰ মানুহ লগ পাওঁ । যাৰ বিষয়ে জানিবলৈ মোৰ তীব্ৰ ইচ্ছা হয় । হয়তো ইয়াৰ ভিতৰত কোনোবাটো ৰিক্সাৱালা, কোনোবা দোকানী, কোনোবা অস্বাভাৱিক ধৰণৰ আচৰণ কৰামানুহ, যাক মোৰ বান্ধৱীহঁতে পগলা বুলি কয় । আকৌ কোনোবা ফলমুলৰ বেপাৰী ইত্যাদি । পুলিচ পইন্টত ৰৈ থকা পুলিচটোৰ প্ৰতি কিন্তু মোৰ কোনো আগ্ৰহ নাই । তাৰ ভেমটো দেখিলে মোৰ খঙহে উঠে । চাৰিআলিৰ সেই পইন্টটোত সিয়েই যেন ভি.আই.পি. । কলেজলৈ যাওঁতে মই সদায় আৰু এজন মানুহ লগ পাওঁ । মানুহটোক মোৰ লগৰ ছোৱালীবিলাকে "পগলা" বুলি কয় । মই কিন্তু কোনো পধ্যে মানিব নোখোজো যে মানুহটো পগলা। সি ৰাস্তাৰে যাওঁতে একান্তভাৱে নিজৰ লগত ব্যস্ত হৈ থাকে, নিজে কিবা ভাৱে আৰু অকলে -অকলেই হাঁহে । ছোৱালীবোৰে তাক দেখি লৈই পলায় ।

এদিন এটা ঘটনা ঘটিল । মই লগৰ ছোৱালীৰ লগত কলেজৰ পৰা ঘৰলৈ আহি আছোঁ । এনেতে মোৰ বেগটো কেনেবাকৈ বেকা হৈ, দেউতাই দিয়া দামী কলমটো সৰি পৰিল । মই ক'বই নোৱাৰিলো । পিচদিনাখন মই অকলে কলেজলৈ গৈ আছোঁ । মোৰ মূৰত এশ - এবুৰি চিন্তা । ৰাস্তাৰ প্ৰত্যেকটো মানুহৰ মুখবোৰ দেখি দেখি মই চিন্তাত বুৰ গৈছো । এই ৰিক্সাৱালা, ঠেলাৱালাবিলাক, সিহঁতে কিয় বাৰু ইমান কষ্টকৰ জীৱনক আকোৱালি লয় । সিহঁতৰ লক্ষ্যইবা কি ? মূৰৰ ঘাম মাটিত পেলাই সিহঁতে আন সকলো মানুহতকৈ বেছি কষ্ট কৰে অথচ সিহঁতৰেই জীৱন ইমান নিকৃষ্ট কিয় বাৰু ? মোৰ অন্তৰ সিহঁতৰ দুখেৰে ভৰি পৰিল । মই আচৰিত হওঁ ভাবি যে, সিহঁতে যি জীৱন কটায়, সেই জীৱনকে নিৰ্বিবাদে গ্ৰহণ কৰে । তাত উন্নত কৰাৰ কোনো প্ৰচেষ্টা সিহঁতৰ নাই ।

'ভন্টি'

পাছফালৰ কাৰোবাৰ মাতত মই ঘূৰি চালো. 'পগলাটো' । মই ঠিক কৰিব নোৱাৰিলো "মই কি কৰো" । মানহটো যদি সচাঁই পগলা মই সোনকালে আতঁৰা উচিত। কিন্তু পগলা নহবওতো পাৰে আৰু পগলা নহয় যদি মানুহটোৰ লগত কথা পতাৰ ইচ্ছা মোৰ আছে । মই এনেদৰে ভাৱি থাকোতে "পগলা'টোৱে ক'লে— "কালি তোমাৰ কলম এটা পৰি গৈছিল, এইটো লোৱা"।

কলমটো দেখি আচৰিত হলো। হয়, মোৰ কলমটোৱে হয় । কিন্তু সি জানিলে কেনেকৈ যে সেইটো মোৰ কলম । কলমটো দি ঘূৰিবলৈ লওঁতে মই ক'লো "আপুনি এইটো ক'ত পালে "? ঠাইডোখৰলৈ আঙুলিয়াই সি ক'লে — সেই ঠাইখিনিত "।

"আপোনাক বহুত ধন্যবাদ দেই, কলমটো ....... "।

মোৰ কথা মোৰ মুখতেই ৰ'ল । মোৰ কথা শুনিবলৈ বাট নাচাই সি নিজৰ বাট ল'লে । মই আৰু বেছি দোমোজাত পৰিলো । মানুহটো সচাঁই পগলা নহয় নেকি ? মোৰ কথা শুনিবলৈ সি কিয় ইমান আগ্ৰহী নহল ?.........মোৰ মগজুত কিছুমান চিন্তাই পাক ঘুৰণি খাবলৈ ধৰিলে । মই নিজেই কি বুজিলো নাজানো কিন্তু এই 'পগলা' বিশেষণেৰে কলংকিত মানুহটোৰ প্ৰতি মোৰ অন্তৰ সমবেদনাৰে ভৰি পৰিল ।

•••••••••••••

# মোৰ প্ৰেমৰ নিজৰা

কনক ভূঞা

হেৰা নিজৰা তুমি প্ৰেমৰ
নে তুমি শীতল পানীৰে বৈ যোৱা এটি সুতি?
সচাঁকৈয়ে যদি তুমি প্ৰেমৰ,
দেখা দিয়া মোৰ অন্তৰত জিলিকি উঠি,
তুমিয়েই জানো মিলি নোযোৱা, প্ৰশান্ত মহাসাগৰত,
আৰু জানো তুমি মিলি নোযোৱা মোৰ ৰক্ত ধমনীৰ প্ৰবল সোঁতত।
পাহাৰ ভৈয়াম নদ-নদীৰ ভাঁজত পৰিছা সাগৰত,
তোমাৰ লাৱনী দেহৰ প্ৰতিটো ভাঁজত যৌৱনৰ জোৱাৰ উঠিছে মোৰ অন্তৰত।
কুল কুল শব্দৰে নিৰ্জনতা ভাঙি,
বিভিন্ন ৰঙৰ সমাহাৰে সেয়া জানো নহয় তোমাৰ ওঁঠৰ মিছিকিয়া হাঁহি।
উন্মাদিনী হৈ হঠাতে আহি কাঢ়ি ললা ভৈয়ামৰ বুকুখনি,
বালি দাৰে সাঁচি থলা জেউতি ভৰা মোৰ মৰম খিনি।
ভৈয়ামৰ বুকুৰে পাৰ হৈ,
এতিয়া আৰু যাবলৈ ওলালা কিয় সাগৰলৈ?
গুছি গ'লা তুমি মোক অকলশৰীয়া কৰি থৈ,
কিন্তু তোমাৰ প্ৰতীক্ষাত ৰম পাহাৰৰ নিজৰাত গৈ
অহা বৰষাত মিলি যাম দুয়ো একেলগ হৈ।

# মোৰ মন যায়

অদিতি হাজৰিকা

মোৰ মন যায়,
চন্দ্ৰমাৰ দৰে পৃথিৱীক
শীতল ছায়া দি,
হিংসা-দ্বেষ বিহীন
নতুন সংসাৰ গঢ়িবলৈ।
মোৰ মন যায়,
বিষ্ণু-জ্যোতিৰ দৰে
গীতৰ ভাষা লেখি
সকলোৰে হৃদয়ত
অম্লান দেশ গঢ়িবলৈ ।
মোৰ মন যায়,
মাদাৰ টেৰেছা হৈ
মাতৃ ৰূপে নিৰাশ্ৰয়া সন্তানৰ
চকুলো মছি
মহান ব্যক্তিত্বৰে গঢ়ি তুলিবলৈ ।
মোৰ মন যায়,
গোলাপৰ ৰূপ লৈ মানৰ মন জয় কৰি,
হৃদয়ৰ কুটিলতা আঁতৰাই
প্ৰেমৰ অনাবিল ভাষা শিকিবলৈ ।
মোৰ মন যায়,
সূৰ্য্যৰ দৰে ৰক্তিম আভাৰে
দশোদিশ জাগ্ৰত কৰি
নৰ-ৰূপী দানৱক ছাই কৰি
সংশয় ৰহিত এখনি পৃথিৱী গঢ়িবলৈ ।

# সম্পাদকীয় প্ৰতিবেদন

## (সাহিত্য আৰু আলোচনী বিভাগ)



জয় জয়তে নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়ৰ দৰে উচচ শৈক্ষিক মানদণ্ড থকা মহাবিদ্যালয় এখনৰ ছাত্ৰ একতা সভাৰ ইং ১৯৯৭-৯৮ ৰ বৰ্ষৰ সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকা ৰূপে মনোনীত কৰা বাবে মই মহাবিদ্যালয়ৰ সমূহ প্ৰৱক্তাৰ লগতে অধ্যক্ষ মহোদয় আৰু মৰমৰ ছাত্ৰ-ছাত্ৰী বা সহপাঠী বৃন্দলৈ আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। এই সুযোগতে সৰ্বপ্ৰথমে মই ছাত্ৰ-একতা সভাৰ তৰফৰ পৰা বিগত ছাত্ৰ আন্দোলনত বীৰদৰ্পে আত্মাহুতি দিয়া শত শত শ্বহীদলৈ আত্মাৰ চিৰ শান্তিৰ বাবে শ্ৰদ্ধাঞ্জলী যাচিলো।

সকলোৰে সহায়-সহযোগিতাৰ জৰিয়তে মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাকে ধৰি মহাবিদ্যালয় সপ্তাহ উলহ-মালহেৰে পালন কৰা হয়। এই মহাবিদ্যালয় সপ্তাহ উপলক্ষে বিভিন্ন খেল-ধেমালীৰ উপৰিও গীত, তৰ্ক, কবিতা, আবৃত্তি আকস্মিক বক্তৃতা,কুইজ, অন্তক্ষৰী ইত্যাদি প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰা হৈছিল।

ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ সম্পাদিকা হিচাপে মই আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে যাতে যিকোনো সাহিত্য প্ৰতিযোগিতামূলক অনুষ্ঠানত ভাগ লব পাৰে আৰু মানসিক দিশৰ উন্নতি হয় তাৰ বাবে মই ছাত্ৰ-ছাত্ৰী সকলৰ মাজত তৰ্ক প্ৰতিযোগিতা আৰু আবৃত্তি প্ৰতিযোগিতাৰ ব্যৱস্থা কৰিছিলো।

নিজৰ সাহিত্য সংস্কৃতি নাথাকিলে জাতিৰ কোনো অস্তিত্ব নাথেকে "সাহিত্য এটা জাতিৰ দাপোণ" আজিৰ ছাত্ৰ-ছাত্ৰী সকলে প্ৰায়ভাগেই এই সাহিত্য চৰ্চাৰ পৰা ক্ৰমান্বয়ে আতৰি যাব ধৰিছে। মহাবিদ্যালয়ৰ মুখপত্ৰ খনিয়ে সাহিত্য চৰ্চাৰ মূল ক্ষেত্ৰ। ইয়াত আৰম্ভ কৰিলেহে সাহিত্যৰ বিশাল ক্ষেত্ৰত খোজ পেলাবলৈ প্ৰেৰণা পায়। মোৰ আশা, আমাৰ এই আলোচনীয়ে ছাত্ৰ-ছাত্ৰী সকলৰ অন্তৰত সাহিত্যৰ প্ৰতি অনুৰাগ বঢ়াব।

সদৌ শেষত আলোচনী বিভাগৰ সম্পাদিকা হিচাপে অজানিতে কৰা ভুল-ভ্ৰান্তিৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী তথা শ্ৰদ্ধাভাজন প্ৰবক্তাৰ সকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো। মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি সাধন হোৱাৰ মানসেৰে মোৰ প্ৰতিবেদনৰ সামৰণী মাৰিলো।

জয়তু নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়,
কৃতজ্ঞতাৰে

শ্ৰী লুকু মণি দাস
আলোচনী সম্পাদিকা
ছাত্ৰ-একতা সভা ১৯৯৭-৯৮ চন

গল্প

# বহাগৰ বা

নৃপেন চন্দ্ৰ দাস

অসীমে প্ৰৱেশিকা পাছ কৰি কলেজত ভৰি দিছে। হাঁহিৰ মাজতে যে কিবা এঠা বেদনাই তাক হেঁচা মাৰি ধৰিছে। প্ৰতিটো খোজৰ তালে তালে প্ৰকাশ পাইছে আনন্দ স্কুলীয়া পৰিৱেশৰ পাছত তাৰ বহুতো পৰিবৰ্ত্তন হৈছে যদিও পঢ়াশুনাতো ঠিকেই আছে। মাথো মাজে মাজে বয়সে আমনি কৰে । কৰিবই, কাৰণ এইখিনি বয়সতে প্ৰেম জাগে তথাপি তাৰ অন্তৰৰ কথাবোৰ আনৰ আগত কবলৈ লাজ কৰে। কলেজলৈ প্ৰথম কেইদিন অহা যোৱা কৰোঁতে ডিচেম্বৰ মাহৰ ঠাণ্ডাতো দুই এটোপাল ঘামে তাক আমনি কৰিছিল।

পৰম উৎসাহেৰে কলেজলৈ অহা যোৱা কৰোঁতে এদিন হঠাৎ সেই উৎসাহ নোহোৱা হ'ল। সেইদিনা ক্লাচ কৰিবলৈ মন নগ'ল। তাৰ মনটো সেমেকি গ'ল, সেই দিনা ক্লাচ পৰিত্যাগ কৰি কলেজ চৌহদত থকা গছ এজোপাৰ তলত সি বহি পৰিল।

হঠাতে তাৰ চকু চমকি ৰ'ল এজাক ছোৱালীৰ ওপৰত । সেই ছোৱালী জাকৰ মাজত থকা সামান্য চিনাকী অচিনাকী এখন মুখলৈ সেই ছোৱালী জাক তাৰ ফালে আহি আছে। চাওঁতে চাওঁতে ছোৱালী কেইজনী তাৰ ওচৰ পালে আৰু লাহে লাহে তাক চেৰ পেলাই আগবাঢ়ি গ'ল। সি মন্ত্ৰমুগ্ধ মানুহৰ দৰে চাইয়ে থাকিল ছোৱালীজনীৰ প্ৰতিবিম্ব তাৰ হৃদয়ৰ মাজতে প্ৰতিফলিত হৈ থাকিল।

কিছু সময় পিছত অসীমে তাৰ পৰা উঠি দুই এজন বন্ধুৰ লগত কথা পাতিলে আৰু এসময়ত বন্ধু বৰ্গৰ পৰা বিদায় লৈ তাৰ ৰুমৰ ফালে খোজ পেলাওতেই তাৰ চকু পুনৰ সেই ছোৱালী জনীৰ ওপৰত পৰিল। অলপ আগতে সি যি ডোখৰ ঠাইত বহি আছিল ঠিক সেই ঠাই ডোখৰৰ ওপৰতে সেই ছোৱালীজনীয়ে কেইজনীমান বান্ধৱীৰ লগত বহি আছে। মিচিক- মাচাক হাঁহিৰে সিহঁতৰ মাজত কিবা কথা- বতৰা চলি আছে।

তাইক দেখি অসীমৰ মনটো বলীয়া হৈ উঠিল। সি তাইৰ সৈতে চিনাকী হৈ দুই -এষাৰ কথা পাতিবলৈ মন কৰিলে। কিন্তু নহ'ল, সি ইমান বিলাক অচিনাকী ছোৱালীৰ মাজলৈ যাবলৈ সাহস নকৰিলে।

পিছদিনা অসীমে কলেজলৈ আহিয়েই সেই ছোৱালী জনীক দেখিলে। সেই দিনা কিন্তু তাই অকল শৰে আছিল। সম্ভৱ তাই কোনোবা বান্ধৱীৰ অপেক্ষাত ৰৈ আছে। অসীমে এই সুযোগ নেহেৰুৱাই তাইৰ কাষ চাপিল। তাইৰ লগত দুই এষাৰ কথা পাতি তাইৰ লগত চিনাকী হ'ল। যেতিয়া ছোৱালী জনীৰ নাম আৰু সবিশেষ জানিলে তেতিয়া তাৰ সেই শৈশৱতে লগ পোৱা বিভাই এইজনী তাক মানি লবলৈ টান পালে। কিন্তু অৱশেষত মানি ল'ব লগা হ'ল সিওঁ তাৰ চিনাকী দিলে।

বিভা আৰু অসীম শৈশৱ কালৰে বন্ধু- বান্ধৱী। বিভাৰ বাপেকে চাকৰিৰ কামত চহৰৰ পৰা ঘৰলৈ অহা যোৱা কৰিবলৈ লগা হোৱাত এসময়ত গাওঁৰ মাটি - সম্পত্তি বিক্ৰী কৰি চহৰত এডোখৰ মাটি লৈ থাকিবলৈ লৈছিল । তেতিয়াৰে পৰা বিভাৰ লগত সিদিনাহে লগ হৈছিল। অসীমেও গাৱঁৰ পৰা আহি গুৱাহাটী চহৰত ভাড়া ঘৰত থাকি পঢ়া শুনা কৰে গতিকে দুয়ো দুয়োকো লগ পাই আনন্দ পালে।

লাহে লাহে সিহঁতৰ মিলা- প্ৰীতি বাঢ়িল । অসীম দুখীয়া ঘৰৰ ল'ৰা আৰু বিভা এজনী সম্ভ্ৰান্ত পৰিয়ালৰ ছোৱালী তথাপি অসীমৰ অন্তৰত সেই ভাৱ জাগি নুঠিল। সি বিভাক ভাল পায় পেলালে কিন্তু খুলি কব নোৱাৰিলে।

লাহে লাহে অসীমৰ চিনাকী বিভাৰ অইন এজনী বান্ধৱী সীমাৰ লগত হ'ল । সীমা খুলা মনৰ ছোৱালী। কেতিয়াবা কেতিয়াবা অসীমে বিভাৰ অনুপস্থিতিত সীমাৰ লগত সময় কটায়। সি সীমাক বান্ধৱী ৰূপেহে মানি লৈছে।

অসীমৰ প্ৰতিটো কথাতে সীমাই এক গোপন ৰহস্য পায়। এদিন সীমাই অসীমৰ গোপন ৰহস্যৰ কথা শুধি

পেলালে আৰু অসীমক অন্তৰৰ কথা খুলি কবলৈ বাধ্য কৰালে।

অসীমে বাধ্য ছাত্রৰ দৰে সীমাৰ ওচৰত হাৰ মানি এটা হাঁহিৰে আৰম্ভ কৰিলে বিভাৰ প্রতি থকা তাৰ দুর্বলতা। প্রথম বিভাই আহিছিল তাৰ জীৱনলৈ । সি সপোন দেখিছিল এখন নতুন পৃথিৱী গঢ়াৰ যিখন পৃথিৱীত অশান্তিৰ ক'লা ডাৱৰ নেথাকিব, থাকিব মাথো প্রেম আৰু পৱিত্রতাৰে পৰিপূর্ণ চিৰ শান্তি। সীমাই মাথো সেই সপোন পৰিত্যাগ কৰিবলৈ অসীমক উপদেশ দিছিল। কাৰণ তাই বিভা আৰু অসীমৰ মিলন হ'ব নোৱাৰে বুলি জানিছিল। দিন বাগৰিছিল। এনেতে এদিন সীমাই বিভাৰ প্রতি থকা অসীমৰ দুর্বলতাৰ বিষয়ে জনাইছিল আৰু বিভাৰ মতামত বিচাৰিছিল। কিন্তু বিভায়ো অসীমৰ প্রতি এক দুর্বলতা দেখুৱাইছিল।

সীমাই অসীমক সহায় কৰি দিয়াৰ বাবে সীমাক ধন্যবাদ জনাইছিল। সেই দিনাৰ পৰা অসীমৰ পঢ়াৰ প্রতি পুনৰ উৎসাহ আহিল।

বিভা আৰু অসীমৰ যৌৱন প্রাপ্ত দিনবোৰ এদিন এদিন কৈ বাগৰি থাকিল, হাঁহি- ধেমালিৰ মাজেৰে।

দুয়োৰে পৰীক্ষাও কাষ চাপিল। মাজতে মাত্র দেৰমাহ বাকী। এনেতে বিভা অইন এজনৰ প্রেমত পৰিল, তাই অসীমক লগ নিদিয়া হ'ল। অসীমেও যাতে বিভাক পাহৰি যায় তাৰ বাবে সীমাক কৈ পঠালে।

সীমাৰ মুখত বিভাৰ প্রেম বিচ্ছেদৰ কথা শুনি অসীম সৰগ পৰা মানুহৰ দৰে স্থিৰ হৈ ৰ'ল। সীমাই বহু বুজনিৰে তাক কিছু শান্ত কৰিলে, যদিও বিভাৰ প্রতি থকা তাৰ দুর্বলতাক সি মনৰ পৰা বাদ দিব নোৱাৰিলে। প্রেম বিচ্ছেদৰ ফলত সি পৰীক্ষাত কৃতকার্য হ'ব নোৱাৰিলে। তাৰ অন্তৰত মাথো বিভাৰ প্রতিবিম্ব প্রতিফলিত হৈ থাকিল।

••••••••••••••••••••

"জীৱনত লাহে লাহে আগবাঢ়া; কিন্তু অতি দৃঢ়তাৰে আগবাঢ়া"

— স্বামী স্বৰূপানন্দ

চক্রেটিছে কৈছিল — " মই যদি জানো যে অহা কালি পৃথিৱীখন ধ্বংস হ'ব তথাপিও মই ফুলজোপাৰ গুৰিত আজি পানী নিদিয়াকৈ নাথাকো" ।

## সাম্প্ৰতিক

দিপ্তী কলিতা

তুমিয়েইতো মোক দিছিলা

হৃদয়-উদ্যানৰ সংবাদ,

আজি গুছি গ'লা অজান দেশলৈ

ধৰ্ম নিৰপেক্ষতাৰ সেই সুঁৱদী চৰাই।

কিমানেইবা বিচাৰিছিল..........

ৰক্ত গোলাপৰ মিঠা সুৱাস

কেতিয়াবাই মৰহি গ'ল

সেই মনৰ মন্দিৰ ।

তুমি ধৰিছিলা ৰণচালি

মানৱ ধৰ্মৰ হকে

সকলো নিঃশেষ হৈ গ'ল নে এই পৃথিৱীত?

চৌদিশে তৰোৱালৰ ভাবুকিত

হবানে তুমি নিৰুপায়?

## বিপ্লৱী

ৰিঙ্কু কলিতা

হাঁহি হাঁহি দিয়া আজি প্ৰাণাহুতি

খুলিবলৈ জননীৰ দাসত্বৰ শিকলি ।

তেতিয়াহে তোমাৰ জননীয়ে পাব মুক্তি ।

সেয়েহে ভাই-ভনী সকল,

মই তোমালোকক অনুৰোধ কৰো

হাই কাজিয়া এৰা,

অহিংসাক আকোঁৱালি লোৱা ।

দেশ মাতৃক পূজা কৰা ।

দেখিবা সকলো সুন্দৰ ।

আপোন ভালেই জগত ভাল,

তেন্তে তোমালোক হৈছা কিয় কাল ।

শ্বহীদৰ তেজৰ দ্বিপাৱলী ।

তেতিয়াহে তুমি পাবা স্বীকৃতি

অসমৰ ভাৰতৰ সু-সন্তান বুলি ।

জননীৰ বীৰ পুত্ৰ তুমি ।

বিশ্বই জানিব তোমাক

মাতৃৰ মুক্তিকামী বিপ্লৱী বুলি ।

# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



লিখনিৰ আৰম্ভণিতে দেশ আৰু জাতিৰ বাবে জীৱন আঁহুতি দিয়া অসমৰ খ্যাত-অখ্যাত শ্বহীদসকলৰ স্মৃতিত মোৰ শ্ৰদ্ধাঞ্জলী নিবেদন কৰি লিখনিৰ পাতনি মেলিছোঁ ।

নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে মোক ১৯৯৭-৯৮ বৰ্ষৰ খেল বিভাগৰ সম্পাদকৰূপে নিৰ্বাচিত কৰি বিদ্যালয়লৈ কিঞ্চিৎ সেৱা আগবঢ়োৱাৰ সুযোগ দিলে, তেওঁলোকলৈ আৰু মোৰ কাৰ্য্যকালত নানা দিহা-পৰামৰ্শ সহায়-সহযোগিতা আগবঢ়োৱা মাননীয় শিক্ষক-শিক্ষয়িত্ৰী সকললৈ কৃতজ্ঞতা আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ ।

কাৰ্য্যকালৰ সময়ছোৱাত শিক্ষক দিৱস, গণতন্ত্ৰ দিৱস, নৱাগত আদৰণী সভা আদি পাতিবলৈ আমি সক্ষম হৈছিলো । আমাৰ কলেজৰ ছাত্ৰ-ছাত্ৰী সকলৰ আদৰৰ বিদ্যালয় সপ্তাহৰ আয়োজন কৰিছিলো ।এই অনুষ্ঠানত নানা খেল-ধেমালিৰ ওপৰি সংগীত, কুইজ, সাহিত্য আদি প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছিল । ছাত্ৰ-ছাত্ৰী সকলে অতি উৎসাহেৰে এই অনুষ্ঠানত অংশ গ্ৰহণ কৰি নানা দিশৰ পৰা পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল ।

সদৌ শেষত মোৰ দায়িত্ব পালনত অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ ক্ষমা বিচাৰি লগতে আমাৰ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদনৰ ইমানতে সামৰণী মাৰিলো ।

কৃতজ্ঞতাৰে—

**নয়নমনি ডেকা**
খেল বিভাগৰ সম্পাদক
নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয
*ছাত্ৰ-একতা সভা ১৯৯৭-৯৮ চন*

# MOTHER

Aparna Bhattacharjee

She is a sweet women with
beautiful
eyes
She always acts like my guide.
She takes my tensions and
worries
And makes my life worth while
She keeps a watch on me
And corrects me when
something is wrong
She is a good friend and
company.
Sometimes angry, and sometimes
funny
I love nothing to say further
She is none but my mother .

# নৱ-বিপ্লৱী কবি জাগে

নির্মল ক্র

সাত ভনী মোৰ
নতুন বেলিয়ে আজি
নতুন পোহৰ দি
উজ্বলাই নৱ ধৰিত্ৰী,
উজ্বল কৰি দিলে আজি
সাত ভনী মোৰ
নৱ জীৱনৰ আজি
জাগিছে নবীন বেদ ।
ঝংকিত দেশে দেশে নতুন গায়ত্রী
নতুন সুৰেৰে গা নৱ নির্মিত সমাগম
নতুন বিপ্লৱী কবি জাগে আজি ।

"কোমল পানীয়ে খান্দোতে খান্দোতে প্ৰকাণ্ড পাহাৰো খহি পৰে "।

"যদি শগুণ পাৰিষদ হয় তেন্তে ৰাজ হংসই ৰজা হৈয়ো একো কৰিব নোৱাৰে আৰু যদি ৰাজহংস পাৰিষদ হয় তেন্তে শগুণ ৰজা হৈয়ো বহুতো ভাল কাম কৰিব পাৰে "।

— বিষ্ণু শৰ্মা

## জানেনে ?

১) মহাত্মা গান্ধীৰ মৃত্যুৰ পিছত প্ৰথমবাৰৰ বাবে পৃথিৱীৰ কিমানখন দেশে মৃত্যু শত বাৰ্ষিকী পালন কৰিছিল ?

উত্তৰ ঃ— ৯২ খন দেশে ।

২) গান্ধীজী দক্ষিণ আফ্ৰিকালৈ ৰেলত গৈ থাকোতে ৰেল মাষ্টৰে কোনটো ষ্টেচনত তেওঁক গতিয়াই বাহিৰ কৰি দিছিল।

উত্তৰ ঃ— "মাৰটিজ বাৰ্গ" নামৰ ষ্টেচনটোত ।

৩) গান্ধীজীৰ মৃত্যুৰ দিনা কিমান মানুহৰ সমাগম হৈছিল ?

উত্তৰ ঃ— প্ৰায় ১৫ লাখ ।

৪) কোনজন মহান ব্যক্তিয়ে নিজৰ ঘৈনীয়েকৰ মৃত্যুৰ খবৰ পাইয়ো আদালতৰ বিচাৰ শেষ নোহোৱালৈকে ওলাই অহা নাছিল ?

উত্তৰ ঃ— চৰদাৰ বল্লভ ভাই পেটেল ।

৫) এছিয়া মহাদেশৰ বৃহত্তম ভূমিকম্পটো কেতিয়া আৰু ক'ত হৈছিল ?

উত্তৰ ঃ— ১৯৫০ চনত অসমত ।

৬) বিশ্বৰ বৃহত্তম ভূমিকম্পটো ক'ত আৰু কেতিয়া হৈছিল ?

উত্তৰ ঃ— চিলিত ১৯৬০ চনত ।

৭) পৃথিৱীৰ সৰ্বাধিক ভাষাত অনুদিত গ্ৰন্থখনৰ নাম কি ?

উত্তৰ ঃ— বাইবেল ।

সংগ্ৰাহক

মঃ চাহেদ আলী

## জানেনে ?

প্ৰঃ পৃথিৱীৰ উচ্চতম জলপ্ৰপাতটোৰ নাম কি ?

উঃ ভেনিজুৱেলা আতিল ।

প্ৰঃ কি চৰায়ে মাটি আৰু শিলেৰে নিজৰ ঘৰ সাজে ?

উঃ মেছাপোড ।

প্ৰঃ কোনটো ইংৰাজী আখৰ আটাইতকৈ বেছি ব্যৱহাৰ হয় ?

উঃ "E" আখৰটো ।

প্ৰঃ পৃথিৱীৰ আটাইতকৈ ডাঙৰ দ্বীপটোৰ নাম কি ?

উঃ গ্ৰীনলেণ্ড ।

প্ৰঃ চীনদেশৰ পৰম্পৰাগত খেল কি ?

উঃ লাটুম খেল ।

প্ৰঃ পৃথিৱীৰ বৃহত্তৰ প্ৰাচীৰটোৰ নাম কি ?

উঃ চীনৰ প্ৰাচীৰ ।

প্ৰঃ পৃথিৱীৰ দীৰ্ঘতম ৰেলপথটোৰ নাম কি ?

উঃ বিগাৰ পাৰা ব্লাডিডোষ্টক ।

প্ৰঃ আটাইতকৈ ডাঙৰ ফুল কি ?

উঃ আৰ্মাকো কালাচ টিটেনাম ।

প্ৰঃ সৰ্বশ্ৰেষ্ঠ ভাৰতীয় বোলছবিৰ পুৰস্কাৰ কি ?

উঃ "দাদা চাহেব ফাল্কে" পুৰস্কাৰ ।

প্ৰঃ প্ৰথম অসমীয়া উপন্যাস খনৰ নাম কি ?

উঃ ভানুমতী । লেখক পদ্মনাথ গোহাঞিবৰুৱা ।

সংগ্ৰাহক শ্ৰী পৰিনীতা ভৰালী

# অপেক্ষা

বিপুল তালুকদাৰ

মধুৰ এটি মূহুৰ্ত্ত
ৰাখিছোঁ ধৰি সযতনে
তোমাক শুনাম বুলি
কাষতে নাইযে তুমি ।
শুকুলা ডাৱৰে ভৰা আকাশ
তল ভৰি সৰা নিশাৰ শেৱালী ফুল,
আছানে বাৰু !
ইয়াৰ মাজত তুমি
নে বকুল ফুলৰ
সুবাসৰ মাজতে ।
ইয়াতে আছো মাথো বৈ
তোমাক সুঁৱৰি মই
যতেই, নাথাকিলেও আছোঁ ।
তোমাৰ সতে
সচা মিছাৰ বালিঘৰ
সাজিছো আজি ইয়াতে
জীৱনটো যে অভিনয়
এই ধৰাৰ বুকুত ।
তথাপি বিচাৰো সকলো
তোমাৰ মাজেৰে
আছোহি বৈ তোমাৰ
অপেক্ষাতে ।

# মৃত্যুহীন

শিৱম পংকজ

আজিতো অহা বাটেই ঘূৰি গ'ল
বসন্তৰ কুলি আৰু শৰতৰ শেৱালি,
বুকু ভৰা পথাৰৰ শ্যামল কবিতাজাকে
উৰি উৰি নাগায় গান ।
ওৰে ৰাতি বুকুত লৈয়েঁই কটালো
শৈশৱৰ সুহুৰি সনা এটা সপোন ।
এনেকৈয়ে যদি নগ্ন হ'ব পাৰো,
এখন এখনকৈ খুলি দিয়া স্বাৰ্থৰ
বস্ত্ৰত যুগ যুগৰ অশ্ৰুৰ মৃতদেহ,
তাৰ সতেই সহবাসী
ক্ষমাহীন আশা অথবা
নিৰাশাৰ মৰুভূ ।
সকলো জানিও পিজৰা খুলি
এৰি দিও প্ৰত্যাশাৰ কুকুৰ-নেচীয়া ।
সিহঁতৰ ভ্ৰূক্ষেপ বিহিন কামোৰত
বখলা-বখলে এৰি যোৱা
অনুভূতিৰ ৰক্তহীন মঙহ ।
মৰমৰ অনাহাৰত ক্ৰমশ ঃ মৰি অহা
শৰীৰত আৰি দিলে কি হ'ব,
মৰুদ্যানৰ ছবি ?
সেয়াই ভাল য'ত নিৰন্ন সময়ৰেও
জীয়াই ৰাখিব পাৰি
মৃত্যুহীন সত্বা ।

# নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়ৰ ১৯৯৩ চনৰ পৰা ১৯৯৮ চনলৈ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ।

**১৯৯৩ চন**

মুঠ পৰীক্ষাৰ্থী — ৪৫ জন

প্ৰথম বিভাগ — নাই

দ্বিতীয় বিভাগ — ৫ জন

তৃতীয় বিভাগ — ৮ জন

মুঠ উত্তীৰ্ণ হয় — ১৩ জন

শতকৰা — ২৮.৮৮ জন

**১৯৯৪ চন**

মুঠ পৰীক্ষাৰ্থী — ৫২ জন

প্ৰথম বিভাগ — নাই

দ্বিতীয় বিভাগ — ২ জন

তৃতীয় বিভাগ — ১৮ জন

মুঠ উত্তীৰ্ণ হয় — ২০ জন

শতকৰা — ৩৮.৪৬ জন

**১৯৯৫ চন**

মুঠ পৰীক্ষাৰ্থী — ৩৫ জন

প্ৰথম বিভাগ — ১ জন

দ্বিতীয় বিভাগ — ৬ জন

তৃতীয় বিভাগ — ৯ জন

মুঠ উত্তীৰ্ণ হয় — ১৬ জন

শতকৰা — ৪৫.৭১ জন

**১৯৯৬ চন**

মুঠ পৰীক্ষাৰ্থী — ৫২ জন

প্ৰথম বিভাগ — ১ জন(লেটাৰ Eco.)

দ্বিতীয় বিভাগ — ৯ জন

তৃতীয় বিভাগ — ১৪ জন

মুঠ উত্তীৰ্ণ হয় — ২৪ জন

শতকৰা — ৪৬.১৫ জন

**১৯৯৭ চন**

মুঠ পৰীক্ষাৰ্থী — ৮৬ জন

প্ৰথম বিভাগ — ৫ জন (লেটাৰ Lp.2,Psc.)

দ্বিতীয় বিভাগ — ২২ জন

তৃতীয় বিভাগ — ৩২ জন

মুঠ উত্তীৰ্ণ হয় — ৫৯ জন

শতকৰা — ৬৮.৬০ জন

**১৯৯৮ চন**

মুঠ পৰীক্ষাৰ্থী — ১১৪জন

প্ৰথম বিভাগ — ৬ জন (লেটাৰ Lp.)

দ্বিতীয় বিভাগ — ২১ জন

তৃতীয় বিভাগ — ৫২ জন

মুঠ উত্তীৰ্ণ হয় — ৭৯ জন

শতকৰা — ৬৯.২৯ জন

# নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয পৰিচালনা সমিতিৰ বিষয় ববীয়া সকল ।



শ্ৰীযুত সমেন্দ্ৰ নাথ ডেকা।
(ডেপুটি মেয়ৰ)
সহঃ সাধাৰণ সম্পাদক



শ্ৰীযুত মথুৰা মোহন কলিতা।
সাধাৰণ সম্পাদক



শ্ৰীযুত চন্দ্ৰশেখৰ কাকতি।
কাৰ্য্যকৰী সভাপতি



ডাঃ ভানু শইকীয়া,
সদস্য



শ্ৰীযুত সৰোজ কাকতি,
সদস্য



শ্ৰীযুত কামিনি কুমাৰ শৰ্মা,
সদস্য



শ্ৰীযুত টিকেন্দ্ৰ বৰা,
সদস্য



শ্ৰীযুত কমলা কলিতা
উপসভাপতি



শ্ৰীযুত শৈলেন বুঢ়াগোহাঁই
সদস্য


অনুপস্থিত
**বিষয় ববীয়া সকল——**

সভানেত্ৰী ঃ ডঃ হেমপ্ৰভা শইকীয়া ।
উপসভাপতি ঃ শ্ৰীযুত ফণি ভুঞা ।
উপসভাপতি ঃ শ্ৰীযুত কমলা কলিতা।
সহঃ সাধাৰণ সম্পাদক (যুটীয়া) ঃ শ্ৰীভৱেন দাস।
কোষাধ্যক্ষ ঃ শ্ৰীযুত কনক চন্দ্ৰ ঠাকুৰীয়া।

সদস্যবৃন্দ ঃ সৰ্বশ্ৰী মিনু বুঢ়াগোহাঁই, অচ্যুত ডেকা, কমলেশ্বৰ ফুকন, কানাই লাল গুপ্তা, অনু শইকীয়া, দ্বিজেন ডেকা, অৰবিন্দ শৰ্মা, নৌচাদ আলী, কমলেশ্বৰ বৰ্মন, মনোহৰ দাস, হীৰা দে, শশীন মজুমদাৰ, মধুসূধন সিনহা,ডাঃ শৈলেন বুঢ়াগোহাঁই, সুনিল মৰ্ডা, বিপ্লৱ চেতিয়া, নৰেশ্বৰ দাস,গঙ্গাধৰ বৰুৱা, ৰামসাগৰ সিং, উত্তম দাস, গোলাপ শইকীয়া, প্ৰদীপ আবং, কামিনি কুমাৰ শৰ্মা, অশোক ৰায়চৌধুৰী।



# ১৯৯৭–৯৮ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয় ববীয়া সকল।



শ্ৰী ধীৰাজ কাকতি, (শ্ৰেণী প্ৰতিনিধি)


শ্ৰী লক্ষ্মী কৌৰ, (শ্ৰেণী প্ৰতিনিধি)



শ্ৰী ৰাতুল গগৈ,
উপ-সভাপতি ।



শ্ৰী কমল বৈশ্য
সাধাৰণ সম্পাদক



শ্ৰী সিদ্ধাৰ্থ দত্ত
সহঃ সাধাৰণ সম্পাদক



শ্ৰী নয়ণ মণি ডেকা
খেলবিভাগৰ সম্পাদক



শ্ৰী লুকুমণি দাস
আলোচনী সম্পাদিকা



শ্ৰী সৰিতা দাস
সাংস্কৃতিক সম্পাদিকা



শ্ৰী ফনিধৰ কলিতা
সমাজ সেৱা সম্পাদক



শ্ৰী নকুল দাস
শ্ৰেণী প্ৰতিনিধি



শ্ৰী সন্দিপ্ বৰুৱা
শ্ৰেণী প্ৰতিনিধি

# ১৯৯৭–৯৮ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয় ববীয়া সকল ।

| | |
|---|---|
| সভানেত্ৰী | শ্ৰীযুতা নীৰা দাস (ভাৰপ্ৰাপ্ত অধ্যক্ষা) |
| উপ-সভাপতি | শ্ৰীৰাতুল গগৈ |
| সাধাৰণ সম্পাদক | শ্ৰীকমল বৈশ্য |
| সহঃ সাধাৰণ সম্পাদক | শ্ৰীসিদ্ধাৰ্থ দত্ত |
| খেলবিভাগৰ সম্পাদক | শ্ৰীনয়ণ মণি ডেকা |
| আলোচনী সম্পাদিকা | শ্ৰীলুকুমণি দাস |
| সাংস্কৃতিক সম্পাদিকা | শ্ৰীসৰিতা দাস |
| সমাজ সেৱা সম্পাদক | শ্ৰীফনিধৰ কলিতা |
| শ্ৰেণী প্ৰতিনিধি | শ্ৰীনকুল দাস |
| শ্ৰেণী প্ৰতিনিধি | শ্ৰীসন্দিপ্ বৰুৱা |
| শ্ৰেণী প্ৰতিনিধি | শ্ৰীধীৰাজ কাকতি |
| শ্ৰেণী প্ৰতিনিধি | শ্ৰীলক্ষ্মী কৌৰ |

# মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী বৃন্দ ।



**বাওঁফালৰ পৰা থিয় হৈ ক্ৰমে ----** ১) শ্ৰীযুত দেৱজিৎ শৰ্মা (প্ৰবক্তা), ২) শ্ৰীযুত সঞ্জয় কলিতা (প্ৰবক্তা),৩) শ্ৰীযুতা কৰবি গোস্বামী (প্ৰবক্তা), ৪) শ্ৰীযুত্ৰ দিপাঞ্জলী দাস (প্ৰবক্তা), ৫) শ্ৰীযুত্ৰ জোনালী তালুকদাৰ (প্ৰবক্তা), ৬) শ্ৰী পুতুল ক্ৰ (কাৰ্য্যালয় সহায়ক), ৭) শ্ৰীযুত্ৰ মিনু দাস (প্ৰবক্তা), ৮) শ্ৰীযুত্ৰ সুধা কুমাৰী (প্ৰবক্তা), ৯) শ্ৰীযুত্ৰ সুমিত্ৰা দেৱী ছেত্ৰী (প্ৰবক্তা), ১০) শ্ৰী বিপুল তালুকদাৰ (কাৰ্য্যালয় সহায়ক), ১১) শ্ৰীযুত্ৰ গিতিকা শৰ্মা (প্ৰবক্তা), ১২) শ্ৰীযুত্ৰ যুতিকা বৰ্মন (প্ৰবক্তা), ১৩) শ্ৰী নৰ কুমাৰ কলিতা (কাৰ্য্যালয় সহায়ক), ১৪) শ্ৰীযুত্ৰ মনিষা সন্দিকৈ (প্ৰবক্তা), ১৫) শ্ৰীযুত জয়ন্ত কুমাৰ বৰুৱা (প্ৰবক্তা) ।

**বহি বাওঁফালৰ পৰা ক্ৰমে ----** ১) শ্ৰীযুত প্ৰনৱ ভট্টাচাৰ্যী (পুথিভঁৰালী), ২) শ্ৰীযুত্ৰ ৰীতা দত্ত হাজৰিকা (প্ৰবক্তা), ৩) শ্ৰীযুত্ৰ অৰ্চনা বৰা (প্ৰবক্তা), ৪) শ্ৰীযুত্ৰ নীৰা দাস (ভাৰপ্ৰাপ্ত অধ্যক্ষা), ৫) শ্ৰীযুত সংগীতা বৰঠাকুৰ (প্ৰবক্তা), ৬) শ্ৰীযুত্ৰ ৰীতা শৰ্মা (প্ৰবক্তা), ৭) শ্ৰীযুত প্ৰীতিমালা বৰুৱা (প্ৰবক্তা) ।

**তলত বহি ক্ৰমে ----** ১) শ্ৰী হৃদয়ানন্দ চৌধুৰী (কাৰ্য্যালয় সহায়ক), ২) শ্ৰী নিৰ্মল ক্ৰ (কাৰ্য্যালয় সহায়ক)।

**অনুপস্থিত ----** ১) শ্ৰীযুত ৰোজী পাটংগীয়া (প্ৰবক্তা), ২) শ্ৰীযুত ৰূপলেখা ফুকন (প্ৰবক্তা), ৩) শ্ৰীযুত্ৰ মুক্তা পুৰকায়স্থ (প্ৰবক্তা), ৪) শ্ৰীযুত্ৰ সাগৰিকা চৌধুৰী (প্ৰবক্তা), ৫) শ্ৰীযুত্ৰ জুৰি শৰ্মা (প্ৰবক্তা), ৬) শ্ৰীযুত সৰোজ কাকতি (প্ৰবক্তা ), ৭) শ্ৰীযুত্ৰ ইৰানী ঠাকুৰীয়া (প্ৰবক্তা), ৮) শ্ৰীযুত অৰবিন্দ শৰ্মা(প্ৰবক্তা), ৯) শ্ৰীযুত হেমন্ত ৰাভা (প্ৰবক্তা ), ১০) শ্ৰীযুত দিলীপ কুমাৰ দত্ত (প্ৰবক্তা), ১১) শ্ৰীযুতা সেৰিকা দাস (প্ৰবক্তা), ১২) শ্ৰীযুত্ৰ বনশ্ৰী দেৱী (প্ৰবক্তা), ১৩) শ্ৰীযুত মৃণাল শৰ্মা (প্ৰবক্তা), ১৪) শ্ৰী প্ৰদীপ বাৰ্মা (কাৰ্য্যালয় সহায়ক), ১৫) শ্ৰী অমৃত ডেকা (কাৰ্য্যালয় সহায়ক), ১৬) শ্ৰী কুসুম বৰ্মন ঠাকুৰীয়া (কাৰ্য্যালয় সহায়ক), ১৭) শ্ৰী অক্ষ্যেন্দ্ৰ খাটনিয়াৰ (কাৰ্য্যালয় সহায়ক)।